**মাননীয় উপাধ্যক্ষ মহোদয় আৰু অসম বিধান সভাৰ সন্মানীয় সদস্যসকল,**

পোনপ্ৰথমে জাতিৰ পিতা মহাত্মা গান্ধীলৈ তেখেতৰ পুণ্য তিথিত মোৰ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। সমগ্ৰ বিশ্বক আলোকিত কৰা তেখেতৰ জীৱন আৰু বাণীয়ে আজিও মানৱ জাতিক উদ্ভাষিত কৰি আহিছে। হে সন্মানীয় সদস্যসকল, মই নিশ্চিত যে, এই পোহৰেই অবিৰতভাৱে আমাৰ পথ উজলাই ৰাখিব আৰু অনাগত সময়বোৰত জীৱনৰ পথ প্ৰদৰ্শক হৈ ৰ'ব।

পবিত্ৰ মাঘ মাহ আৰু ইংৰাজী নৱবৰ্ষ ২০১৭ চনৰ প্ৰথম মাহটোত আপোনালোক আটাইলৈকে মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনাইছো, অনাগত দিনবোৰে আমাৰ ৰাজ্যখনৰ সকলোলৈকে সৰ্বদিশতে সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা কৰিলো। চতুৰ্দশ অসম বিধান সভাৰ চতুৰ্দশ বাজেট অধিৱেশনৰ আজিৰ দিনটোত পবিত্ৰ সদনক সম্বোধন কৰিবলৈ পাই অত্যন্ত সুখী। আঠমাহ আগতে, বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকা, পাৰ্বত্য আৰু ভৈয়াম অঞ্চল আৰু সমাজৰ সকলো স্তৰৰ লোককে ধৰি অসমৰ জনসাধাৰণে এখন নতুন চৰকাৰ গঠনৰ বাবে জনমত প্ৰদান কৰিলে। সেই সময়ৰ পৰাই মোৰ চৰকাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ আৰু আজান পীৰৰ আদৰ্শৰ দ্বাৰা পৰিচালিত হৈ চাওলুং চ্যুকাফা, বীৰ লাচিত আৰু বীৰ চিলাৰায় তথা আমাৰ ৰাজ্যখনৰ আন আন মহান ব্যক্তিসকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ শাসন ব্যৱস্থাটোত গুণগত পৰিৱৰ্ত্তন অনাত আত্ম নিয়োগ কৰিছে।

অসম সম্ভাৱনীয়তা আৰু সমৃদ্ধিৰে পূৰ্ণ এখন ৰাজ্য। সমৃদ্ধিৰ এই ভাণ্ডাৰ সঠিক দিশলৈ যোৱাৰ বাবে মোৰ চৰকাৰে ৰাজ্যৰ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকা, পাহাৰ আৰু ভৈয়ামৰ সুষম উন্নয়নৰ প্ৰক্ৰিয়া হাতত লৈছে। আমাৰ নাগৰিক সকলৰ দীৰ্ঘদিনীয়া আশা আৰু আকাংক্ষা পূৰণৰ নিমিত্তে আৰু ৰাজ্যখনক উন্নয়নৰ ক্ষেত্ৰত শীৰ্ষ পৰ্যায়লৈ নিয়াৰ বাবে ৰাজ্যখনৰ বিশাল প্ৰাকৃতিক আৰু মানৱ

সম্পদক সম্পূৰ্ণভাৱে ব্যৱহাৰ কৰাৰ হকে মোৰ চৰকাৰে আধুনিক পৰিচালনা কৌশল গ্ৰহণ আৰু শেহতীয়া গোলকীয় প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰিব।

মোৰ চৰকাৰে 'অসমৰ আৱিষ্কাৰ (Discovery of Assam)'ৰ সন্ধানত সক্ৰিয়ভাৱে আগবাঢ়ি যাব আৰু মানৱ সম্পদ, প্ৰাকৃতিক সম্পদ, সাংস্কৃতিক সম্পদ আৰু যোগাযোগ ইত্যাদিকে ধৰি জিলাসমূহত উপলব্ধ বিভিন্ন সম্পদ একগোট কৰিব। এইবোৰ হৈছে আমাৰ গৌৰৱোজ্জ্বল ঐতিহ্য আৰু সম্পদৰ বুনিয়াদৰ এৰাব নোৱাৰা অংগ।

সকলোৰে বাবে সু-শাসন— মোৰ চৰকাৰৰ বাবে ইয়েই নিৰ্দেশিকা মন্ত্ৰ। সন্মানীয় সদস্যসকল, এক নিকা, স্বচ্ছ আৰু দায়বদ্ধ প্ৰশাসন প্ৰদানৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। জাতি, ধৰ্ম, গোষ্ঠী নিৰ্বিশেষে আমাৰ সংমিশ্ৰিত সমাজখনৰ সকলো শ্ৰেণীৰ লোকৰে ন্যায়পূৰ্ণ স্বাৰ্থ সুৰক্ষিত কৰা হ'ব। অনুসূচিত জাতি, পাহাৰ আৰু ভৈয়ামৰ জনজাতিসকল, জনগোষ্ঠীয় সমুদায়, পিচপৰা বৰ্গ, ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু, মহিলা, শিশু, জ্যেষ্ঠ নাগৰিক, বিশেষভাৱে সক্ষম, গ্ৰাম্য আৰু নগৰীয়া দৰিদ্ৰ আৰু যিসকল এতিয়াও পিচপৰি আছে, সমাজৰ তেনে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ উন্নয়নৰ বাবে মোৰ চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব।

আমাৰ সকলো নাগৰিকে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা লাভ কৰি থাকিব আৰু আমাৰ জাতি, মাটি আৰু ভেটি অক্ষুণ্ণ ৰখাৰ বাবে পৰিচয়, ঐতিহ্য আৰু আত্ম সন্মানক সুৰক্ষিত কৰা হ'ব। মোৰ চৰকাৰ সকলো পৰ্যায়তে সজাগ আৰু সক্ৰিয়। ৰাজ্যখনত উন্নয়ন, শান্তি আৰু সমৃদ্ধিৰ এটা নতুন যুগ আৰম্ভ কৰাৰ অৰ্থে ই সকলো সম্প্ৰদায়কে আস্থাত লৈ এক অনুকূল বাতাৱৰণ সৃষ্টি কৰিব।

সকলোকে সামৰি লৈ কৰা সৰ্বাঙ্গীণ বিকাশৰ নীতিক সাৰোগত কৰি মোৰ চৰকাৰে এই কথাটো সুনিশ্চিত কৰিছে যাতে সকলো চৰকাৰী আঁচনিয়ে সকলোকে সামৰি লয়। কেতবোৰ বিশেষ সম্প্ৰদায়ৰ পৰামৰ্শ আৰু আশা-আকাংক্ষাৰ কথা বিবেচনা কৰি উদ্ভাৱনমূলক আচনিসমূহ প্ৰস্তুত কৰাৰ বাবে কাৰ্য্য ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ লগতে জড়িত সকলো পক্ষকে লগত লৈ দেশৰ ভিতৰতে অসমক এখন আদৰ্শ ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে আৰু আমাৰ সপোনৰ এখন নতুন অসম নিৰ্মাণ কৰাৰ অৰ্থে মোৰ চৰকাৰে অবিৰতভাৱে কাম কৰি যাব।

অসম চুক্তি আখৰে আখৰে ৰূপায়ণ কৰাটো এটা প্ৰধান অগ্ৰাধিকাৰৰ বিষয়; আমি এইক্ষেত্ৰত সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ। এই চুক্তি সম্পাদিত হোৱাৰ সংগ্ৰামৰ দিশত অসমৰ ৰাইজে আগবঢ়োৱা প্ৰভূত বৰঙণিক মোৰ চৰকাৰে সন্মান সহকাৰে সুঁৱৰিছো। ২০১৬ চনৰ ১০ ডিচেম্বৰত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অগণন ৰাইজৰ উপস্থিতিত মোৰ চৰকাৰে অসম আন্দোলনৰ শ্বহীদসকলক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক এটা স্মাৰক আৰু প্ৰত্যেকলৈ ৫ লাখ টকাকৈ বিত্তীয় সাহায্য আগবঢ়ায়। অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতি ৰক্ষাৰ্থে ‘শ্বহীদ স্মাৰক ক্ষেত্ৰ’ নামেৰে এক বিশাল সোঁৱৰণী উদ্যান নিৰ্মাণৰ বাবে এক প্ৰকল্প হাতত লোৱা হৈছে। তদুপৰি শ্বহীদসকলৰ পৰিয়াল, অসম আন্দোলনৰ লগত জড়িত সংগঠনসমূহ, ছাত্ৰ-ছাত্ৰীসকল, গৱেষকসকল আৰু অন্যান্য ইচ্ছুক ব্যক্তিসকলৰ সুবিধাৰ অৰ্থে এটা তথ্য কেন্দ্ৰ, এটা আৰ্কাইভ্ তথা ফটো গেলাৰী আৰু এটা সভাগৃহ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে।

মোৰ চৰকাৰে অসম চুক্তি ৬ নং দফাৰ অধীনত সাংবিধানিক, ন্যায়িক, সামাজিক আৰু সাংস্কৃতিক ৰক্ষা কৱচ প্ৰদান কৰাৰ বাবে সংশ্লিষ্ট সকলোৰে সৈতে সহযোগিতা আগবঢ়াব।

মাননীয় সদস্যসকল, ভাৰত-বাংলাদেশ সীমান্তৰ পৰিস্থিতি মোৰ চৰকাৰে গভীৰভাৱে চিন্তা-চৰ্চা কৰিছে। মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত এক উচ্চ পৰ্যায়ৰ দল আৰু এই পবিত্ৰ সদনৰ মাননীয় সদস্যসকলৰ নেতৃত্বত কেইবাটাও উচ্চ পৰ্যায়ৰ সঁজাতী দলে সীমান্ত অঞ্চল পৰিভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লৈছে। ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে চীল কৰাটো এক প্ৰত্যাহ্বানপূৰ্ণ কাম; সীমান্তৰ বিভিন্ন খণ্ডত বিশাল পৰিধিৰ নদী অংশ থকা সত্বেও নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত উপযুক্ত প্ৰযুক্তিৰ সহায়েৰে সীমান্ত চীল কৰা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ প্ৰচেষ্টা লোৱা হ’ব। বৰ্ত্তমানে থাকি যোৱা কেতবোৰ ঠাই আৰু গৰাখহনীয়াৰ কবলত পৰা কিছু অঞ্চলক বাদ দি ভাৰত-বাংলাদেশ সীমান্ত পথ আৰু দলং নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হৈ উঠিছে; এনে বৈ যোৱা অঞ্চলসমূহত অগ্ৰাধিকাৰ ভিত্তিত কাম চলাই থকা হৈছে। তদুপৰি সীমান্তৰ কাঁটা তাৰৰ বেৰ বৈ যোৱা অংশৰ কাম

শীঘ্রে সম্পূর্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰিণ কৰা হৈছে। ফ্লাড লাইট স্থাপনৰ কাম সম্পূৰ্ণ হৈছে ; এইবোৰত বিদ্যুৎ সংযোগৰ কাম অহা কেইমাহমানৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব।

সন্দেহজনক লোকসকলৰ নাগৰিকত্ব পৰীক্ষাৰ দ্বাৰা সঠিক সময়ত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী(NRC) খন উন্নীত কৰাৰ বাবে মোৰ চৰকাৰ বদ্ধপৰিকৰ। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত অসম হৈছে দেশখনৰ ভিতৰতে প্ৰথমখন ৰাজ্য। বিভিন্ন নথিপত্ৰ সমূহ নিৰ্ভুলভাৱে পৰীক্ষা কৰাটো সুনিশ্চিত কৰাৰ বাবে জিলা কৰ্তৃপক্ষসমূহে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগিব। এইক্ষেত্ৰত অসমৰ জনসাধাৰণে ইয়াৰ পৰা যথেষ্ট আশা কৰিছে আৰু জিলা উপায়ুক্তসকলে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াটো নিবিড়ভাৱে তদাৰক কৰিব। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখনৰ উন্নীতকৰণৰ বিষয়টো আগবাঢ়ি গৈছে। ৬৮.২ লাখখন আৱেদনৰ ৯৭% ক্ষেত্ৰভিত্তিক পৰীক্ষা সম্পূৰ্ণ হৈছে। ৫.৯ কোটি নথিৰ ভিতৰত ৫ কোটি নথিৰ পৰীক্ষণ সম্পূৰ্ণ হৈছে। ৩.৫৫ লাখ নথিপত্ৰ পৰীক্ষাৰ বাবে অন্যান্য ৰাজ্যসমূহলৈ প্ৰেৰণ কৰা হৈছে।

ৰাজ্যখনৰ ভূমিহীন খিলঞ্জীয়া লোকসকললৈ মাটিৰ পট্টা দিবলৈ মোৰ চৰকাৰে বিবেচনা কৰি আছে। অসমৰ সত্ৰ আৰু অন্যান্য ধৰ্মীয়, সাংস্কৃতিক তথা পাৰিবেশিক ভূমিক সুৰক্ষিত কৰাৰ বাবে আন্তৰিক প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে আৰু আইনৰ প্ৰক্ৰিয়া অনুসৰণ কৰি বেদখল উচ্ছেদ অভিযান সাৱধানতাৰে চলোৱা হৈছে।

মাননীয় সদস্যসকল, মই মোৰ চৰকাৰৰ নীতি আৰু আঁচনিসমূহ, আপোনালোকৰ সন্মুখত উপস্থাপন কৰিম; মই নিশ্চিত যে আমাৰ সমূহীয়া প্ৰচেষ্টাই এই বিনম্ৰ যাত্ৰাত অসমক আগুৱাই নিব।

**কৃষি ঃ**

অসমৰ জনসংখ্যাৰ গৰিষ্ঠ সংখ্যকৰে কৃষিয়েই হৈছে প্ৰধান জীৱিকা ; ২৭.২০ লাখ কৃষক পৰিয়াল ২৯.২২ লাখ হেক্টৰ কৃষি ভূমিৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। মুঠ কৰ্মশক্তিৰ পঞ্চাশ শতাংশৰো অধিক ইয়াৰ সৈতে অবিৰতভাৱে জড়িত হৈ

আছে আৰু প্ৰত্যক্ষ বা পৰোক্ষভাৱে মুঠ জনসংখ্যাৰ পয়সত্তৰ শতাংশ লোক কৃষিখণ্ডৰ দ্বাৰা লাভাৱান্বিত হৈ আছে। মোৰ চৰকাৰে বহনক্ষম উন্নয়নৰ লক্ষ্য ২০৩০ গ্ৰহণ কৰিছে আৰু এই লক্ষ্যত উপনীত হোৱাৰ বাবে কৌশল যুগুত কৰিছে, কিয়নো ৰাজ্যখনত ক্ষুধা আৰু দৰিদ্ৰতা নিমূৰ্লৰ ক্ষেত্ৰত কৃষি খণ্ডৰ এক বৃহৎ ভূমিকা আছে। ২০১৭-১৮ বৰ্ষৰ শেষৰফালে শস্য উৎপাদন প্ৰাবল্য বৰ্ত্তমানৰ ১৪৯% ৰ পৰা ১৫১% লৈ নিয়াৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। শস্যৰ উৎপাদনশীলতা আৰু উৎপাদন বৃদ্ধিৰ বাবে মোৰ চৰকাৰে ভূমি পৰীক্ষাৰ কাম-কাজ আৰু ৰাজ্যখনৰ কৃষকসকলৰ মাজত ভূমি স্বাস্থ্য কাৰ্ড বিতৰণৰ ব্যৱস্থা আৰম্ভ কৰিছে। ভূমি পৰীক্ষাগাৰসমূহ উন্নীতকৰণৰ কাম আৰম্ভ কৰা হৈছে।

মোৰ চৰকাৰে অসম ৰাজ্যিক কৃষি বিপণন পৰিষদ আৰু ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে চলিত বৰ্ষত ৰাজ্যৰ কৃষকৰ পৰা ১ লাখ মেট্ৰিকটন ধান ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মোৰ চৰকাৰে ৰাজ্যখনত মাহজাতীয় শস্যৰ উৎপাদন ক্ষেত্ৰ বৃদ্ধি কৰা আৰু ছন পৰা মাটিত শালি ধানৰ খেতিৰ প্ৰসাৰৰ বাবে বিস্তৃত আঁচনি যুগুতাই উলিয়াইছে। এই দ্বৈত কৃষি পদ্ধতিয়ে ৰাজ্যত মাহ আৰু তৈল শস্যৰ উৎপাদন বৃদ্ধি কৰিব। মোৰ চৰকাৰে জৈৱিক কৃষিৰ বাবে ২০১৬-১৭ বৰ্ষৰ পৰা নতুনকৈ প্ৰৱৰ্ত্তন কৰা 'পৰম্পৰাগত কৃষি বিকাশ যোজনা' ৰূপায়ণ কৰিছে।

কৃষি যান্ত্ৰিকীকৰণ আৰু জলসিঞ্চনৰ বাবে মোৰ চৰকাৰে ৰাজ্যত সৌৰশক্তিৰে পৰিচালিত অগভীৰ টিউবৱেল স্থাপনৰ কাম আৰম্ভ কৰিছে। তদুপৰি, প্ৰধানমন্ত্ৰীৰ কৃষি সিচাঁই যোজনা (PMKSY) ৰ অধীনত ৰাজ্যখনৰ সকলোবোৰ কৃষি ভূমিত জলসিঞ্চন নিশ্চিত কৰাৰ বাবে ৰাজ্যিক জলসিঞ্চন পৰিকল্পনা চূড়ান্ত কৰা হৈছে। কৃষি ঋণৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনত এতিয়ালৈকে ৰাজ্যত ১১ লাখ কৃষক পৰিয়ালক সামৰি লোৱা হৈছে আৰু চলিত বৰ্ষত ৫.৫৩ লাখ অধিক পৰিয়ালক সামৰি লোৱা হ'ব। ৰাজ্যত বজাৰভিত্তিক উৎপাদন, প্ৰস্তুতকৰণ আৰু বিপণনৰ ব্যৱস্থা কৰাৰ বাবে বিশ্ব বেংকৰ সাহায্যৰে 'আচাম প্ৰজেক্ট অন এগ্ৰি বিজিনেছ ফৰ ৰুৰেল ট্ৰেন্সফৰমেচন (APART)' নামৰ এটি প্ৰকল্প ২০১৭-১৮ চনৰ পৰা ৰূপায়িত হ'ব বুলি আশা কৰা হৈছে।

**উদ্যানশস্য খণ্ড ঃ** মোৰ চৰকাৰে উদ্যানশস্যক অগ্ৰাধিকাৰ খণ্ড হিচাপে গুৰুত্ব প্ৰদান কৰিছে। প্ৰমাণিকৃত আলুৰ বীজ বিতৰণ, হাইব্ৰীড ৰবিশস্যৰ বীজ (বানাক্ৰান্ত সকলৰ মাজত), সেউজ গৃহৰ দ্বাৰা উচ্চ পৰ্যায়ৰ শাক-পাচলি উৎপাদন আদি ইয়াৰ অধীনত কৰি থকা হৈছে। নতুন চৰকাৰৰ ১০০ দিনৰ আঁচনিৰ অধীনত ১ লাখ ফল-মূলৰ পুলি বিতৰণ কৰা হৈছে। ৰাজ্যৰ নামনি অসম আৰু পাৰ্বত্য অঞ্চলত উচ্চ বাণিজ্যিক মূল্যবিশিষ্ট শস্য 'ষ্ট্ৰবেৰী'ক জনপ্ৰিয় কৰিবলৈ টিচু কৰ্ষণ কৰা পুলি বিতৰণৰ ব্যৱস্থা লোৱা হৈছে। কামৰূপ, নগাঁও, মৰিগাঁও, যোৰহাট, গোলাঘাট, শোণিতপুৰ আৰু কাৰ্বিআংলং জিলাত ১০ টা 'কৃষক উৎপাদক কোম্পানী' গঠন কৰা হৈছে। ভাৰত চৰকাৰৰ 'প্ৰতি টোপালত অধিক শস্য' আঁচনিৰ লেখীয়াকৈ ড্ৰিপ আৰু মাইক্ৰ স্প্ৰিংক্লাৰযুক্ত ক্ষুদ্ৰ জলসিঞ্চনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। চলিত বৰ্ষৰ পৰা নতুনকৈ গ্ৰহণ কৰা 'প্ৰধানমন্ত্ৰী কৃষি সিচাঁই যোজনা' ৰূপায়িত কৰা হৈছে। উদ্যানশস্যৰ খেতি চপোৱাৰ পিচত হোৱা ক্ষতি হ্ৰাসকৰণৰ বাবে কৰ্ম আঁচনি গ্ৰহণ কৰা হৈছে। চৰকাৰী সাহায্যৰে ব্যক্তিগত খণ্ডত দুটা প্ৰাথমিক প্ৰস্তুতিৰ আৰু এটা খাদ্য প্ৰস্তুতকৰণ গোট আৰু ব্যৱসায়ীসকলৰ সহায়ক হোৱাকৈ ২৫ টা 'পেক হাউছ' স্থাপন কৰা হৈছে।

২০১৬-১৭ চনৰ পৰা আৰম্ভ হোৱা 'জৈৱিক মূল্যশৃংখল অভিযান' আঁচনিখনে ৰাজ্যখনৰ জৈৱিক সম্ভাৱনীয়তা নিৰূপণ কৰাত সহায় কৰিব। 'মছলা বৰ্ড'ৰ সহযোগত অসমৰ মছলা শস্যৰ আধুনিক খেতিৰ বাবে কৃষকসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। শেহতীয়া প্ৰযুক্তিৰ বিষয়ে ধাৰণা দিবলৈ মছলা শস্যৰ খেতিয়কসকলক কালিকাটলৈ পঠোৱা হ'ব। কাঠফুলাৰ প্ৰচুৰ সম্ভাৱনীয়তা আমাৰ ৰাজ্যত আছে যদিও বনৰীয়া কাঠফুলা খাই মাজে মাজে জনজীৱনৰ হানি হোৱা দেখা যায়। এনে মৃত্যু ৰোধ কৰা আৰু ইয়াৰ পুষ্টিকাৰক উপকাৰিতাসমূহ ৰাইজৰ মাজত অধিক প্ৰসাৰৰ অৰ্থে মোৰ চৰকাৰে প্ৰশিক্ষণ, সজাগতা আঁচনি আৰু বিনামূলীয়া বীজ, সজুলি আদি প্ৰদানৰ দ্বাৰা গ্ৰহণযোগ্য কাঠফুলাৰ খেতি জনপ্ৰিয় কৰি তোলাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। কামৰূপ, কাছাৰ,নগাঁও, যোৰহাট, শিৱসাগৰ আদি জিলাত ফুলৰ বাণিজ্যিক

সম্ভাৱনীয়তা বৃদ্ধি পাবলৈ ধৰিছে। উচ্চ মানৰ অৰ্কিড, এন্থুৰিয়ান, জাৰবেৰা, নাৰ্জী, ৰজনীগন্ধা ফুলৰ উৎপাদন এলেকাৰ পৰিসৰ বৃদ্ধিৰ আঁচনি গ্ৰহণ কৰা হৈছে।

**পশুপালন আৰু পশু চিকিৎসা ঃ**

মোৰ চৰকাৰে গাখীৰ, মাংস আৰু কণীৰ উৎপাদন বৃদ্ধি কৰা, নিয়োগৰ সা-সুবিধা প্ৰদান কৰা, কৃত্ৰিম প্ৰজনন পদ্ধতিৰ জৰিয়তে উন্নত জাতৰ বৰ্ণসংকৰ গৰু, ছাগলী, গাহৰি আদিৰ উৎপাদন বৃদ্ধি কৰা; পশুধনলৈ উচ্চমানৰ দানা আৰু খাদ্য যোগান ধৰা তথা নিয়মীয়া চিকিৎসা আৰু সময়ে-সময়ে টীকাকৰণৰ দ্বাৰা পশুধনৰ স্বাস্থ্য ৰক্ষা কৰাৰ দৰে মৌলিক উদ্দেশ্যসমূহ আগত ৰাখি পশুপালন খণ্ডটোলৈ যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে। এই খণ্ডটোত অধিক গুৰুত্ব প্ৰদান কৰিবলগীয়া আঁচনিসমূহ হৈছে খানাপাৰাস্থিত পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয়খনক এখন পশুপালন আৰু মৎস্য বিজ্ঞান বিশ্ববিদ্যালয়লৈ উন্নীত কৰা; হাঁহ-কুকুৰা, গাহৰি, ছাগলী, ভেড়া আৰু বুলবুলি চৰাই পালনক পৃথক-পৃথক উদ্যোগ হিচাপে চিনাক্ত তথা উন্নীত কৰি তোলা; "পাছ চোতালৰ হাঁহ-কুকুৰা পালন" (Backyard Poultry Reariing)-ৰ জৰিয়তে কণীৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে আঁচনি; ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰ দ্বাৰা কণীৰ উৎপাদন বৃদ্ধি কৰিবলৈ চাৰিখন ব্যৱসায়িক 'লেয়াৰ ফাৰ্ম' ; ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰ দ্বাৰা চাৰিটা দানাৰ মিল স্থাপন; চৰকাৰী পশুধন আৰু হাঁহ-কুকুৰা পামসমূহৰ নৱীকৰণ ; 'এগ্ মিশ্বন' নামেৰে কণীৰ উৎপাদনৰ সৈতে জড়িত এটা বৃহৎ প্ৰকল্প যুগুত কৰি তোলা; মাজুলী জিলাত বৰ্ণসংকৰ চেঁউৰী বিতৰণ; বৰ্তমানে চলি থকা আঁচনিসমূহৰ উপৰি বিভিন্ন টীকাৰ উৎপাদন তথা ক্ৰয়ৰ নতুন আঁচনি লোৱা হৈছে।

**দুগ্ধ উন্নয়ন**

মোৰ চৰকাৰে চলিত বিত্তীয় বৰ্ষতে এখন বিস্তৃত আঁচনিসহ ভিজন ডকুমেন্ট ২০৩০ যুগুত কৰাৰ কাম-কাজ আৰম্ভ কৰিছে। ইতিমধ্যে থকা ৫২৪ খন দুগ্ধ সমবায় সমিতিৰ উপৰি গোৱালপাৰা, নলবাৰী, মাজুলী আৰু ডিব্ৰুগড় জিলাত

আন ৪০ খন দুগ্ধ সমবায় সমিতি স্থাপন কৰি থকা হৈছে, ধেমাজি জিলাত ১৩ খন ব্যৱসায়িক দুগ্ধ পামৰ কাম-কাজ আৰম্ভ কৰি থকা হৈছে আৰু ধেমাজিত ৫০০০ লিটাৰ ক্ষমতাসম্পন্ন দুগ্ধ সংশাধন প্ৰকল্প কাৰ্যক্ষম কৰা হ'ব। ২০১৬-১৭ বৰ্ষৰ সময়চোৱাতে দুগ্ধ সমবায় সমিতি আৰু ব্যৱসায়িক দুগ্ধ পামৰ জৰিয়তে প্ৰায় ৯৩০ গৰাকী দুগ্ধ পালকৰ বাবে নিয়োগৰ সা-সুবিধা সৃষ্টি কৰা হ'ব বুলি আশা কৰা হৈছে।

**মীন ঃ**

মোৰ চৰকাৰখনে ৰাজ্যখনৰ মীনখণ্ডৰ সম্ভাৱনীয়তাক ধৰি ৰাখিবলৈ আৰু মাছৰ উৎপাদন বৃদ্ধিৰ অৰ্থে বহুতো আঁচনি আৰু কাৰ্যসূচী ৰূপায়ণ কৰি আছে। প্ৰধান আঁচনিসমূহৰ ভিতৰত আছে 'মৎস্য জাগৰণ' কাৰ্যসূচীৰ অধীনত 'ঘৰে-ঘৰে পুখুৰী, ঘৰে-ঘৰে মাছ'- এই বাণীৰে ব্যক্তিগত কৃষকসকলৰ ৭৫ হেক্টৰ নতুন পুখুৰী উন্নত কৰা। ইতিমধ্যে 'মৎস্য মিত্ৰ' নামেৰে ৭৫ গৰাকী সহায়ক সম্প্ৰসাৰণ কৰ্মী নিয়োজিত কৰা হৈছে। 'পৰিষ্কাৰ পানীৰ মৎস্যপালন উন্নয়ন' নামৰ কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিখনৰ অধীনত মৎস্য পালনৰ বাবে ১৬০ হেক্টৰ নতুন তথা ইতিমধ্যে থকা পুখুৰী উন্নীতকৰণৰ কাম-কাজ ৰূপায়ণ কৰি থকা হৈছে। বিজ্ঞানসন্মত মীন পালন তথা মীন আৰু মীনজাত সম্পদৰ সংৰক্ষণ সম্পৰ্কীয় জন-সচেতনতাৰ লগতে সক্ৰিয়কৰণৰ বাবে উন্নয়ন খণ্ড পৰ্যায়ৰ কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে। FISHCOPFED ৰ জৰিয়তে ১.৫ লাখতকৈয়ো অধিক মাছমৰীয়া আৰু মীন পালকৰ বাবে বীমাৰ কাম চলি আছে। গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত গ্ৰাম্য মৎস্য বজাৰ আৰু মৎস্য ৰখা কেন্দ্ৰ স্থাপনৰ লগতে জলাহভূমি তথা বিভাগীয় পাম আৰু নতুন পুখুৰী উন্নীত কৰিবলৈ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

নতুন চৰকাৰখনৰ '১০০ দিনীয়া কাৰ্যসূচী'ৰ অধীনত ২ নিযুত মাছৰ পোনা বিতৰণ কৰা হৈছে; ৫০টা উন্নয়ন খণ্ডত বিজ্ঞানসন্মত মৎস্য পালনৰ পদ্ধতিসমূহ প্ৰদৰ্শন কৰা হৈছে আৰু ১৫০ টা মাছৰ পোনাৰ হেট্চাৰী তথা ৫০০ গৰাকী মীন পালকক পঞ্জীয়নভুক্ত কৰা হৈছে। "নীল বিপ্লৱ ঃ মাছৰ পুখুৰীৰ সংহত উন্নয়ন

তথা ব্যৱস্থাপনা” শীর্ষক নতুনকৈ আৰম্ভ কৰা কেন্দ্ৰীয় আঁচনিখনৰ অধীনত মুঠ কেন্দ্ৰীয় অংশ ১৬৪১.৪৫ লাখ টকাৰ ভিতৰত ৰাজ্যখনে প্ৰথমটো কিস্তি হিচাপে ৫০০ লাখ টকা লাভ কৰিছে। ৰাজ্যখনৰ মীন খণ্ডৰ উন্নয়ন সাধনৰ অৰ্থে, মূলতঃ জল অঞ্চলৰ উন্নয়ন, মাছৰ পোনাৰ হেট্‌চাৰী স্থাপন আৰু মাছৰ খাদ্যৰ মিল স্থাপনৰ বাবে ৰাষ্ট্ৰীয় মীন উন্নয়ন ব’ৰ্ডৰ পৰা সহযোগিতা লাভৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হৈছে।

মোৰ চৰকাৰে গ্ৰাম্য উন্নয়ন আৰু জীৱিকাৰ অৰ্থে ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহৰ সৈতে সংগতি ৰাখি অবিৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে। অনাগত কিছু বছৰৰ ভিতৰত ৰাজ্যখনক মীন উৎপাদনৰ ক্ষেত্ৰত আত্ম-নিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশেষজ্ঞৰ সৈতে আলোচনামৰ্মে এখন ‘ভিজন ডকুমেন্ট’ প্ৰস্তুতিৰ কাম চলি আছে।

**সমবায় ঃ**

মোৰ চৰকাৰে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত গ্ৰামাঞ্চলৰ খাদ্য শস্য আৰু অন্যান্য কৃষিজাত সামগ্ৰীৰ সংৰক্ষণ ক্ষমতা বৃদ্ধিৰ বাবে আঁচনি ৰূপায়ণ কৰি আছে। অসম ৰাজ্যিক সমবায় গৃহনিৰ্মাণ সংস্থা পৰিসীমিত (হাউছফেড)-ক ২৪৪ টা গ্ৰাম্য ভঁড়াল নিৰ্মাণৰ দায়িত্ব দিয়া হৈছে আৰু প্ৰায় ১০০ টা ভঁড়ালৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। ইতিমধ্যে থকা ভগ্নপ্ৰায় ৫৭ টা গুদামৰ উন্নীতকৰণ/মেৰামতি আৰু ৪ টা নতুন গুদাম নিৰ্মাণৰ বাবে নাবাৰ্ডে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ৫০ কোটি টকাৰ ঋণ সাহায্য মঞ্জুৰ কৰিছে।

মোৰ চৰকাৰে কৃষি, মৎস্য পালন, দুগ্ধ, ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগ তথা অন্যান্য গুৰুত্বপূৰ্ণ জীৱিকা সৃষ্টিকাৰী খণ্ডসমূহৰ দ্বাৰা স্ব-নিৰ্ভৰশীল হ’বৰ বাবে সমবায় সমিতিসমূহক ফলপ্ৰসু কৰি ব্যৱসায়িক ভিত্তিত কাৰ্যক্ষম কৰি তুলিবলৈ পদক্ষেপ হাতত লৈছে। নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কৰ্ম আঁচনি চূড়ান্ত কৰা হৈছে আৰু ১১৮ টা সজাগতা আৰু পৰামৰ্শদাতা (Advocacy) শিবিৰ অনুষ্ঠিত কৰা হৈছে, কৃষি, দুগ্ধ, মৎস্য পালন আৰু অন্যান্য আয় উপাৰ্জনকাৰী খণ্ডৰ বাবে ৩৮২ খন নতুন সমবায় সমিতি পঞ্জীয়ন কৰা হৈছে। ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা

অভিযানৰ অধীনত সৃষ্ট আত্ম-সহায়ক গোট সমূহৰ পৰা গঠন কৰা গ্ৰাম্য সংস্থাসমূহক সমবায় সমিতি হিচাপে পঞ্জীয়ন কৰাৰ প্ৰক্ৰিয়া চলি আছে আৰু ১৪৮ টা গ্ৰামীন সংস্থাক পঞ্জীয়ন কৰা হৈছে।

মোৰ চৰকাৰে প্ৰতিবছৰে আটাইতকৈ ভাল প্ৰদৰ্শন দেখুৱাব পৰা তিনিখন সমবায় সমিতিক স্বচ্ছতা বজাই ৰাখি নিৰ্বাচন কৰাৰ প্ৰস্তাৱ হাতত লৈছে। ইয়াৰ বাবে (১) ৰাজ্যিক পৰ্যায়ত, (২) জিলা পৰ্যায়ত, (৩) মহকুমা পৰ্যায়ত আৰু (৪) প্ৰাথমিক কৃষি সমবায় সমিতি — এই চাৰিটা শ্ৰেণীৰ ক্ষেত্ৰতে কেতবোৰ উদ্দেশ্যধৰ্মী মাপকাঠীৰ ওপৰত ভিত্তি কৰি সমবায় সমিতিকেইখন নিৰ্বাচন কৰাৰ প্ৰস্তাৱ কৰা হৈছে। তেওঁলোকৰ প্ৰতিটো শাখাতে ৰাজ্যিক পৰ্যায়ত আৰু সংশ্লিষ্ট জিলা তথা মহকুমা পৰ্যায়ত অনুষ্ঠিত কৰা গণৰাজ্য দিৱস উদ্‌যাপনৰ অনুষ্ঠানসমূহত এই সমবায় সমিতিসমূহক প্ৰথম পুৰস্কাৰ হিচাপে ১২ লাখ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে ৮ লাখ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে ৫ লাখ টকাৰ বঁটা প্ৰদান কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

**খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে ২.৫২ কোটি জনসংখ্যা সামৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ ৰূপায়ণ কৰি আছে। সকলোবোৰ যোগ্য হিতাধিকাৰীকে সামৰি লোৱা হৈছে। অন্ত্যোদয়া অন্ন যোজনাৰ পৰিয়ালসমূহে ৰাজ সাহায্য যুক্ত ৩ টকা দৰত প্ৰতিমাহে ৩৫ কেজিকৈ চাউল আৰু অগ্ৰাধিকাৰ পৰিয়ালসমূহে ৰাজ সাহায্যযুক্ত ৩ টকা দৰত প্ৰতিজন সদস্যই ৫ কেজিকৈ চাউল পাই আছে। ৰাজ্যখনত যোগ্য পৰিয়ালক প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত সামৰি লোৱা হ'ব। অসম ৰাজ্যিক গ্ৰাহক বিবাদ নিষ্পত্তিকৰণ আয়োগ আৰু সকলোবোৰ জিলা গ্ৰাহক Forum ত মোৰ চৰকাৰে ইন্টাৰনেট সংযোগৰ স্থাপন কৰিছে। প্ৰতিটো ক্ষীপ্ৰ তথ্য আদান-প্ৰদানৰ বাবে সকলো নিৰ্বাচিত হিতাধিকাৰীৰ তথ্য আৰু গাঁও পঞ্চায়ত সমবায় সমিতি / সুলভ মূল্যৰ দোকানৰ তথ্য কম্পিউটাৰাইজেশ্বনৰে ডিজিটাইজ্‌ড কৰা হৈছে। TPDS কম্পিউটাৰইজেশ্বনৰ অধীনত GPSS লৈ ইন্টাৰনেটৰ সংযোগেৰে সামৰি লোৱা হৈছে। ৰাজ্যিক স্বচ্ছতা পৰ্টেল (www.fcs.assam.gov.in) কাৰ্যক্ষম কৰা হৈছে।

মোৰ চৰকাৰে এক অনলাইন ওজৰ-আপত্তি নিষ্পত্তিকৰণ ব্যৱস্থা কৰিছে। প্ৰত্যেক জিলাতে একোজন অতিৰিক্ত জিলা উপায়ুক্তক জিলা ওজৰ-আপত্তি নিষ্পত্তিকৰণ বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। গুৱাহাটীস্থিত সঞ্চালকালয়ত বিনামূলীয়া নম্বৰসহ এটা গ্ৰাহক হেল্প লাইন আৰু কল চেন্টাৰ খোলা হৈছে।

মোৰ চৰকাৰে আমাৰ ১০০ দিনীয়া কৰ্ম আঁচনিৰ সময়ছোৱাত ১৮৫৬ খন 'আমাৰ দোকান' খুলিছে। ইয়াত গ্ৰাহক সকললৈ সৰ্বোচ্চ খুচুৰা মূল্যতকৈ কম মূল্যত ২২ বিধ অত্যাৱশ্যকীয় সা-সামগ্ৰী বিক্ৰী কৰা হয়। তদুপৰি ই-ৰিক্সাৰ জৰিয়তে 'ভ্ৰাম্যমাণ আমাৰ দোকান 'খোলাৰ পৰিকল্পনা লোৱা হৈছে ।

ৰাজ্যখনত বিভিন্ন বজাৰত থিতাতে পৰীক্ষণ প্ৰক্ৰিয়াৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰীৰ দৰ অবিৰতভাৱে নিৰীক্ষণ কৰি থকা হৈছে। ব্যৱসায়িক প্ৰতিষ্ঠানত পাইকাৰী আৰু খুচুৰা মূল্য থিতাতে তদাৰক কৰাৰ বাবে কাৰ্যবাহী দণ্ডাধীশৰ নেতৃত্বত প্ৰত্যেক জিলা/মহকুমাত এনফোৰ্চমেন্ট স্কোৱাড (Enforcement Squad) গঠন কৰা হৈছে। যেতিয়া কোনো অনিয়ম অথবা নিয়ম ভংগকাৰী (Violation) বিষয়ে প্ৰত্যক্ষ কৰা হৈছে তেতিয়াই এনেকুৱা অসাধু তথা দুষ্ট ব্যৱসায়ীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হৈছে। এই বৰ্ষৰ সময়ছোৱাত বৈধ জোখ-মাপ বিভাগৰ নিয়ন্ত্ৰণৰ দ্বাৰাও এনেকুৱা বিষয়া চিনাক্ত কৰি উল্লেখনীয়ভাৱে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ**

সন্মানীয় সদস্যসকল, আপোনালোকৰ অৱগত যে ৮৬ শতাংশতকৈ বেছি লোকে গ্ৰাম্য এলেকাত বাস কৰে। মোৰ চৰকাৰ গ্ৰামীণ এলেকাৰ অবিৰত আৰু সৰ্বাংগীণ বিকাশৰ বাবে সম্পূৰ্ণ সাজু।

এম জি এনৰেগাৰ অধীনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল আঁচনিসমূহ একত্ৰীকৰণ। ২০১৬-১৭ বৰ্ষত ২৮৭ লাখতকৈ অধিক কৰ্মদিনৰ সৃষ্টি কৰা হৈছে। ৪৪ লাখতকৈ অধিক পৰিয়াললৈ জবকাৰ্ডৰ সুবিধা আগবঢ়োৱা হৈছে। ৪,৮০০ তকৈ বেছি পৰিয়ালে ১০০ দিনৰ কাম সম্পূৰ্ণ কৰিছে। ২,৩০০ তকৈ বেছি

বিশেষভাৱে সক্ষম ব্যক্তিক চাকৰিৰ সুবিধা আগবঢ়োৱা হৈছে। ৩৭ শতাংশতকৈ বেছি মহিলাক চাকৰিৰ সুবিধা আগবঢ়াইছে। আঁচনিসমূহৰ ৰূপায়ণ সঠিকভাৱে কৰা হৈছে। জব কাৰ্ড থকা লোকসকলৰ সকলোবোৰ প্ৰাপ্য ধন তেওঁলোকৰ একাউন্টত জমা হৈছে।

ইন্দিৰা আৱাস যোজনাৰ অধীনত ২০১৫-১৬ বৰ্ষত অনুমোদন জনোৱা ১.২৩ লাখ টা গৃহৰ ভিতৰৰ প্ৰায় ৩,৯০০ টা গৃহ সম্পূৰ্ণ কৰা হৈছে আৰু বাকী থকা গৃহ কেইটাৰ নিৰ্মাণ কাৰ্য চলি আছে। এই আঁচনিসমূহ পি-এফ-এম-এছ (ৰাজহুৱা বিত্ত পৰিচালনা ব্যৱস্থা) ৰ অধীনলৈ অনা হৈছে। এতিয়া আবন্টিত গৃহ সমূহৰ বিপৰীতে হোৱা সকলো কিস্তি পোনে পোনে হিতাধিকাৰীসকলৰ একাউন্টত জমা দিয়া হৈছে। এতিয়া ইন্দিৰা আৱাস যোজনা আঁচনিখন পি-এম এ ওৱাই-জি (প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীন) হিচাপে পুনৰ গঠন কৰা হৈছে আৰু আৰ্থ-সামাজিক আৰু জাতি পিয়ল, ২০১১ অনুসৰি হিতাধিকাৰী নিৰ্বাচন কৰা হৈছে। প্ৰতিটো গৃহৰ খৰচ ৭৫,০০০ টকাৰ পৰা ১.৩০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। শৌচাগাৰ নিৰ্মাণৰ বাবে ১২,০০০ টকা আৰু এম জি এনৰেগাৰ অধীনত ৯৫ দিনৰ কামৰ বাবে ১৭,২৯০ টকাৰ অতিৰিক্ত ব্যৱস্থা কৰা হৈছে। ২০১৬-১৭ বৰ্ষত ১.৬৪ লাখ টা গৃহ নিৰ্মাণৰ লক্ষ্য লোৱা হৈছে, ২০১৭ বৰ্ষৰ ১ এপ্ৰিলৰ ভিতৰত ৩.৫৯ লাখ (বাকী থকা ১.৯৫ লাখ নিৰ্মাণ নকৰা গৃহকে ধৰি) টা ইন্দিৰা আৱাস যোজনাৰ গৃহ সম্পূৰ্ণকৰণৰ লক্ষ্য লোৱা হৈছে।

ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি (এন এচ এ পি)ৰ অধীনত ৭.৭৮ লাখ বয়োবৃদ্ধ ব্যক্তিলৈ পেঞ্চনৰ সুবিধা প্ৰদান কৰা হৈছে। ১,১৭,০০০ গৰাকীৰো অধিক বিধৱা (৪০ বছৰ বয়সৰ আৰু তাৰ ওপৰৰ) আৰু প্ৰায় ৩৮,৬০০ গৰাকী বিশেষভাৱে সক্ষম (Disabled Persons) ব্যক্তিলৈ (১৮ বছৰ বয়সৰ আৰু তাৰ ওপৰৰ) মাহেকীয়া পেঞ্চন আগবঢ়োৱা হৈছে। দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালসমূহৰ মূল উপাৰ্জনকাৰী ব্যক্তিজনৰ (১৮-৫৯ বয়সৰ ভিতৰৰ) মৃত্যু হোৱাৰ ক্ষেত্ৰত ১১,৮০০ টাৰো অধিক এনে ধৰণৰ পৰিয়াললৈ ২০,০০০ টকাকৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। হিতাধিকাৰীসকলৰ সকলো তথ্য ডিজিটেলাইজড কৰা হৈছে আৰু পাব্লিক ডমেইনত উপলব্ধ হৈছে।

অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান ছ'চাইটিৰ দ্বাৰা অভিযান আকাৰে দীনদয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানখন ৰূপায়ণ কৰি থকা হৈছে। ২০১৬ ৰ নৱেম্বৰলৈকে ই ৬৩ টা ঘন জনবসতিৰ খণ্ডৰ ৭৪,০০০ টাৰো অধিক আত্ম-সহায়ক গোটৰ উন্নয়ন সাধন কৰিছে। বিভিন্ন সামৰ্থ্য বৃদ্ধি আঁচনিৰ দ্বাৰা ইয়াৰ অধীনত সকলো আত্ম-সহায়ক গোটক স্ব-বহনক্ষম সমূহীয়া প্ৰতিষ্ঠানৰ ৰূপ দিবলৈ ইয়াক সাহায্য প্ৰদান কৰা হৈছে। ২০১৬ ৰ নৱেম্বৰলৈকে আত্ম-সহায়ক গোটসমূহৰ সংঘবদ্ধকৰণৰ দ্বাৰা ৪,০০০ টাৰো অধিক গ্ৰামীণ সংস্থা (Village Organization) গঠনৰ লগতে সেইবোৰৰ উন্নয়ন সাধন কৰা হৈছে। গাঁও/গাঁও পঞ্চায়তসমূহৰ গোট পৰ্যায়ত গোট পৰ্যায়ৰ সংঘ হিচাপে আত্ম-সহায়ক গোটসমূহৰ এক দ্বিতীয় পৰ্যায়ৰ সংঘ গঠনৰ লগতে উন্নয়ন সাধন কৰা হৈছে। ২০১৬ ৰ নৱেম্বৰলৈকে ই ৪৭ টা গোট পৰ্যায়ৰ সংঘ গঠন কৰি সেইবোৰ উন্নয়ন সাধন কৰিছে।

সাৰ্বজনীন বিত্তীয় অন্তৰ্ভুক্তিৰ বাবে অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান ছ'চাইটিয়ে কাম কৰি আছে। দুখীয়া লোকসকলৰ জীৱন, স্বাস্থ্য আৰু সম্পত্তিৰ হানিৰ বিষয়সমূহক সাৰ্বজনীনভাৱে সামৰি লোৱাৰ প্ৰতিও ই কাম কৰিব। ইয়াৰ গাঁও পৰ্যায়ৰ কৰ্মকৰ্তাসকলে আত্ম-সহায়ক গোটসমূহক বেংক একাউন্ট খোলা তথা বেংক একাউন্টৰ জৰিয়তে লেনদেন আৰম্ভ কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়াইছে। ই সদস্যসকলক বীমাৰ সুবিধা আগবঢ়াইছে। ২০১৬ বৰ্ষৰ নৱেম্বৰ পৰ্যন্ত ৪৫,০০০ টাৰো অধিক আত্ম-সহায়ক গোটলৈ আৱৰ্ত্ত পুঁজি প্ৰদান কৰা হৈছে আৰু ১৬,০০০ টাৰো অধিক আত্ম-সহায়ক গোটলৈ সামূহিক বিনিয়োগ পুঁজি (CIF) প্ৰদান কৰা হৈছে।

দীন দয়াল উপাধ্যায় গ্ৰামীণ কৌশল্য যোজনা (ডি ডি ইউ-জি কে ওৱাই) আঁচনিখন ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰ আৰ্হিত ৰূপায়ণ কৰি থকা হৈছে। ৩-১২ মাহৰ দক্ষতা প্ৰশিক্ষণৰ পিচত এই যুৱক-যুৱতীসকলৰ কমেও ৭০% অটোমোবাইল, আতিথ্য, স্বাস্থ্যসেৱা, তথ্য আৰু যোগাযোগ প্ৰযুক্তি, বি পি অ' আদিৰ লেখীয়া সংগঠিত খণ্ডত নিশ্চিত নিয়োগৰ সুবিধা প্ৰদান কৰা হ'ব।

প্ৰায় ১০,০০০ গৰাকী গাঁৱৰ যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে আৰু ৬,৫০০ গৰাকীৰো অধিক গাঁৱৰ যুৱক-যুৱতীক সংগঠিত খণ্ডত চাকৰিৰ সুবিধা প্ৰদান কৰা হৈছে।

চলিত বিত্তীয় বৰ্ষত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানে প্ৰায় ৫৮,০০০ গৰাকী ব্যক্তিক সামৰি বৰ্তমানলৈকে ১,১৮৫ টা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰিছে। সমগ্ৰ গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা (GPDP) প্ৰস্তুতি, এম জি এন্‌ৰেগাৰ অধীনত অনুমতিপ্ৰাপ্ত নতুন কাম-কাজ, জিঅ' এম জি এন্‌ৰেগা, চফ্‌টৱেৰছ কাৰিকৰী প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। গাঁও পঞ্চায়তসমূহৰ ২২,০০০ টা ৱাৰ্ডত গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুতিৰ সজাগতা শিবিৰ অনুষ্ঠিত কৰা হৈছে। এটা ৰাজ্যিক পঞ্চায়ত সমল কেন্দ্ৰ আৰু ১০ টা জিলা পঞ্চায়ত সমল কেন্দ্ৰ স্থাপন কৰা হৈছে।

**নগৰ উন্নয়ন ঃ**

নগৰ আৰু গাঁও পৰিকল্পনা ঃ মোৰ চৰকাৰে জি আই এছ বেছ্‌ড মেপিঙৰ দৰে আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি ৩৮ খন চহৰৰ বাবে ২৮ খন চূড়ান্ত মাষ্টাৰ প্লেন আৰু ১০ খন খচৰা মাষ্টাৰ প্লেন প্ৰকাশ কৰিছে আৰু অন্যান্য ৪৫ খন মাষ্টাৰ প্লেন প্ৰস্তুত কৰি থকা হৈছে। ডিব্ৰুগড়, শিলচৰ, নগাঁও আৰু গুৱাহাটীত 'দ্য অটল মিছন ফৰ ৰিজুভেনেশ্যন এণ্ড আৰবান ট্ৰেন্সফৰ্মেশ্যন (অম্ৰুট) ৰূপায়ণৰ প্ৰস্তাৱ কৰা হৈছে। প্ৰথম পৰ্যায়ত ডিব্ৰুগড়, শিলচৰ, নগাঁও তিনিচুকীয়া, কোকৰাঝাৰ, ধুবুৰী, যোৰহাট, তেজপুৰ আৰু গুৱাহাটীত প্ৰধান মন্ত্ৰী আৱাস যোজনা (PMAY) সকলোৰে বাবে গৃহ (নগৰীয়া) ৰূপায়ণৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

**পৌৰ প্ৰশাসন**

অনাময় ব্যৱস্থাৰ নগৰীয়া দৃশ্যপট উন্নীতকৰণৰ বাবে স্বচ্ছ ভাৰত অভিযান (নগৰীয়া)-ৰ অধীনত ২০১৭-১৮ বৰ্ষত অসমৰ সমগ্ৰ ৯৭ খন নগৰীয়া স্থানীয় নিকায়কে মুকলি স্থানত মলত্যাগমুক্ত (ODF) হিচাপে ঘোষণা কৰা হ'ব। ইয়াৰ

বাবে ৬৬,০০০ ৰো অধিক ব্যক্তিগত পৰিয়ালৰ শৌচাগাৰ আৰু ২২০০ ৰো অধিক সমূহীয়া/ৰাজহুৱা শৌচাগাৰ নিৰ্মাণ কৰা হ'ব। সমগ্ৰ ৯৭ খন নগৰীয়া স্থানীয় নিকায়তে ঘৰে ঘৰে গৈ আৱৰ্জনা সংগ্ৰহ কৰা হ'ব। স্বাস্থ্যসন্মত অনাময়ৰ অভ্যাস আৰু উৎসতে গোটা আৱৰ্জনা পৃথকীকৰণৰ বাবে সজাগতা অভিযান হাতত লোৱা হৈছে। দীনদয়াল অন্ত্যোদয়া যোজনা - ৰাষ্ট্ৰীয় চহৰীয়া জীৱিকা অভিযানক মোৰ চৰকাৰে পৰ্যাপ্তভাৱে সমৰ্থন আগবঢ়াব। এই অভিযানৰ অধীনত দক্ষতা বিকাশ শাখাৰ অধীনত নগৰাঞ্চলৰ ৫০,০০০ গৰাকী দৰিদ্ৰ যুৱক-যুৱতীক প্ৰশিক্ষণৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। আৱৰ্ত পুঁজি প্ৰদানৰ জৰিয়তে ৩,০০০ টা মহিলা আত্ম-সহায়ক গোটক মূলধন প্ৰদান কৰা হৈছে। ১৫ খন চহৰ/মহানগৰত নগৰীয়া জীৱিকা কেন্দ্ৰ স্থাপন কৰিবলৈ লোৱা হৈছে। সকলোবোৰ জিলাৰ সদৰ চহৰতে পদ-পথৰ ব্যৱসায়ীসকলৰ জৰীপ চলোৱাৰো প্ৰস্তাৱ লোৱা হৈছে।

নগৰীয়া স্থানীয় নিকায়সমূহৰ কাৰ্যালয় আন্তঃগাঁথনিৰ উন্নীতকৰণৰ বাবে আঁচনি গ্ৰহণ কৰা হ'ব। নগৰীয়া স্থানীয় নিকায়সমূহৰ অনুসূচিত জাতি অধ্যুষিত এলেকাসমূহত সংযোগী পথ নিৰ্মাণৰ বাবে অনুসূচিত জাতি উপ-পৰিকল্পনাৰ অধীনত আঁচনি গ্ৰহণ কৰা হ'ব। মৌলিক সেৱাসমূহৰ উন্নীতকৰণৰ বাবে চতুৰ্দশ বিত্ত আয়োগৰ অধীনত নগৰীয়া স্থানীয় নিকায়সমূহলৈ পুঁজি প্ৰদান কৰা হ'ব। ৰাজ্যিক বিত্ত আয়োগৰ অধীনতো এই নিকায়সমূহলৈ পুঁজি আগবঢ়োৱা হ'ব।

**নতুন চৰকাৰখনৰ কিছুসংখ্যক সফলতা এনেধৰণৰ**

২৫ খন মহানগৰত দক্ষতা বিকাশৰ সজাগতা কাৰ্যসূচী— উৎকৰ্ষ সম্পূৰ্ণ কৰা হৈছে; ২৪ আগষ্ট, ২০১৬ তাৰিখে গুৱাহাটীত ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা— উত্তৰণ অনুষ্ঠিত কৰা হৈছে ; ১৭৪৮ টা আত্মসহায়ক গোট আৰু ৫৪ টা ক্ষেত্ৰ পৰ্যায়ৰ সংঘ গঠন কৰা হৈছে, ৩৭৫ টা আত্ম-সহায়ক গোটক আৱৰ্ত পুঁজি প্ৰদানেৰে সহায় আগবঢ়োৱা হৈছে , ২৫০০ টা পুৰণা আত্ম-সহায়ক গোটক পুনৰ জীৱিত কৰি তোলা হৈছে ; দক্ষতাৰ প্ৰশিক্ষণ আৰু নিযুক্তি প্ৰদানৰ জৰিয়তে ৫৯৫৯ গৰাকী প্ৰাৰ্থীয়ে বিভিন্ন শাখাৰ প্ৰশিক্ষণ লাভ কৰিছে, দক্ষতাৰ প্ৰশিক্ষণ প্ৰদানকাৰী হিচাপে ৬ টা চৰকাৰী সংস্থা, ১৫ টা এন এছ ডি চি-স্বীকৃতি প্ৰাপ্ত প্ৰতিষ্ঠান আৰু ৪ টা স্থানীয় প্ৰতিষ্ঠানক পঞ্জীয়নভুক্ত কৰা হৈছে।

অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদে অহা বৰ্ষত মুঠ ৮১২ টা ঘৰৰ লক্ষ্যৰে (জনতা গৃহ নিৰ্মাণ আঁচনিৰ ৭৭৬ টা গৃহ আৰু ভাড়াঘৰ নিৰ্মাণ আঁচনিৰ অধীনত ৩৬ টা গৃহ) ৭৮০ লাখ টকা ব্যয়ত আঁচনি ৰূপায়ণৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

অসম নগৰীয়া পানী যোগান আৰু পয়প্ৰণালী পৰিষদৰ বাবে নগৰীয়া পানী যোগান আঁচনি ৰূপায়ণ কৰাটোৱেই হৈছে অগ্ৰাধিকাৰৰ বিষয়। ১০০ দিনীয়া কাৰ্যসূচীৰ অধীনত দুখন আঁচনি ক্ৰমে মাছৰহাট (যোৰহাট) আৰু চাবুৱা নগৰ পানী যোগান আঁচনিৰ কাম-কাজ আৰম্ভ হৈছে। এবছৰীয়া কৰ্মসূচীৰ অধীনত মাকুম, চাবুৱা, মঙ্গলদৈ আৰু পলাশবাৰী (মিৰ্জাৰ সম্প্ৰসাৰণ অংশ)ত চাৰিখন পানীযোগান আঁচনি ২০১৭ চনৰ মে' মাহৰ ভিতৰত কাৰ্যক্ষম হোৱাৰ আশা কৰা হৈছে।

**গুৱাহাটী উন্নয়ন ঃ**

মোৰ চৰকাৰ দক্ষিণ আৰু উত্তৰ গুৱাহাটী সংযোগী ৰজ্জু পথ (Ropeway)ৰ কাম সম্পূৰ্ণ কৰিবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ বাবে ২০১৬-১৭ বৰ্ষত বিত্তীয় মঞ্জুৰি প্ৰদান কৰা হৈছে। এই প্ৰকল্পৰ কাম ২০১৭ ৰ জুলাইৰ ভিতৰত সম্পূৰ্ণ কৰা লক্ষ্য লোৱা হৈছে। ৰেল ভিত্তিক দ্ৰুত জন পৰিবহন ব্যৱস্থাটোত পুনৰ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। এতিয়া প্ৰথম পৰ্যায়ৰ মুঠ ৬০ কিঃমিঃৰ ভিতৰত বিমানবন্দৰৰ পৰা নাৰেঙ্গীলৈ কৰিডৰ-১ সামৰি ল'ব পৰা যাব আৰু বাকীখিনি যথা সময়ত সামৰি লোৱা হ'ব।

গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে চি এ ডি ভিত্তিক (CAD-based) অনলাইন গৃহ নিৰ্মাণৰ অনুমতি প্ৰদানৰ ব্যৱস্থা কৰিছে যি গৃহ নিৰ্মাণৰ অনুমতি প্ৰদান কাৰ্য অধিক স্বচ্ছ আৰু দ্ৰুত কৰি তুলিছে। তদুপৰি গৃহ নিৰ্মাণৰ অনুমতি প্ৰদানৰ বাবে গুৱাহাটী পৌৰ নিগমৰ সৈতে অনলাইন ব্যৱস্থাটোৰ সম্প্ৰসাৰণ আৰু সংযুক্তকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

প্ৰথম পৰ্যায়ৰ জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণৰ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ দ্বাৰা ২০১৭ চনৰ আংশিক কাৰ্যক্ষমতাৰ জৰিয়তে পানী যোগান ধৰিব পৰা যাব। গুৱাহাটী জল বৰ্ডে জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণৰ সাহায্যৰে এটা

পয়প্ৰণালী প্ৰকল্প ৰূপায়ণ কৰিব। এই প্ৰকল্পৰ কাম ২০২২ চনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। স্মাৰ্ট চিটি প্ৰকল্প ৰূপায়ণৰ বাবে গুৱাহাটী স্মাৰ্ট চিটি উন্নয়ন অভিকৰণ লিমিটেড নামৰ এটা বিশেষ উদ্দেশ্যেধৰ্মী অভিকৰণ গঠন কৰা হৈছে। ইয়াৰ বাবে ১৮৯ কোটি টকা মুকলি কৰি দিয়া হৈছে।

গুৱাহাটীৰ কৃত্ৰিম বান প্ৰতিৰোধ কৰাৰ অৰ্থে গুৱাহাটী পৌৰ নিগম আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে অত্যাধুনিক প্ৰযুক্তি সজুলি ব্যৱহাৰ কৰিছে। গুৱাহাটী মহানগৰৰ জলাশয়সমূহ চাফা কৰাৰ বাবে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে বিভিন্ন মেচিন আৰু সা-সজুলি ক্ৰয় কৰিছে। গুৱাহাটী মহানগৰৰ বানপানী প্ৰতিৰোধ কৰাৰ অৰ্থে জু' ৰোড চান্দমাৰী, জ্যোতিনগৰ আৰু নুনমাটি এলেকাত হোৱা বানপানী নিষ্কাশনৰ বাবে "নুনমাটি বেচিনত পকী নলা নিৰ্মাণ"-ৰ কাম হাতত লোৱা হৈছে। ২০১৭ চনৰ এপ্ৰিল মাহৰ আগতে এই কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ, খানাপাৰাৰ গ্ৰীণউড ৰিৰ্জট - ৰ ছাৰ্ভিছ ৰোড (বাফাৰ জ'ন)ৰ বশিষ্ঠ নৈ লৈকে বৃহৎ নলা নৰ্দমা ব্যৱস্থা নিৰ্মাণৰ পকীকৰণৰ কাম ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ সহায়ত আৰম্ভ কৰা হৈছে। বান প্ৰতিৰোধৰ বাবে আন কেইবাখনো আঁচনি গ্ৰহণ কৰা হৈছে।

মোৰ চৰকাৰে 'গুৱাহাটী অপেন স্পেচেছ এণ্ড্ পাৰ্ক ইন্টিগ্ৰেটৰ নেটৱৰ্ক'ৰ অধীনত ছিংগাপুৰৰ পাৰ্ক ইণ্টাৰকানেক্ট্ মডেলৰ আলমত ফাটীবজাৰৰ পুৰণি কাৰাগাৰ চৌহদৰ স্থানত এখন আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ উদ্ভিদ উদ্যান নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই প্ৰাথমিক কাম-কাজ আৰম্ভ কৰাৰ বাবে ১ কোটি টকা ইতিমধ্যে মুকলি কৰি দিয়া হৈছে।

পাণবজাৰস্থিত মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালৰ চৌহদত আৰু জুৰোডস্থিত শ্ৰদ্ধাঞ্জলী কাননৰ সন্মুখত নিৰ্মাণৰত বহুখলপীয়া গাড়ী পাৰ্কিং ব্যৱস্থা দুটাৰ কাম ২০১৭ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

ভাৰত চৰকাৰৰ আদৰ্শ গৃহ উপ-বিধি (Model Building Bye- Laws)ৰ ব্যৱস্থাৱলী "গুৱাহাটী গৃহ নিৰ্মাণ উপ-বিধিত" অন্তৰ্ভুক্তিৰ বাবে মোৰ চৰকাৰে এখন সমিতি গঠন কৰি দিছে। বিভিন্ন সংস্থা আৰু ব্যক্তিৰ পৰা "গুৱাহাটী মাষ্টাৰ

প্লেন”- সম্পৰ্কে ওজৰ-আপত্তি তথা পৰামৰ্শ লাভ কৰা হৈছে। এই “মাষ্টাৰ-প্লেন”খন চূড়ান্ত পৰ্যায়ত আছে।

গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠীয় এলেকা সমূহক ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ আলমত ৰাজ্যিক ৰাজধানী অঞ্চল হিচাপে ঘোষণা কৰাৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। মোৰ চৰকাৰে অইল ইণ্ডিয়া লিমিটেড আৰু নুমলিগড় ৰিফাইনেৰী লিমিটেডৰ অৰ্থ সাহায্যত “জাবৰ-জোঁথৰৰ পৰা ইন্ধন” লৈ- নামৰ প্ৰকল্পৰ বাবে এক বুজাবুজি চুক্তিত অনুমোদন জনাইছে। এই ক্ষেত্ৰত এটা চৰ্ত হৈছে - মাটিখিনি গুৱাহাটী পৌৰ নিগমৰ অধীনত থাকিব।

**সাংস্কৃতিক পৰিক্ৰমা ঃ**

ৰাজ্যখনৰ বৈচিত্ৰ্যময় সংস্কৃতি এক সজীৱ পৰম্পৰা হিচাপে সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে তথা ইয়াক যথাযথভাৱে অক্ষুণ্ণ ৰখাৰ অৰ্থে মোৰ চৰকাৰ আগ্ৰহী। শৰৎ সিংহৰ পৱিত্ৰ স্মৃতিত ধুবুৰী জিলাৰ চাপৰত এটা সাংস্কৃতিক প্ৰকল্প আৰু পিঠাখোৱাত চন্দ্ৰ নাথ শৰ্মা সাংস্কৃতিক প্ৰকল্পৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে। ২০১৬ চনৰ ৩০ ডিচেম্বৰত জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ত উত্তৰ-পূব ভাৰতৰ প্ৰথমটো সংগীত আৰ্কাইভ্ মুকলি কৰা হৈছে। জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ চৌহদত এখন ফিল্ম চিটি নিৰ্মাণৰ কাম চলি আছে। জালুকবাৰীত নিৰ্মাণৰত ড° ভূপেন হাজৰিকা স্মাৰকৰ ভিতৰৰ কামসমূহ প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। ২০১৬ চনৰ ৩১ জুলাই তাৰিখে গোৱালপাৰাত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনৰ আৰ্হিত এটা প্ৰেক্ষাগৃহ উদ্বোধন কৰা হয়। এই প্ৰেক্ষাগৃহটো নটসূৰ্য্য ফণী শৰ্মাৰ নামত উৎসৰ্গা কৰা হয়।

লখিমপুৰ জিলাৰ নাৰায়ণপুৰত শ্ৰীশ্ৰী মাধৱ দেৱ কলাক্ষেত্ৰৰ নিৰ্মাণ কাৰ্য, গোলাঘাট, বৰপেটা, ছিপাঝাৰ(দৰং), চন্দ্ৰপুৰ(কামৰূপ মহানগৰ), নাহৰকটীয়া(ডিব্ৰুগড়), জয়সিদ্ধি(শোণিতপুৰ), হাইলাকান্দি, মানকাচাৰ, দক্ষিণ শালমাৰা, বালিপাৰা(শোণিতপুৰ), মৰাণ(ডিব্ৰুগড়), চান্দপুৰ(সোনাই কাছাৰ), বাহপেটী(লখিমপুৰ) আৰু বাৰপূজীয়া(মৰিগাঁও)ত জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ কাম চলি আছে।

**আন কেইটামান নতুনকৈ হাতত লোৱা পদক্ষেপ হ'ল**

স্বামী বিবেকানন্দ নামেৰে বৰাক উপত্যকাত এটা সাংস্কৃতিক গৱেষণা কেন্দ্ৰ, শিৱসাগৰত আজান পীৰ ক্ষেত্ৰ, বজালীত স্বৰ্গীয় অচ্যুৎ লহকৰৰ নামত এটা স্মাৰক, কুঠৰীত ড° ভূপেন হাজৰিকাৰ বাসগৃহ আৰু সৰুপথাৰত শ্বহীদ কুশল কোঁৱৰৰ বাসগৃহ সংৰক্ষণ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এটা আধুনিক আৰ্ট গেলেৰী স্থাপন, ভাৰতৰ তিনিখন মেট্ৰ'পলিটান মহানগৰত অসম মহোৎসৱ উদ্‌যাপন, সংহতিৰ বাবে ৰাজ্যক্ষেত্ৰৰ ভিতৰতে সাংস্কৃতিক সমন্বয় যাত্ৰাৰ আয়োজন আৰু গুৱাহাটীত অংকীয়া ভাওনা মহোৎসৱ আয়োজন।

ৰাজ্যখনৰ পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিচিহ্নসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ বাবে মোৰ চৰকাৰে কেইবাটাও পদক্ষেপ হাতত লৈছে। ২০১৬-২০১৭ বিত্তীয় বৰ্ষত 'পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিচিহ্ন তথা অসমৰ সত্ৰসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়ন'-ৰ কামৰ বাবে বাকী থকা ধন হিচাপে ৩৯ খন সত্ৰ আৰু ২ খন পুৰাতাত্ত্বিক স্থানলৈ বিত্তীয় সাহায্য হিচাপে ২৯০৫ লাখ টকাৰ প্ৰস্তাৱ কৰা হৈছে। অসমৰ পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিচিহ্ন সমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ বাবে ১৯১ লাখ টকা মঞ্জুৰ কৰা হৈছে। সত্ৰসমূহৰ উন্নয়নৰ বাবে সংশ্লিষ্ট জিলা উপায়ুক্তসকললৈ ২২৮ লাখ টকা প্ৰদান কৰা হৈছে।

উত্তৰ-পূবৰ ইতিহাস, সংস্কৃতি, কলা আৰু স্থাপত্যবিদ্যাৰ প্ৰদৰ্শন কৰাৰ বাবে মোৰ চৰকাৰে গুৱাহাটীস্থিত অসম ৰাজ্যিক সংগ্ৰহালয়ক ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ মানলৈ উন্নীত কৰিব। অসম ৰাজ্যিক সংগ্ৰহালয়ত বৃন্দাবনী বস্ত্ৰ প্ৰদৰ্শনৰ পদক্ষেপ হাতত লোৱা হৈছে। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰ আৰু আই চি চি আৰ অ' এম, ৰোমৰ সহযোগত অসম ৰাজ্যিক সংগ্ৰহালয়ত এখন দুসপ্তাহ জোৰা কৰ্মশালা অনুষ্ঠিত কৰা হয়। শিলচৰ জিলা পুথিভঁৰাল আৰু প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে।

**পৰ্যটন ঃ**

মোৰ চৰকাৰে পৰ্যটন খণ্ডৰ উন্নয়ন আৰু প্ৰসাৰৰ ক্ষেত্ৰত এক নতুন মাত্ৰা প্ৰদানৰ বাবে কাৰ্যব্যৱস্থা হাতত লৈছে। মোৰ চৰকাৰে ব্যক্তিগত খণ্ডকো উন্নয়নৰ

ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আৰু অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব যাতে স্থানীয় লোকসকলৰ লগতে চৰকাৰৰ বাবে অধিক ৰাজহ আহৰণ কৰিব পাৰে। ৰাজ্যত পৰ্যটকৰ আগমন কিছু বছৰৰ পৰা লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে। প্ৰচাৰমূলক কৰ্মসূচী যেনে ৰেলৰে টিকট, দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিমান সেৱাৰ আলোচনীত বিজ্ঞাপন দিয়া আৰু আহমেদাবাদ, মুম্বাই, হায়দৰাবাদ আদিত পথ প্ৰদৰ্শনী অনুষ্ঠিত কৰা হৈছে। মোৰ চৰকাৰে লণ্ডনৰ ৱৰ্ল্ড ট্ৰেভেল মাৰ্কেট, ইম্ফল ইণ্টাৰনেচনেল টুৰিজিম মাৰ্ট, ক'হিমাৰ হৰ্ণবিল উৎসৱ, নতুন দিল্লীত অতুল্য ভাৰত পৰ্যটন বিনিয়োগ শীৰ্ষ সন্মিলনত ভাগ লৈছে। ধৰ্মীয় পৰ্যটনক উদগনি দিয়াৰ বাবে পশ্চিম বংগৰ কোচবিহাৰৰ মধুপুৰত 'শ্ৰীমন্ত শংকৰদেৱ মধুপুৰ উৎসৱ' আয়োজন কৰা হয়। বৰ্ণাঢ্য কাৰ্যসূচীৰে অম্বুবাচী মেলা অনুষ্ঠিত হৈ যায়।

মোৰ চৰকাৰে অসমৰ পৰ্যটন সম্ভাৱনীয়তাক ব্যাপকভাৱে বিপণন কৰাৰ বাবে বিখ্যাত চলচ্চিত্ৰ অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰাক ব্ৰেণ্ড এম্বেচাদৰ হিচাপে নিযুক্তি দিছে। অসম পৰ্যটনৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এজন পৰামৰ্শদাতা নিযুক্তি দিয়া হৈছে। এই ক্ষেত্ৰত প্ৰচাৰ অভিযান চলোৱাৰ বাবে এক মিডিয়া পৰিকল্পনা প্ৰস্তুত কৰা হৈছে।

কামাখ্যা আৰু ওচৰ-পাজৰৰ অঞ্চলৰ আন্তঃগাঁথনি সম্পূৰ্ণৰূপে উন্নীতকৰণৰ বাবে মোৰ চৰকাৰে 'প্ৰসাদ' আঁচনিখন ৰূপায়ণ কৰিছে। ইয়াৰ বাবে ৰূপায়ণকাৰী প্ৰতিষ্ঠানক ৬৭৯ লাখ টকা মুকলি কৰি দিয়া হৈছে। 'স্বদেশ দৰ্শন' আঁচনি ৰূপায়ণৰ বাবে ৰূপায়ণকাৰী প্ৰতিষ্ঠানক ১৯১৩ লাখ টকা ইতিমধ্যে মুকলি কৰি দিয়া হৈছে । পৰ্যটকৰ প্ৰয়োজনীয়তাৰ জোৰা মাৰিবলৈ ঘৰত পৰ্যটক ৰখাৰ সুবিধাক উদগনি দিয়াৰ বাবে 'আমাৰ আলহী' আঁচনি ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। উমৰাংচুক মুখ্য পৰ্যটনৰ আকৰ্ষণ স্থলী হিচাপে গঢ়ি তোলা হ'ব। পৰ্যটন নীতিৰ খচৰা ৰাইজ আৰু অন্যান্য অংশীদাৰসকলৰ আলোচনাৰ বাবে আগবঢ়াই দিয়া হৈছে। ৰাজ্য চলচ্চিত্ৰ পৰ্যটনক উৎসাহিত কৰাৰ বাবে এটা 'এখন খিৰিকী'ৰে সমাধান ব্যৱস্থা স্থাপন কৰা হৈছে। মাজুলীক পৰ্যটনৰ মুখ্য কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে এখন মাষ্টাৰ প্লেন আৰু বিপণন কৌশল প্ৰস্তুত কৰা হৈছে।

মোৰ চৰকাৰে গ'ল্‌ফ পৰ্যটনৰ প্ৰসাৰ আৰু ডিব্ৰুগড়ত এটা চাহ সংগ্ৰহালয় স্থাপন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে; এই সংগ্ৰহালয়ে পৰ্যটক সকলক চাহ উদ্যোগৰ বিষয়ে সম্পূৰ্ণ আভাস প্ৰদান কৰিব। ৰাজ্যখনৰ চহকী জনজাতীয় সংস্কৃতি আৰু পৰ্যটন আন্তঃগাঁথনিৰ প্ৰদৰ্শনৰ বাবে হাজোত উত্তৰ-পূব ৰাজ্যিক পেভিলিয়ন স্থাপন কৰা হ'ব। পৰ্যটনস্থলীসমূহৰ সৈতে জড়িত ১৫০ গৰাকী টুৰিষ্ট গাইডক প্ৰশিক্ষিত কৰি তুলিছে। নগাঁও জিলাৰ চামগুৰিস্থিত ফুড্ ক্ৰাফট্ ইনষ্টিটিউটত ছাত্ৰ-ছাত্ৰীসকলক ফ্ৰণ্ট ডেস্ক মেনেজমেণ্ট', বেকাৰী, কনফেক্সনাৰী, হাউছ কিপিং আদি ক্ষেত্ৰত দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা থাকিব।

**পৰিবহন ঃ**

মোৰ চৰকাৰে আঞ্চলিক পৰিবহন প্ৰাধিকৰণক আধুনিকীকৰণ কৰাৰ লগতে এই খণ্ডটোত উপযুক্ত সেৱা প্ৰদানৰ অৰ্থে নগদবিহীন (Cashless) আৰু ধন পৰিশোধ তথা লেনদেনৰ ক্ষেত্ৰত ডিজিটেল ব্যৱস্থাক অগ্ৰাধিকাৰ প্ৰদান কৰিছে। জিলাৰ পৰিবহন বিষয়াৰ কাৰ্যালয়সমূহৰ প্ৰতিটো কাৰ্যালয়ৰ কাম-কাজ সুচল কৰাৰ বাবে শেহতীয়া ছ'ফ্‌টওৱেৰৰ এপ্লিকেছন প্ৰয়োগৰ ব্যৱস্থা কৰা হৈছে। ডিলাৰসকলৰ স্থান পঞ্জীয়ন আৰু আকৰ্ষণীয় নম্বৰ যোগান ধৰা ব্যৱস্থাও আৰম্ভ কৰা হৈছে। ওজৰ-আপত্তি নিষ্পত্তিকৰণ ম'বাইল এপ্ মুকলি কৰাৰ প্ৰক্ৰিয়া চলি আছে। কম্পিউটাৰৰ জৰিয়তে অনুমতিসমূহ (permits) প্ৰদান কৰা হ'ব। বহনক্ষম উন্নয়নৰ লক্ষ্যৰ এটা অংশ হিচাপে পথ সুৰক্ষাৰ ওপৰত আৱশ্যকীয় গুৰুত্ব প্ৰদান কৰা হৈছে আৰু এক পথ-সুৰক্ষা আঁচনি গ্ৰহণ কৰা হৈছে। আৰক্ষী, পৰিবহন বিষয়া-কৰ্মচাৰী, গড়কাপ্তানি বিভাগ আৰু নাগৰিকসকলৰ উমৈহতীয়া প্ৰচেষ্টাৰে দুৰ্ঘটনা হ্ৰাসকৰণৰ লক্ষ্যত উপনীত হোৱাৰ এক পথ-সুৰক্ষা প্ৰাধিকৰণ স্থাপনৰ বাবে ব্যৱস্থা কৰা হৈছে। দ্ৰুতগামী বাহনৰ পৰা জীৱ-জন্তুবোৰক সুৰক্ষা দিয়াৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষত ৰাষ্ট্ৰীয় ঘাই-পথত বিশেষ অভিযান চলোৱা হৈছে। ই-ৰিক্সাই জনপ্ৰিয়তা লাভ কৰিছে। বিভিন্ন জিলাসমূহত এইবোৰৰ বিক্ৰীৰ অনুমতি প্ৰদানৰ বাবে পদক্ষেপ কৰা হৈছে। উবেৰ আৰু ওলা (Uber and Ola) বাহনসমূহেও গ্ৰাহকসকলক এক পছন্দ প্ৰদানেৰে গুৱাহাটী মহানগৰত খোপনি ল'বলৈ সক্ষম হৈছে।

২০১৬-১৭ বৰ্ষত অসম ৰাজ্যিক পৰিবহন নিগমে ১০৩ খন চিটি বাছ ক্ৰয় কৰা আৰু শোণিতপুৰ জিলাৰ ঠেলামৰা আৰু ধেমাজি জিলাৰ জোনাইত বাছ আস্থান নিৰ্মাণৰ বাবে পুঁজি আবণ্টন দিছে। অসম ৰাজ্যিক পৰিবহন নিগমে ১ নৱেম্বৰ, ২০১৬ তাৰিখৰ পৰা মুক্তি যুঁজাৰু আৰু শাৰীৰিক ভাবে অক্ষম লোকৰ বাবে ১০০%, জ্যেষ্ঠ নাগৰিকৰ বাবে ৪০% আৰু স্বীকৃতিপ্ৰাপ্ত আৰু এক্ৰিডেটেড সাংবাদিকৰ বাবে ৮০% বাছ ভাড়া ৰেহাই দিয়াৰ লগতে ছাত্ৰীৰ বাবে ৩৫% আৰু ছাত্ৰৰ বাবে ৩০% ৰেহাইৰ ব্যৱস্থা কৰিছিল। অসম ৰাজ্যিক পৰিবহন নিগমে আওতাৰ বাহিৰত থকা আৰু গ্ৰাম্য পথত চলাচলৰ বাবে ১৭৮ খন আই.টি (IT) সামৰ্থ্যযুক্ত নতুন বাছ ক্ৰয় কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছে। উক্ত বাছসমূহত ইণ্টেলিজেণ্ট ট্ৰেন্সপ'ৰ্ট মেনেজমেণ্ট ছিষ্টেম ৰূপায়ণৰ দ্বাৰা যাত্ৰীসকলৰ সুৰক্ষা আৰু নিৰাপত্তা, ই-টিকটৰ ব্যৱস্থা আৰু আন্তঃগাঁথনিৰ উন্নীতকৰণৰ লগতে মাজুলীত আস্থানগৃহ আৰু তত্ত্বাৱধান কেন্দ্ৰ নিৰ্মাণ আৰু খানাপাৰা, গুৱাহাটীত আই,এছ,বি,টি (ISBT) নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে।

আভ্যন্তৰীণ জল পৰিবহন (IWT) অসমে আধুনিক দিশনিৰ্ণয়কাৰী সঁজুলিযুক্ত ১৫ খন নতুন আৰু উপযোগী যাত্ৰী জাহাজ আৰু ১৫ টা ভিন্ন ঘাটকেন্দ্ৰত আন ১৫ 'ষ্টীল ফ্ল'টিং টাৰ্মিনেলছ্' (Steel Floating Terminals) স্থাপন কৰাৰ বাবে আঁচনি গ্ৰহণ কৰিছে। অসমত আভ্যন্তৰীণ জল পৰিবহন খণ্ডৰ সামগ্ৰিক আন্তঃগাঁথনি আৰু প্ৰতিষ্ঠানগত উন্নয়নৰ বাবে 'আভ্যন্তৰীণ জল পৰিবহন উন্নয়ন সমিতি' স্থাপন কৰা হৈছে। পি,এছ,ইউ (PSU) হিচাপে 'অসম আভ্যন্তৰীণ জল পৰিবহন কৰ্পোৰেচন লিমিটেড' গঠন কৰা হৈছে। নিয়মীয়া ফেৰীযাত্ৰীসকলৰ যাতায়াত সুচল কৰাৰ বাবে মাজুলী জিলাৰ নিমাতি / অফলা ফেৰী কেন্দ্ৰত উপযুক্ত 'ষ্টীল ফ্ল'টিং টাৰ্মিনাছ' স্থাপন কৰা হৈছে। নিমাতি-কমলাবাৰী ফেৰী সেৱাত মৃতদেহ কঢ়িয়াবলৈ বিনামূলীয়াকৈ "বৈতৰণী-সখী" ফেৰীৰ লগতে ৰোগাক্ৰান্ত লোকৰ যাতায়াতৰ বাবে বগীবিল-কাৰেংবালিৰ মাজত এক বিশেষ ফেৰী সেৱাৰ ব্যৱস্থা কৰা হৈছে।

**আবকাৰী ঃ**

মোৰ চৰকাৰে আবকাৰী খণ্ডৰ কাম-কাজ উন্নত কৰা আৰু সৰ্বোচ্চ পৰিমাণৰ ৰাজহ সংগ্ৰহৰ বাবে নানা ধৰণৰ উদ্যোগ গ্ৰহণ কৰিছে। ১ ছেপ্টেম্বৰ, ২০১৬ ৰ পৰা নতুন আবকাৰী বিধি, ২০১৬ বলৱৎ কৰা হৈছে। নতুন বিধিখন পাইকাৰী পৰ্যায়ত আবকাৰী শুল্ক সংগ্ৰহ কৰা অধিক আবকাৰী শুল্ক সংগ্ৰহ আৰু আৱকাৰী কাৰ্য প্ৰণালী সৰলীকৰণত সহায়ক হ'ব। "আচাম ষ্টেট পাব্লিক ফাইনেন্স ইন্‌ষ্টিটিউচ'নেল ৰিফ'ৰ্মচ (ASPIRe) ৰ অধীনত আবকাৰী বিভাগত ডিজিটেল পদ্ধতি প্ৰয়োগৰ ব্যৱস্থা কৰা হৈছে আৰু সকলো প্ৰকাৰৰ ধন আদায়, মাচুল, অনুমতি, অনুজ্ঞাপত্ৰ অনলাইনযোগে আৰু সম্পূৰ্ণ ডিজিটেল পদ্ধতিৰে কৰা হ'ব।

মোৰ চৰকাৰে ভুৱা ৰাগিয়াল পানীয় সামগ্ৰীৰ প্ৰচলন বন্ধ কৰা আৰু আবকাৰী ৰাজহ ফাঁকি দিয়া কাৰ্য বন্ধ কৰাৰ বাবে সকলো প্ৰকাৰৰ ৰাগিয়াল পানীয় সামগ্ৰীত সুৰক্ষা হ'লোগ্ৰাম (Security holograms)ৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। পৰম্পৰাগত সুৰাজাতীয় পানীয়ক 'হেৰিটেজ লিকাৰ (Heritage Liquors)" হিচাপে মানবিশিষ্ট কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে। ইয়াৰ দ্বাৰা এনে ধৰণৰ পৰম্পৰাগত পানীয়ৰ সৈতে জড়িত গ্ৰাম্য জনগোষ্ঠীয় লোকসকল উপকৃত হোৱাৰ লগতে পৰ্যটন উদ্যোগৰো উন্নতি সাধন হ'ব আৰু নিয়োগ তথা জীৱিকা সৃষ্টিৰ ক্ষেত্ৰতো সহায়ক হ'ব।

মোৰ চৰকাৰে দেশীয় সুৰাৰ মহলসমূহ আবণ্টন দিয়া প্ৰক্ৰিয়াৰ পৰ্যালোচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অবৈধ সুৰাক প্ৰতিৰোধ কৰাৰ অৰ্থে বিদেশী সুৰাৰ আৰ্হিত দেশীয় সুৰাৰ প্ৰস্তুতি আৰু বিক্ৰীক আধুনিকীকৰণ কৰিবলৈ এক নতুন দেশীয় সুৰা নীতি প্ৰৱৰ্তন কৰিবলৈ বিচৰা হৈছে। কিছুসংখ্যক অপৰাধক জামিন-বিহীন কৰা আৰু স্বভাৱগত অপৰাধৰ নিবাৰক হিচাপে কঠোৰ শাস্তি বিধান নিৰ্দ্ধাৰণ কৰাৰ বাবে গুণা-গঁথা কৰি থকা হৈছে।

ৰাজহ ফাঁকি দিয়া আৰু দুৰ্নীতিগ্ৰস্ত বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। শেহতীয়া সময়ছোৱাত প্ৰায় ২৬,০০০ টাতকৈও অধিক ঘটনাত প্ৰায় ৩.৮ কোটি টকাৰ শুল্ক আদায় নিদিয়া সুৰা জব্দ কৰা হৈছে। এইবোৰে ৰাজ্যখনত

শুল্ক আদায় নিদিয়া সুৰাৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলাইছে। আগন্তুক মাহবোৰত ৰাজহ সংগ্ৰহৰ পৰিমাণ নিশ্চিতভাৱে বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

**খনি আৰু খনিজ ঃ**

মোৰ চৰকাৰে অসমৰ খনিজাত সম্পদৰ বিকাশৰ বাবে পদক্ষেপ হাতত লৈছে। কাৰ্বি আংলং জিলাত থকা কয়লাৰ মজুত ভাণ্ডাৰ, ডিমা হাচাও জিলাৰ চূণশিলৰ ভাণ্ডাৰ, গোলাঘাট আৰু কাৰ্বি আংলং জিলাৰ গৰমপানীৰ উৎস, গোলাঘাট জিলাৰ লোৰ আকৰৰ ভাণ্ডাৰ, লখিমপুৰ জিলাৰ সোৱণশিৰি নৈ আৰু উপনৈসমূহত থকা সোণৰ চেকুৰা ইত্যাদিৰ বিতং অন্বেষণ তথা উদ্‌ঘাটনৰ বাবে কাম-কাজ আৰম্ভ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। সেইদৰে এই বিভাগে হাতত লোৱা আন কেতবোৰ কাম-কাজ হ'ল — ভূমিজলৰ ব্যৱহাৰ সম্পৰ্কীয় সচেতনতাকে ধৰি ভূমিজল সম্পৰ্কীয় বিভিন্ন কাৰ্যসূচী, কামৰূপ, নগাঁও আৰু কাৰ্বি-আংলং জিলাত পানীৰ গুণাগুণ পৰীক্ষা তথা খনি আৰু খনিজাত সঞ্চালকালয়ৰ পুথিভঁড়ালত থকা ক্ষেত্ৰীয় অনুসন্ধান প্ৰতিবেদনসমূহ হাৰ্ড ক'পিৰ পৰা চ'ফ্ট ক'পিলৈ ৰূপান্তৰ কৰাৰ বাবে হাতত লোৱা এক বিশেষ প্ৰকল্প।

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ঃ**

মোৰ চৰকাৰে ভূমি প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ওপৰত যথেষ্ট মনোযোগ প্ৰদান কৰিছে। ধেমাজি, যোৰহাট, ডিব্ৰুগড়, কামৰূপ, কামৰূপ (মহানগৰ), নলবাৰী, বৰপেটা আৰু গোৱালপাৰাৰ ১৯৯ খনকৈ নন কেডেষ্ট্ৰেল (Non-Cadastral) গাঁও বিতং ক্ষেত্ৰীয় জৰীপৰ বাবে হাতত লোৱা হৈছে। গোৱালপাৰা, ধুবুৰী, কাছাৰ, কোকৰাঝাৰ, কৰিমগঞ্জ, হাইলাকান্দি, বঙাইগাঁও আৰু চিৰাং জিলাত গাঁওবুঢ়া ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে মোৰ চৰকাৰে অধিসূচনা জাৰি কৰিছে। ইয়াৰ মকৰল প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা এককালীন মঞ্জুৰীৰ পৰিমাণ বৃদ্ধি কৰা হৈছে। যেনে— সন্ত্ৰাসবাদী / উগ্ৰপন্থী / দুষ্কৃতিকাৰীৰ হাতত মৃত্যু হোৱা লোক নাইবা সাম্প্ৰদায়িক সংঘৰ্ষ বা গোষ্ঠীগত সংঘৰ্ষত মৃত্যু হোৱা লোক নাইবা নিৰাপত্তা বাহিনীৰ গুলীচালনাত মৃত্যু হোৱা লোকৰ নিকটাত্মীয়লৈ, ৰাজহুৱা স্থানত বা যাত্ৰীবাহী বাহনৰ দুৰ্ঘটনাত মৃত্যু হোৱা

লোকৰ নিকটাত্মীয়লৈ, সন্ত্ৰাসবাদী / উগ্ৰপন্থী / দুষ্কৃতিকাৰীৰ হাতত নাইবা সাম্প্ৰদায়িক / গোষ্ঠী সংঘৰ্ষ নাইবা নিৰাপত্তা বাহিনীৰ গুলী চালনাত সামান্য অথবা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা লোকলৈ অথবা এনে ঘটনাত স্থায়ীভাৱে বিকলাঙ্গ হোৱা লোকলৈ আগবঢ়োৱা সাহায্যৰ পৰিমাণ বৃদ্ধি কৰা হৈছে।

চলিত বিত্তীয় বৰ্ষত এচ.ডি.আৰ এফৰ (SDRF)ৰ অধীনত বাজেটত ধাৰ্য্য কৰা মুঠ ধনৰ পৰিমাণ হৈছে ৭৬১ কোটি টকা। জি আৰ, আৰ জি, এককালীন অনুদান, ভগ্ন আন্তঃগাঁথনিৰ মেৰামতি আৰু পুনৰনিৰ্মাণ, এ এচ ডি এম এ (ASDMA)ৰ মেচিন আৰু সঁজুলি আৰু দক্ষতা বিকাশৰ বাবে পুঁজি মঞ্জুৰ কৰা হৈছে।

তথ্য জমা ৰখা আৰু প্ৰয়োজন সাপেক্ষে জনোৱা ব্যৱস্থাটো উন্নত কৰি তোলাৰ বাবে অন লাইন ব্যৱস্থাপনা তথ্য পদ্ধতি (Online Management Information System) প্ৰৱৰ্তন কৰা হৈছে আৰু শেহতীয়া ন-ন তথ্য নিয়মিতভাৱে আপল'ড কৰি থকা হৈছে। গাঁৱৰ মানচিত্ৰসমূহ ডিজিটাইজ কৰা, ভূ নক্সা ছফট'ৱেৰৰ জৰিয়তে ৰেকৰ্ডচ অফ ৰাইটচসহ মানচিত্ৰসমূহৰ সংলগ্নকৰণ তথা ধৰিত্ৰী আৰু ই-পঞ্জীয়ন ব্যৱস্থাৰ উন্নীতকৰণৰ বাবে প্ৰকল্প হাতত লোৱা হৈছে। ভূমি জৰীপৰ আধুনিকীকৰণৰ বাবে ই.টি.এচ. (ETS) আৰু ডি জি পি এচ (DGPS) ৰ লেখীয়া আধুনিক জৰীপৰ সা-সঁজুলি সমূহ ক্ৰয় কৰা হৈছে। ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ভূমি নথি আধুনিকীকৰণ কাৰ্যসূচীৰ ফলপ্ৰসু ৰূপায়ণৰ বাবে অসম ভূমি ব্যৱস্থাপনা আৰু তথ্য সমিতি গঠন কৰা হৈছে। ৫ খন জিলাত ই-ষ্টেম্পিং ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু ২০১৭ চনৰ মে' মাহৰ ভিতৰত বাকীকেইখন জিলাকো সামৰি লোৱাৰ কাম চলি আছে।

**সমাজ কল্যাণ ঃ**

মহিলা, শিশু, বিশেষভাৱে সক্ষম লোক, জ্যেষ্ঠ নাগৰিক আৰু অলৰ-অচৰ ব্যক্তি সকলৰ সৰ্বাঙ্গীণ বিকাশৰ প্ৰতি মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ, কাৰণ এই সকল লোকৰ বাবে বিশেষ যত্নৰ প্ৰয়োজন। এইসকল লোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে কেইবাখনো আঁচনি ৰূপায়ণৰ কাম হাতত লোৱা হৈছে।

**শিশু কল্যাণ**

শিশুৰ কল্যাণৰ অৰ্থে মোৰ চৰকাৰে কেইবাখনো আঁচনি ৰূপায়ণ কৰি আছে। আঁচনিকেইখন হ'ল— সংহত শিশু বিকাশ সেৱা, প্ৰাক বিদ্যালয়ৰ শিশুসকলৰ বাবে আনন্দদায়ক শিক্ষা, কিশোৰ ন্যায় আইনকে ধৰি সংহত শিশু সুৰক্ষা আঁচনি, শিশুৰ অধিকাৰৰ সুৰক্ষা, বাল ভৱন, বেটী বচাও বেটী পঢ়াও ইত্যাদি। সংশ্লিষ্ট উপায়ুক্তসকলৰ পৌৰোহিত্যত অংগনৱাড়ী কেন্দ্ৰসমূহৰ নিৰ্মাণ কাৰ্য নিৰ্বাচিত জিলাসমূহলৈ বিকেন্দ্ৰীকৃত কৰা হৈছে। তদুপৰি, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহযোগত প্ৰত্যেকটো অংগনৱাড়ী কেন্দ্ৰৰ বিপৰীতে ৭ লাখ টকাৰ ব্যয়ত ১,০০০ টা অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ভাৰত চৰকাৰৰ নীতি অনুসৰি ৭ লাখ টকাৰ ভিতৰৰ ২ লাখ টকা আই.চি.ডি.এছ.-ৰ আৰু ৫ লাখ টকা এম জি এনৰেগাৰ। কামৰূপ (মহানগৰ) জিলাৰ সোণাপুৰ উন্নয়ন খণ্ডত প্ৰথম আৰম্ভ কৰাৰ পিচত "বেটী বচাও বেটী পঢ়াও" নামৰ আঁচনিখন ভাৰত চৰকাৰৰ সন্মতিসাপেক্ষে প্ৰথম পৰ্যায়ত ১০ খন অতিৰিক্ত জিলালৈ সম্প্ৰসাৰণ কৰিবলৈ মোৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

**মহিলা কল্যাণ**

মহিলা সবলীকৰণৰ বাবে মোৰ চৰকাৰে কেইবাখনো আঁচনি ৰূপায়ণ কৰি আছে। এই আঁচনি কেইখন হ'ল— ৮ খন জিলাত সবলা (SABLA), গাৰ্হস্থ্য হিংসাৰ পৰা মহিলা সুৰক্ষা, গোৱালপাৰা আৰু অবিভক্ত কামৰূপ জিলাত আই.জি.এম.এচ.ওৱাই. (IGMSY), বৃত্তিগত প্ৰশিক্ষণ তথা পুনৰ সংস্থাপন কেন্দ্ৰ (VTRC), 'ওৱান ষ্টপ চেন্টাৰ' (One Stop Centre) ইত্যাদি। মহিলা সবলীকৰণৰ বাবে থকা ৰাষ্ট্ৰীয় মিছনৰ পৃষ্ঠপোষকতাত মহিলা উন্নয়ন পৰিষদৰ অধীনত মহিলা সকলৰ বাবে থকা ৰাজ্যিক সমল কেন্দ্ৰটো সক্ৰিয় কৰি তোলা হৈছে। বিপদত পৰা মহিলাসকলক উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত গুৱাহাটীত ওৱান ষ্টপ চেন্টাৰ (One Stop Centre) এটা স্থাপন কৰা হৈছে।

**বিশেষভাৱে সক্ষম লোকসকলৰ কল্যাণ**

বিশেষভাৱে সক্ষম লোকসকলৰ কল্যাণ সাধন হৈছে মোৰ চৰকাৰৰ বাবে এক প্ৰধান প্ৰত্যাহ্বানৰ বিষয়। বিশেষভাৱে সক্ষম লোকসকললৈ তথা এনেধৰণৰ সন্তান থকা পৰিয়ালসমূহলৈ নিবনুৱা ভাট্টা আগবঢ়োৱা হৈছে। লগতে জলপানি আৰু পুনৰসংস্থাপন মঞ্জুৰিও আগবঢ়োৱা হৈছে আৰু বিশেষভাৱে সক্ষম লোকসকলৰ বাবে বিশেষ বিদ্যালয় স্থাপন কৰা হৈছে। শ্ৰৱণ শক্তি নথকা লোকসকলৰ বাবে উত্তৰ লখিমপুৰত বিদ্যালয় স্থাপন আৰু মানসিকভাৱে বাধাগ্ৰস্ত লোকসকলৰ বাবে বকোত গৃহ নিৰ্মাণ কৰা হৈছে। এই বিশেষ বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকললৈ বিনামূলীয়া কম্পিউটাৰ/ লেপটপ প্ৰদান কৰা হৈছে।

**বৃদ্ধ আৰু অলৰ অচৰ লোকৰ কল্যাণ**

জ্যেষ্ঠ নাগৰিকসকলৰ কল্যাণৰ বাবে বৃদ্ধ লোকৰ বাবে থকা স্বাস্থ্য সেৱা আঁচনি ৰূপায়ণ, বৃদ্ধাশ্ৰম স্থাপন আৰু অভিভাৱক তথা জ্যেষ্ঠ নাগৰিকৰ পৰিচৰ্যা আৰু কল্যাণ আইন, ২০০৭ আদিৰ বলৱৎকৰণ কৰিবলৈ লোৱা হৈছে। বকোৰ বামুণীগাঁৱত এটা বৃদ্ধাশ্ৰম স্থাপন কৰা হৈছে আৰু আন এটা বৃদ্ধাশ্ৰম কামৰূপ (মহানগৰ) জিলাৰ সোণাপুৰত নিৰ্মাণ কৰি থকা হৈছে। জ্যেষ্ঠ নাগৰিক সকলৰ ৰাজ্যিক সমিতি আৰু জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ গঠন কৰা হৈছে। জ্যেষ্ঠ নাগৰিকসকলৰ পৰিচৰ্যা আইনৰ বাবে থকা ৰাজ্যিক বিধিসমূহ যুগুত কৰি উলিওৱা হৈছে।

**গৃহহীন লোকসকলৰ কল্যাণ**

গৃহহীন লোকসকলৰ কল্যাণ সাধনৰ দায়িত্ব ‘গৃহহীনৰ বাবে আশ্ৰয় গৃহ’ (Shelter home for shelterless persons)- নামৰ সামাজিক সংস্থা এটাৰ ওপৰত ন্যস্ত কৰা হৈছে। আঁচনিগত বিত্তীয় সাহায্য প্ৰদানৰ জৰিয়তে সমগ্ৰ ৰাজ্যখনতে অঙ্গনৱাড়ী কৰ্মী আৰু ছুপাৰভাইজাৰসকললৈ প্ৰতিষ্ঠিত বে-চৰকাৰী সংস্থাৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ৰাজ্যিক আৰু জিলা পৰ্যায়ত প্ৰশিক্ষকৰ

প্ৰশিক্ষণ প্ৰদানৰ বাবে এক প্ৰাতিষ্ঠানিক ব্যৱস্থা গঢ়ি তুলিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে। স্বচ্ছ ভাৰত অভিযান নামৰ আঁচনিখন সকলোবোৰ অঙ্গনৱাড়ী কেন্দ্ৰতে ৰূপায়ণ কৰা হ'ব যাতে এই কেন্দ্ৰসমূহ স্বচ্ছতাৰ আদৰ্শ কেন্দ্ৰ হিচাপে পৰিগণিত হয়।

**কেতবোৰ নতুন পদক্ষেপ**

সমাজ কল্যাণ বিভাগে যিকোনো সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত মোৰ চৰকাৰে ই-ক্ৰয় ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। আমাৰ চৰকাৰী মহাবিদ্যালয়সমূহৰ চিকিৎসা বিজ্ঞান অথবা অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ লেখীয়া বৃত্তিগত পাঠ্যক্ৰমসমূহত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰাটো উৎসাহিত কৰা তথা সহায় আগবঢ়োৱাৰ অৰ্থে মোৰ চৰকাৰে এনেধৰণৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ প্ৰতিমাহে ৩ হাজাৰ টকাৰ জলপানি আগবঢ়াবলৈ লৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ তথ্যৰ আধাৰ সংকলন কৰা হৈছে আৰু পুঁজি মঞ্জুৰ কৰা হৈছে। মহিলাৰ বাবে হেল্প লাইন স্থাপন আৰু চিকিৎসাৰ বাবে জ্যেষ্ঠ নাগৰিকসকললৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

**ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ ঃ**

ৰাজ্যখনৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু আন্যান্য পিচপৰা সম্প্ৰদায়সমূহৰ উন্নয়নৰ বাবে মোৰ চৰকাৰে বিভিন্ন কল্যাণমূলক আঁচনি/ প্ৰকল্প ৰূপায়ণ কৰি আছে। এই লোকসকলৰ আত্মনিয়োজন, গুণগত শিক্ষা, স্বাস্থ্য সেৱা, আন্তঃগাঁথনিৰ উন্নয়ন আৰু আৰ্থ-সামাজিক সবলীকৰণৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে।

২০১৬-১৭ বিত্তীয় বৰ্ষত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ প্ৰাক্ প্ৰৱেশিকা জলপানি, প্ৰৱেশিকোত্তৰ জলপানি তথা অনুসূচিত জাতি / অনুসূচিত জনজাতি / অন্যান্য পিছপৰা সম্প্ৰদায়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ হোষ্টেল নিৰ্মাণৰ বাবে পুঁজি আবণ্টন দিয়া হৈছে। এইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাক্ প্ৰৱেশিকা জলপানিৰ বৃদ্ধিৰ হাৰ প্ৰতিমাহে ২৫ টকাৰ পৰা ১০০ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ লোৱা হৈছে। পিচপৰা সম্প্ৰদায় তথা অনুসূচিত জাতি, অনুসূচিত জনজাতিৰ নিবনুৱা যুৱক-যুৱতীসকললৈ

তেওঁলোকৰ স্বনিয়োজনৰ বাবে দক্ষতা বিকাশৰ বিভিন্ন প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। বিভিন্ন থলুৱা সম্প্ৰদায়ৰ সুনিৰ্দিষ্ট উন্নয়নৰ বাবে ৬ খন স্বায়ত্ত শাসিত পৰিষদ (মিচিং, ৰাভা হাচং, তিৱা, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী আৰু দেউৰী স্বায়ত্ত শাসিত পৰিষদ)ৰ পৃষ্ঠপোষকতাত ২০১৬-১৭ বৰ্ষত ৩৩২.৩৮ কোটি টকা আবণ্টন দিয়া হৈছে। ২০১৬-১৭ বৰ্ষত উন্নয়ন পৰিষদসমূহলৈ ৮.২৫ কোটি টকা আবণ্টন দিয়া হৈছে। গৱেষণা আৰু প্ৰশিক্ষণৰ বাবে ২০১৬-১৭ বৰ্ষত তলৰ আঁচনিকেইখনৰ ৰূপায়ণৰ কাম চলি আছে। কৰ্মশালা তথা প্ৰশিক্ষণ কাৰ্যসূচী, গৱেষণামূলক অধ্যয়ন, পাণ্ডুলিপি প্ৰকাশ আৰু ৰঙীণ প্ৰচাৰ-পত্ৰ আৰু পুস্তিকা প্ৰকাশ। মোৰ চৰকাৰে জনজাতি উপ-পৰিকল্পনাৰ অধীনত জনজাতি এলেকাসমূহৰ উন্নয়নৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে আৰু অনুসূচিত জাতি উপ পৰিকল্পনাৰ জৰিয়তে অনুসূচিত জাতিৰ লোকসকলক সা-সুবিধা প্ৰদান কৰিছে।

**১০০ দিনীয়া কৰ্মসূচী**

দুটা আম্বেদকাৰ ভৱনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে। অনুসূচিত জাতি/ জনজাতি / অন্যান্য পিচপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সকলোবোৰ জলপানি প্ৰদানত পোনপটীয়াকৈ বেংক হস্তান্তৰ পদ্ধতি প্ৰৱৰ্তন কৰা হৈছে। আৰম্ভণিৰে পৰা অনুসূচিত জাতি / জনজাতি / অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে চৰকাৰী চাকৰিত সংৰক্ষণ সম্বন্ধীয় সকলো যাৱতীয় নথি-পত্ৰ নথিভুক্ত কৰা হৈছে আৰু ইয়াক এখন হাতপুথিৰ ৰূপত প্ৰকাশ কৰা হৈছে।

**এবছৰীয়া কৰ্মসূচী**

৯০,০০০ ছাত্ৰ-ছাত্ৰীক পঞ্জীয়নেৰে অনুসূচিত জাতিৰ জলপানিক পোনপটীয়া বেংক হস্তান্তৰৰ পৰা ৰাষ্ট্ৰীয় জলপানি প'ৰ্টেললৈ ৰূপান্তৰকৰণ। অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে ছয়টা ছাত্ৰী নিবাস / ছাত্ৰাবাস, নগাঁৱৰ কামপুৰ কলেজত অনুসূচিত জাতিৰ বাবে ছাত্ৰাবাস, মৰিগাঁও কলেজত অনুসূচিত জাতি ছাত্ৰীনিবাস আৰু হাজোত আম্বেদকাৰ ভৱনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণকৰণ। আৰ্থিক উন্নীতকৰণৰ উদ্দেশ্যে অনুসূচিত জাতিৰ ব্যক্তিগত/ আত্মসহায়ক গোট (পুৰুষ আৰু মহিলা)ৰ বাবে আত্ম-সহায়ক আঁচনি। ১০০০ গৰাকী অনুসূচিত জনজাতিৰ প্ৰশিক্ষাৰ্থীৰ বাবে দক্ষতা বিকাশ / বৃত্তিমূলক প্ৰশিক্ষণ।

**চাহ জনজাতিৰ কল্যাণ ঃ**

চাহ জনজাতিৰ লোকসকলৰ আৰ্থ সামাজিক উন্নয়ন, তেওঁলোকৰ সাক্ষৰতা আৰু শিক্ষাৰ স্তৰ উন্নীতকৰণ তথা তেওঁলোকৰ বাবে কল্যাণমূলক আঁচনি ৰূপায়ণৰ অৰ্থে মোৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। চাহ সম্প্ৰদায়ৰ যুৱক-যুৱতীসকলৰ স্ব-নিয়োজন আৰু নিয়োগৰ সা-সুবিধাৰ বাবে ই এক অন্যতম প্ৰধান নিয়োগ সৃষ্টি আঁচনি, যাক ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব পদ্ধতিৰ অধীনত ৰাজ্যজুৰি চাহ আধ্যুষিত এলেকাসমূহত কাম-কাজ চলাই থকা ৫১ টা দক্ষতা বিকাশৰ প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে ৰূপায়ণ কৰা হৈছে। ৬০০০ গৰাকী যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰা তথা নিয়োগ আৰু স্ব-নিয়োজনৰ সা-সুবিধা সুনিশ্চিত কৰাৰ বাবে কাম হাতত লোৱা হৈছে। স্বনিয়োজনৰ বাবে এশ শতাংশই মহিলা হিতাধিকাৰীমুখী পাঠ্যক্ৰমসমূহ আৰু এ এন এম, জি এন এম, বি এছ চি নাৰ্চিং আৰু অন্যান্য পেৰামেডিকেল পাঠ্যক্ৰমসমূহ, কম্পিউটাৰ এপ্লিকেচন, কম্পিউটাৰ একাউণ্টেন্সি, হাউচকিপিং, খাদ্য আৰু পানীয় ইত্যাদিৰ লেখীয়া পাঠ্যক্ৰমসমূহত চাহ সম্প্ৰদায়ৰ মহিলাসকললৈ প্ৰশিক্ষণৰ সা-সুবিধা আগবঢ়োৱা হৈছে। চাহ বাগিচা এলেকাৰ দাৰিদ্ৰ সীমাৰেখাৰ তলৰ / দাৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ তথা আন যোগ্য চাহ জনজাতিৰ পৰিয়াললৈ নিৰাপদ আৰু স্বাস্থ্যসন্মত খোৱা পানী আৰু স্বাস্থ্যসন্মত শৌচালয় আগবঢ়োৱাৰ অৰ্থে ইউনিচেফে (UNICEF) আগবঢ়োৱা কাৰিকৰী সাহায্যৰে এখন সম্পূৰ্ণ অনাময় আঁচনি হাতত লোৱা হৈছে। ইয়াত অসম চাহ নিগমে চলোৱা অসমৰ ১৫খন চাহ বাগিচাকো সামৰি লোৱা হৈছে।

**আঁচনিগত প্ৰধান সফলতাসমূহ**

ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰ আৰ্হিত ৫১ খন দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰ কাৰ্যকৰীকৰণ, ৪,৮০০ গৰাকী যুৱক-যুৱতীক নিয়োগ নিশ্চিতি প্ৰশিক্ষণ, এন চি ভি টি পৰীক্ষাত উত্তীৰ্ণ ১,৪২৫ গৰাকী যুৱক-যুৱতী, ৩০ গৰাকী যুৱক-যুৱতী (কম্পিউটাৰ একাউণ্টেণ্ট পাঠ্যক্ৰম গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী) আৰু এ এন এম, জি এন এম আৰু অন্যান্য অৰ্দ্ধ-চিকিৎসা পাঠ্যক্ৰমত প্ৰশিক্ষণপ্ৰাপ্ত ১৮৫ গৰাকী যুৱক-যুৱতীকো নিযুক্তি প্ৰদান কৰা হৈছে; চাহ শ্ৰমিকৰ আৱাসসমূহত

৩,৮২,০০০ টা বৈদ্যুতিক মিটাৰ সংস্থাপন; কৃষি ভিত্তিক কৃষকসকললৈ পাৱাৰ টিলাৰ আৰু পাম্প চেট বিতৰণ; ছাত্ৰ-ছাত্ৰীসকললৈ চাইকেল আৰু সৌৰ চাকি বিতৰণ; বিদেশত অধ্যয়নৰ লগতে উচ্চ শিক্ষাৰ বাবে বিত্তীয় সাহায্য; আত্ম নিয়োজনৰ বাবে শিক্ষিত নিবনুৱা যুৱক-যুৱতীলৈ বিত্তীয় ৰাজ-সাহায্য; অসমৰ ১৮৭ খন চাহ বাগিচাক সামৰি ২৮,০০০ টা দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ/তলৰ পৰিয়াললৈ কম খৰচী অনাময়ৰ সা-সুবিধা; ৮৭খন চাহ বাগিচাৰ শ্ৰমিকলৈ পানীযোগানৰ উৎসৰ ব্যৱস্থা; চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ ছাত্ৰ-ছাত্ৰীলৈ ছাত্ৰাৱাস/ ছাত্ৰীনিৱাসৰ সা-সুবিধাৰ ব্যৱস্থা; আত্ম নিয়োজনৰ বাবে চাহ-বাগিচাৰ যুৱক-যুৱতীলৈ বৃত্তিমূলক সা-সঁজুলিৰ টোপোলা বিতৰণ; ঘৰতে থকা মহিলাসকললৈ উপাৰ্জন সৃষ্টিকাৰী সা-সুবিধা প্ৰদানৰ বাবে হস্ততাঁত আৰু হস্তশিল্প উৎপাদন কেন্দ্ৰ নিৰ্মাণ; ভিতৰুৱা অঞ্চলসমূহত বসবাস কৰা চাহ সম্প্ৰদায়ৰ লোকসকলৰ মাজত অধ্যয়নৰ অভ্যাস গঢ়ি তোলাৰ বাবে চাহ বাগিচা এলেকাত পুথিভঁড়ালৰ সুবিধা; 'ক্ৰীড়া আৰু যুৱ কাৰ্যকলাপৰ প্ৰসাৰ' আঁচনিৰ অধীনত মুখ্যমন্ত্ৰীৰ কাপ আন্তঃ চাহ বাগিচা ফুটবল প্ৰতিযোগিতা আৰু 'সাংস্কৃতিক সংস্থাসমূহলৈ অনুদান' আঁচনিৰ অধীনত সাংস্কৃতিক কৰ্মশালাৰ আয়োজন।

**পাৰ্বত্য অঞ্চল ঃ**

উন্নত শিক্ষা, স্বাস্থ্য সেৱা, দক্ষতা বিকাশ, নিয়োগৰ সা-সুবিধা প্ৰদানৰ লগতে যান্ত্ৰিকীকৰণ আৰু প্ৰযুক্তি, উন্নত বীজ, সাৰ আদিৰ ব্যৱহাৰেৰে কৃষিৰ উৎপাদন বৃদ্ধিৰ জৰিয়তে ৰাজ্যখনৰ পাৰ্বত্যাঞ্চলৰ সৰ্বাংগীন আৰ্থ-সামাজিক বিকাশ আৰু দীৰ্ঘম্যাদী উন্নয়ন সাধনৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তদুপৰি পৰ্যটন, পথ সংযোগ আৰু যোগাযোগ আদি আঁচনিসমূহত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে।

কাৰ্বি আংলং জিলাৰ ডিফুত অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানৰ ভৱন নিৰ্মাণৰ কাম চলি আছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰী প্ৰৱেশপথত পৰ্যটক নিবাসৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। ৪ টা জলসিঞ্চন প্ৰকল্পৰ কামো সম্পূৰ্ণ হৈছে। ২০১৬ বৰ্ষত অপৰিশোধেয় কেন্দ্ৰীয় শিতানৰ পুঁজিৰ অধীনত (NLCPR) ৫ খনকৈ পকী দলং, গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ (RIDF)

অধীনত ২ খন পকী দলং আৰু প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা (PMGSY)ৰ অধীনত ৪ খন পকী দলঙৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে। তদুপৰি অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমৰ অধীনত মাঞ্জাত পেকেজড্ খোৱা পানী প্ৰকল্প আৰু মছলা পেকেজিং উদ্যোগৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে।

পশ্চিম কাৰ্বি আংলং জিলা গঠনৰ লগে লগে জিলা সদৰ হামৰেণত থকা ৫০ খন বিচনাযুক্ত মহকুমা অসামৰিক চিকিৎসালয়ক ২০০ খন বিচনাৰ ব্যৱস্থাসহ ১০০ বিচনাযুক্ত জিলা চিকিৎসালয়লৈ উন্নীত কৰা হৈছে।

ডিমা হাচাও জিলাৰ হাফলঙত থকা ১০০ বিচনাযুক্ত অসামৰিক চিকিৎসালয়ক কৰ্মচাৰীৰ আৱাসগৃহ নিৰ্মাণসহ ২০০ বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। তদুপৰি, যুৱক-যুৱতীসকলক তেওঁলোকৰ শিক্ষা প্ৰকল্প প্ৰতিষ্ঠা কৰা সহায় কৰিবলৈ যুৱক-যুৱতীসকলৰ দক্ষতাৰ বিকাশৰ বাবে আৰু প্ৰধানতঃ পৰ্যটন, উদ্যোগ, বন, কৃষি আৰু উদ্যানশস্য, হস্ততাঁত আৰু বস্ত্ৰ, ৰেচম, পশুপালন আৰু পশুচিকিৎসা, মীন, সমাজ কল্যাণ খণ্ডত নিয়োগমুখী সা-সুবিধা সৃষ্টিৰ বাবে উত্তৰ-কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

**সংখ্যালঘুৰ কল্যাণ আৰু উন্নয়ন ঃ**

অধিসূচিত ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়সমূহ, ভাষিক সংখ্যালঘুসকল আৰু চৰ অঞ্চলত বাস কৰা লোকসকলৰ কল্যাণৰ বাবে মোৰ চৰকাৰে আঁচনি প্ৰস্তুত কৰাৰ লগতে সেইসমূহ ৰূপায়ণ কৰে। জি এন এম, এ এন এম, বৈমানিক আতিথ্য, ডি ফাৰ্ম, ডি এম এল টি, ফিজিঅ'থেৰাপীৰ ডিপ্লোমা আৰু স্নাতক, বি এছ চি নাৰ্চিং আদিৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। স্বনিয়োজনৰ বাবে পাৱাৰ টিলাৰ, টাটা চুম' আৰু ৰাজসাহায্যৰ সৈতে ট্ৰেক্টৰ, চিলাই মেচিন, হোলাৰ মিল আদি প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় পৃষ্ঠপোষকতাপ্ৰাপ্ত জলপানি আঁচনিৰ অধীনত ভাৰত চৰকাৰৰ পৰা লাভ কৰা লক্ষ্য অনুসৰি ২০১৬-১৭ বৰ্ষত প্ৰাক-প্ৰৱেশিকা, প্ৰৱেশিকোত্তৰ আৰু 'মেৰিট কাম মিনচ' জলপানিৰ জৰিয়তে ১,৭১,০০০ গৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰীক উপকৃত কৰা হ'ব।

কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি এম এছ ডি পি-ৰ জৰিয়তে মোৰ চৰকাৰে অতিৰিক্ত সম্পদ প্ৰদানৰ দ্বাৰা বৰ্তমানে থকা ভাৰত চৰকাৰৰ আঁচনিসমূহৰ সুৰুঙা দূৰ কৰিবলৈ চেষ্টা কৰিছে আৰু সংখ্যালঘুসকলৰ কল্যাণৰ বাবে সুৰুঙা নথকা প্ৰকল্প (উদ্ভাৱনীমূলক প্ৰকল্পসমূহ) হাতত লৈছে। অতিৰিক্ত শ্ৰেণীকোঠা, ছাত্ৰাৱাস/ ছাত্ৰীনিৱাস, শৌচাগাৰ, স্বাস্থ্য উপকেন্দ্ৰ, পুথিভঁড়াল, খোৱাপানীৰ সা-সুবিধা, সৌৰ চাকি আদিৰ দৰে আঁচনি ৰূপায়ণ কৰি থকা হৈছে।

**ক্ৰীড়া আৰু যুৱ কল্যাণ ঃ**

মোৰ চৰকাৰে ৰাজ্যখনত ক্ৰীড়া আৰু যুৱকল্যাণৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। ষ্টেডিয়াম আৰু খেলপথাৰসমূহৰ নিৰ্মাণ অথবা উন্নয়ন আৰু ইণ্ডʼৰ হʼল নিৰ্মাণকে ধৰি ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনি উন্নীত কৰা হʼব। সৰুসজাই ক্ৰীড়া প্ৰকল্পত থকা ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামৰ গেলাৰীসমূহৰ ওপৰৰ চাল সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ কৰা হʼব। ১৪ ৰ পৰা ১৭ বছৰ বয়সৰ ভিতৰৰ শীৰ্ষ ৰেংকপ্ৰাপ্ত খেলুৱৈসকলৰ উভয়ৰে বাবে গুৱাহাটী সৰুসজাই ক্ৰীড়া প্ৰকল্পত ২০১৭ চনৰ ৪ ৰ পৰা ২৪ জানুৱাৰীলৈকে ৰাজ্যিক পৰ্যায়ৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ অৰ্থে মোৰ চৰকাৰে ১ কোটি টকা মঞ্জুৰ কৰিছে। ২০১৬-১৭ বৰ্ষত ১,১৫০ গৰাকী খেলুৱৈলৈ ক্ৰীড়া প্ৰতিভা সন্ধানী জলপানি প্ৰদান কৰা হʼব। উদীয়মান ক্ৰীড়া প্ৰতিভাসন্ধানী জলপানি প্ৰদানৰ বাবে প্ৰায় ৫০ টা ক্ৰীড়া শাখাত প্ৰশিক্ষক নিযুক্তিৰ লেখীয়া আঁচনিসমূহ অব্যাহত ৰখা হʼব।

আন্তঃৰাষ্ট্ৰীয় বক্সাৰ শিৱ থাপা আৰু টেনিছ খেলুৱৈ তানিচা কাশ্যপক তেওঁলোকৰ নিজা নিজা ক্ৰীড়া শাখাত কৰা চমকপ্ৰদ প্ৰদৰ্শনৰ বাবে ক্ৰমে ১০ লাখ আৰু ৫ লাখ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হৈছে। ‘ৰাজ্যিক বিদ্যালয় ক্ৰীড়া সমাৰোহ’ হিচাপে ৰাজ্যখনৰ সকলোবোৰ জিলাক সামৰি বিভিন্ন বয়স, গোটৰ বিভিন্ন ক্ৰীড়া শাখাত ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ বিদ্যালয় ক্ৰীড়া সমাৰোহ আয়োজনৰ বাবে ৫০ লাখ টকা ব্যয়ৰ এখন নতুন ধ্বজ্জাবাহী আঁচনিৰ প্ৰশাসনীয় অনুমোদন প্ৰদান কৰা হৈছে। ডিব্ৰুগড়, লখিমপুৰ আৰু কামৰূপত ৩ খন অত্যাধুনিক ষ্টেডিয়াম নিৰ্মাণৰ বাবে প্ৰাৰম্ভিকভাবে ৩ কোটি টকা ধাৰ্য কৰা হৈছে আৰু ধাৰণা পত্ৰ (Concept Paper)সমূহ প্ৰস্তুত কৰা হৈছে।

১৭ বছৰৰ অনুৰ্দ্ধৰ ফিফা বিশ্বকাপ আয়োজনৰ বাবে গুৱাহাটীক এক অন্যতম স্থান হিচাপে বাছনি কৰা হৈছে। সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ উন্নীতকৰণৰ বাবে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত মেৰামতি/ উন্নীতকৰণ/ নিৰ্মাণৰ বাবে ৩.৪ কোটি টকাৰ পুঁজি ধাৰ্য কৰা হৈছে। যোগৰ প্ৰসাৰৰ বাবে সকলোবোৰ জিলা সদৰতে ‘নিৰ্বাণ’(NIRVAAN) নামৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰসমূহ ২০১৬ চনৰ ১৫ ডিচেম্বৰত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হৈছে। দ্বিতীয় ব্ৰিকছ যুৱ সন্মিলন, ২০১৬, যোৱা বৰ্ষৰ ১ জুলাইৰপৰা ৩ জুলাইলৈ গুৱাহাটীত অনুষ্ঠিত কৰা হয়। আন্তৰ্জাতিক যুৱ দিৱসৰ লগত সংগতি ৰাখি অসমৰ যুৱ-শক্তিৰ বিকাশ আৰু উন্নয়নৰ বাবে ‘সহোদৰ ১৬’ নামেৰে এক অনুষ্ঠান ১২ আগষ্ট, ২০১৬ তাৰিখে গুৱাহাটীত অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানটিত যুৱক-যুৱতীসকল, সাহিত্যিক আৰু বিভিন্ন ক্ষেত্ৰত বিভিন্ন লোকে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানে বিভিন্ন জনগোষ্ঠী, ছাত্ৰ সংগঠন তথা সাহিত্য অনুষ্ঠানসমূহৰ ভাবৰ আদান-প্ৰদান কৰাৰ বাবে এক মঞ্চ প্ৰদান কৰে। ১৪ জুন, ২০১৬ তাৰিখে এন এছ এছ গোট, এন চি চি আৰু বেচৰকাৰী সংস্থাসমূহৰ অংশগ্ৰহণেৰে বিশ্ব ৰক্তদান দিৱস উদ্‌যাপন কৰা হয়।

ভাৰত চৰকাৰৰ এক ধ্বজ্জাবাহী অনুষ্ঠান ‘খেল ইণ্ডিয়া’ বৃহৎ সংখ্যক অংশগ্ৰহণকাৰীৰ উপস্থিতিৰে অনুষ্ঠিত কৰা হয়। ইয়াত বিভিন্ন শাখাত জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ অন্তৰ্ভুক্তিৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ‘খেল ইণ্ডিয়া’ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। আফগানিস্থান, নেপাল, ভূটান, ম্যানমাৰ, থাইলেণ্ড আদি দেশৰ অংশগ্ৰহণৰ সম্ভাৱনা থকা এক আন্তঃৰাষ্ট্ৰীয় বৃহৎ অনুষ্ঠান, ‘ডা হিমালয়ান ৰিজ’ন গেম্‌ছ’ ২০১৭ চনৰ এপ্ৰিল মাহত গুৱাহাটীত অনুষ্ঠিত হ’ব।

**শ্ৰম আৰু কল্যাণ ঃ**

মোৰ চৰকাৰৰ নতুন পদক্ষেপসমূহ এনেধৰণৰ ঃ বাগিচা শ্ৰমিক আইন, ১৯৫১ ৰ ৰূপায়ণৰ ওপৰত ভিত্তি কৰি চাহ বাগিচাসমূহৰ শ্ৰেণী বিভাজন, শিক্ষাৰ অধিকাৰ আইনৰ সৈতে সংগতি ৰাখি চাহ বাগিচা শ্ৰমিক আইন, ১৯৫১ ৰ অধ্যায় ১৪ ৰ ৰাজ্যিক সংশোধনী, শ্ৰমিকসকলৰ বাবে সহজে বোধগম্য হোৱাকৈ

স্থানীয় ভাষা ব্যৱহাৰ কৰিবলৈ চাহ বাগিচাৰ কৰ্তৃপক্ষক নিৰ্দেশনা, 'স্বচ্ছ ভাৰত অভিযান'ৰ লগত সংগতি ৰাখি সকলো চাহ বাগিচাৰ শ্ৰমিক লাইনত পৰিষ্কাৰ অভিযান আৰু  বাগিচা শ্ৰমিকৰ বাবে বেংক একাউন্ট খোলা। বাগিচাৰ বাবে পৃথক কাৰ্যকৰীকৰণ বিষয়া নিয়োগৰ অধিসূচনা জাৰি কৰা হৈছে। মোৰ চৰকাৰে শিশু শ্ৰমিক আৰু অবৈধ মানৱ-সৰবৰাহৰ বিৰুদ্ধে ৰাজ্যজুৰি এক ব্যাপক সজাগতা অভিযান সূচনা কৰিছে আৰু শিশু কল্যাণ সম্পৰ্কীয় অধিসূচিত ৰাজ্যিক অভিসাৰী কৰ্ম-আঁচনি ৰূপায়ণৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টাৰ সূচনা কৰা হৈছে। গতি-বিধি পঞ্জীয়ন কৰা বিশেষকৈ গাঁও পঞ্চায়ত আৰু নগৰ সমিতিসমূহত য'ত বিশেষ স্থানসমূহ (জনজাতি অঞ্চল, সংখ্যালঘু অধ্যুষিত আৰু চাহ বাগিচা অঞ্চল) চিনাক্ত কৰা হৈছে। শিশু শ্ৰমিকক কামত নিয়োগ নকৰা সংক্ৰান্তীয় অসম দোকান আৰু প্ৰতিষ্ঠান আইন, ১৯৭১ (Assam Shop and Establishment Act, 1971)ৰ অধীনত স্ব-প্ৰমাণিকৰণৰ বাবে সংশোধনী প্ৰস্তাৱ কৰা হৈছে। কেন্দ্ৰীয় আইন, ২০১৬ ৰ শেহতীয়া সংশোধনীৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিক নিয়মাৱলীৰ সংশোধন কৰা হৈছে। কোনো ধৰণৰ শিশু শ্ৰমিক নিয়োগ নকৰাৰ বাবে সকলো চাকৰিজীৱি (চৰকাৰী/ব্যক্তিগত), ব্যৱসায়িক প্ৰতিষ্ঠান, ঘৰ ইত্যাদিত বাধ্যতামূলক স্ব-ঘোষিত এক ব্যৱস্থাপনা উদ্ভাৱন কৰা হৈছে। শিশু শ্ৰমিক আৰু বন্ধা শ্ৰমিকৰ সংখ্যা নিৰ্ধাৰণ কৰাৰ বাবে ৰাজ্যিক ভিত্তিত শিশু শ্ৰমিক আৰু বন্ধা শ্ৰমিকৰ এক সমীক্ষা আৰম্ভ কৰা হৈছে। ২৭ খন জিলাত শিশু শ্ৰমিক টাস্ক ফ'ৰ্চ গঠন কৰা হৈছে। ১০২ সূচীভুক্ত নিয়োগৰ ক্ষেত্ৰত ন্যূনতম মজুৰি নিৰ্দিষ্ট কৰি আৰু ঘৰুৱা শ্ৰমিকৰ বাবে অধিসূচনাৰ খচৰা আৰম্ভ কৰা হৈছে।

কামত স্বচ্ছতা অনাৰ বাবে বইলাৰ (Boilers') পৰিদৰ্শকালয় আৰু ফেক্টৰী পৰিদৰ্শকালয়ৰ ডিজিটাইজেছনৰ  ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই বিত্তীয় বৰ্ষত ৱেবচাইট ডিজাইন আৰু বিকশিত কৰা হৈছে। ব্যৱসায় সুচল কৰাৰ বাবে অসম ফেক্টৰী আইনত কিছুমান সংশোধনীৰ ব্যৱস্থা কৰা হৈছে। আমিনগাঁৱত এখন ই এছ আই আদৰ্শ চিকিৎসালয় (৫০ খন বিছনাযুক্ত) স্থাপনৰ যো-জা কৰা হৈছে। ৯.৫ লাখ কৰ্মচাৰী (স্থায়ী আৰু অস্থায়ী উভয়ে) ক সামাজিক নিৰাপত্তা প্ৰদান কৰাৰ বাবে আজিৰ দিনত সৰ্বমুঠ ১,০৪০ খন চাহ বাগিছা পঞ্জীয়ন

কৰা হৈছে। সম্প্ৰতি, তিনিখন আঁচনি—ভৱিষ্য নিধি আঁচনি, পেঞ্চন আঁচনি আৰু ডিপ'জিট লিংক ইঞ্চুৰেন্স এই সংগঠনৰ অধীনত চলি আছে।

অসম চাহ শ্ৰমিক ভৱিষ্য নিধি সংস্থাই শেহতীয়াকৈ ডিপ'জিট লিংক্ড ইঞ্চুৰেন্স আঁচনিৰ অধীনত লাভ ৪০,০০০ টকাৰ পৰা ১,০০,০০০ টকালৈ বৃদ্ধি কৰিছে। ন্যূনতম পেঞ্চন লাভ প্ৰতিমাহে ৫০০ টকাত নিৰ্দ্ধাৰণ কৰা হৈছে আৰু এই ধন ১০০০ টকালৈ বৃদ্ধি কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। লেন-দেনৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজন হোৱা সময় হ্ৰাস কৰাৰ বাবে সংস্থাই চেষ্টা কৰি আছে। ভৱিষ্য নিধি মীমাংসাৰ বাবে অনলাইন ব্যৱস্থা ইতিমধ্যে সম্পূৰ্ণ হৈছে।

**দক্ষতা, নিয়োগ আৰু উদ্যমিতা ঃ**

মাননীয় সদস্যসকল, এই সন্মানীয় সদনতে ২০১৬ চনৰ ১৫ আগষ্টত ঘোষণা কৰা হৈছিল যে মোৰ চৰকাৰৰ অধীনত দক্ষতা বৃদ্ধিৰ এক নতুন বিভাগ সৃষ্টি কৰা হ'ব। সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ বাবে, ৰাজ্যখনৰ জনসাধাৰণৰ মাজত দক্ষতা সম্পন্ন নিয়োগৰ সুবিধাৰ প্ৰসাৰ ঘটোৱা তথা উদ্যমিতা বৃদ্ধি কৰাটো বাধ্যতামূলক কৰি দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ ২০১৬ বৰ্ষৰ ছেপ্টেম্বৰত স্থাপন কৰা হয়। ৰাজ্যৰ যুৱ-চামৰ নিয়োগৰ সুবিধা বৃদ্ধি কৰাৰ বাবে নিয়োগ সৃষ্টি অভিযান (ই জি এম) আৰু অসম দক্ষতা বৃদ্ধি অভিযান (এ এচ ডি এম)ক এই নতুন বিভাগৰ অধীনলৈ অনা হৈছে।

ভাৰত চৰকাৰৰ নিৰ্দেশনা অনুসৰি, মোৰ চৰকাৰে গুৱাহাটী আৰু যোৰহাট নিয়োগ বিনিময় কেন্দ্ৰক আদৰ্শ জীৱিকা কেন্দ্ৰলৈ ৰূপান্তৰ কৰিছে। একেধৰণৰ আদৰ্শ জীৱিকা কেন্দ্ৰ সকলো জিলাতে স্থাপন কৰা হ'ব।

এ এছ ডি এমৰ কাৰ্যাৱলীসমূহো ব্যাপক কৰি তোলা হৈছে। পৰ্যায়ক্ৰমে সকলোধৰণৰ দক্ষতাসম্পন্ন কাৰ্যাৱলীসমূহ ৰাজ্য চৰকাৰৰ পৰা এ এচ ডি এমলৈ স্থানান্তৰ কৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

মোৰ চৰকাৰে এখন দক্ষ মহানগৰ (Skill City) স্থাপন কৰিব। দক্ষ মহানগৰীত বহুসংখ্যক বিশেষ গুণমান বিশিষ্ট বিদ্যালয় থাকিব, যাৰ ভিতৰত আতিথ্য আৰু পৰ্যটন সম্পৰ্কীয় প্ৰথমখন বিদ্যালয় চলিত বৰ্ষতে কাৰ্যক্ষম হ'ব।

এই পৰিপ্ৰেক্ষিতত, চিংগাপুৰৰ আই টি ইৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। বিশ্বৰ শ্ৰেষ্ঠ অনুষ্ঠানৰ সহযোগত অট'মোবাইল, ডিজাইন আৰু সৃষ্টিশীলতা, নাৰ্চিং, ফুলৰ খেতি, খুচুৰা বিক্ৰী আদিৰ ওপৰত অন্যান্য বিদ্যালয় প্ৰতিষ্ঠা কৰা হ'ব। মাননীয় প্ৰধানমন্ত্ৰীৰ দক্ষতাসম্পন্ন মানৱ সম্পদ সৃষ্টিৰে ভাৰতক বিশ্বনায়ক হিচাপে প্ৰতিষ্ঠা কৰাৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে আমাৰ যুৱক-যুৱতীসকলৰ নিয়োগ ক্ষমতা বৃদ্ধিৰ বাবে মোৰ চৰকাৰ সংকল্পবদ্ধ।

চলিত বৰ্ষতে গুৱাহাটীত এখন দক্ষতা শীৰ্ষ সন্মিলন (Skill Summit) অনুষ্ঠিত হ'ব। মোৰ চৰকাৰে উদ্ভাৱন আৰু উদ্যমিতাক উৎসাহিত কৰাৰ যোগেদি ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ উদ্যমিতাৰ স্পৃহাক উদগনি যোগোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব, যাৰ বাবে এক বিশেষ আঁচনিৰ জৰিয়তে ষ্টাৰ্ট-আপ (Start-up) কাৰ্যসূচীলৈ সহযোগিতা আগবঢ়োৱা হ'ব।

## গড়কাপ্তানি ঃ

### পথ

ৰাষ্ট্ৰীয় ঘাইপথসমূহকে ধৰি ৰাজ্যখনৰ পথ নেটৱৰ্কৰ উন্নীতকৰণৰ লগতে কাঠৰ দলংসমূহক পকী দলঙলৈ ৰূপান্তৰ / নিৰ্মাণৰ বাবে মোৰ চৰকাৰে বিভিন্ন আঁচনি হাতত লৈছে। চলিত বৰ্ষত অসম পথ তদাৰকী পুঁজিৰ অধীনত ২,০০০ কোটি টকা ব্যয়ৰে ৰাজ্যখনৰ পথ নেটৱৰ্কৰ মেৰামতিকৰণ / পুনৰ নিৰ্মাণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই ধনৰাশি তিনি বছৰৰ ভিতৰত ব্যৱহাৰ কৰা হ'ব। পথ বহলকৰণকে ধৰি ৰাজ্যখনৰ ঘাইপথ আৰু জিলাসমূহৰ প্ৰধান পথসমূহৰ দ্ৰুত উন্নয়নৰ বাবে কেন্দ্ৰীয় পথ পুঁজিৰ অধীনত কিছুমান প্ৰধান পথ প্ৰকল্পৰ প্ৰস্তাৱ লোৱা হৈছে আৰু অতি সোনকালে ৮০০ কোটি টকাৰ প্ৰকল্প প্ৰস্তাৱসমূহত অনুমোদন জনাব বুলি আশা কৰা হৈছে। মোৰ চৰকাৰে কাঠৰ দলংসমূহ (প্ৰায় ১,৪০০খন) পকী দলঙলৈ ৰূপান্তৰ কৰিবলৈ বিবেচনা কৰি আছে।

### ৰাষ্ট্ৰীয় ঘাইপথ

ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথ খণ্ডৰ বাবে ৫০২ কোটি টকাৰ ১৩ টা প্ৰাক্কলনত মঞ্জুৰী লাভ কৰা হৈছে। লংকা-খেৰনি আৰু বৈঠালাংছু-ভৈৰিমবঙ (দৈৰ্ঘ্য =১৩৫

কিঃমিঃ)ৰ বাবে পৰামৰ্শদানৰ কাম পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰত্যক্ষভাবে ৰূপায়ণ কৰি আছে। ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰধান দলঙেৰে সৈতে দিচাংমুখ-টেকেলিফুটা-ঢকুৱাখানা-উত্তৰ লখিমপুৰ-মাজুলী-যোৰহাটৰ ১৩১ কিঃমি পথৰ কামৰ বাবে সম্ভাৱনীয়তাৰ অধ্যয়ন আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতকৰণৰ কাম কৰা হৈছে আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অংশত বন্যপ্ৰাণীৰ অনুকূল ব্যৱস্থাৱলী ৰূপায়নৰ কাম কৰা হৈছে। ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন অংশৰ শক্তিশালীকৰণ তথা বহলকৰণৰ বাবে মঞ্জুৰি দিয়া হৈছে।

ৰাজ্যখনত কাম চলি থকা কিছু প্ৰধান ৰাষ্ট্ৰীয় ঘাইপথৰ কামৰ ভিতৰত আছে ঃ (ক) বাইপাছসমূহ আৰু পুনৰ বিন্যাস কৰা কাম-কাজ - চহৰ অংশ সমূহত ৰাষ্ট্ৰীয় ঘাইপথৰ যান-জঁট দূৰীকৰণৰ বাবে বৰ্তমানে চলি থকা ৯ টা বাইপাছৰ উপৰি পাথাৰকান্দি বাইপাছৰ কাম-কাজ আৰম্ভ হৈছে। (খ) ৰাষ্ট্ৰীয় ঘাইপথৰ ১৬৯ কিঃমিঃ দৈৰ্ঘ্যৰ শক্তিশালীকৰণ আৰু বহলকৰণৰ কাম-কাজ চলি আছে। বগীবিল ৰেল তথা পথ দলঙৰ উত্তৰ পাৰ আৰু দক্ষিণ পাৰ সংযোগী পথৰ কামো চলি আছে। উল্লেখিতখিনিৰ উপৰি নিম্নোক্ত কাম-কাজসমূহ ৰূপায়ণ কৰি আছে ঃ ডিব্ৰুগড় বাইপাছ ; ডিগবৈ, মাৰ্ঘেৰিটা আৰু লিডু বাইপাছ; ইটানগৰলৈ ৪-লেনযুক্ত সংযোগ ; নুমলীগড়ৰ পৰা ডিব্ৰুগড়লৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৪-লেন নিৰ্মাণ ; গহপুৰৰ পৰা নুমলীগড়লৈ ৪-লেন সংযোগ।

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবৰ বাবে হাতত লোৱা প্ৰধান দলংসমূহ ঃ ধলা-শদিয়া দলং (প্ৰায় সমাপ্তিৰ পথত) ; শৰাইঘাট দলঙৰ কাষত অতিৰিক্ত দলং (প্ৰায় সমাপ্তিৰ পথত) ; ৰাষ্ট্ৰীয় ঘাইপথ-৩৭ (ক)ৰ ওপৰত কলিয়াভোমোৰা দলঙৰ কাষত অতিৰিক্ত দলং (কাম চলি আছে) ; ধুবুৰী-ফুলবাৰী দলং (বিস্তৃত প্ৰকল্প প্ৰতিবেদনৰ পৰামৰ্শদাতা নিযুক্ত কৰা হৈছে) ; নাৰেংগী আৰু কুৰুৱাৰ মাজত ৬-লেনযুক্ত দলং (ডি পি আৰ প্ৰস্তুতিৰ কাম চলি আছে) ; গহপুৰ-নুমলীগড় দলং (ডি পি আৰ প্ৰস্তুত কৰা হ'ব)।

খানাপাৰাৰ ওচৰত ইষ্ট-ৱেষ্ট কৰিডৰক সংযোগ কৰিব পৰাকৈ ব্ৰহ্মপুত্ৰৰ ওপৰত এখন ৬-লেনযুক্ত দলংসহ চাংসাৰিৰ পৰা কুৰুৱালৈ এক চাৰিলেনযুক্ত

পথেৰে গুৱাহাটীৰ বাবে এক অতিৰিক্ত বাইপাছ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে। ভাৰত-ভুটান সীমান্তপথ (৩১৩ কিঃমিঃ) নিৰ্মাণ কৰা হ'ব; ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন স্থানত ৯ খন নতুন উৰণীয়া-সেঁতু নিৰ্মাণ কৰিব।

**গৃহ নিৰ্মাণ শাখা**

গৃহ নিৰ্মাণ, মেৰামতি, তদাৰকীৰ বাবে মোৰ চৰকাৰে শেহতীয়া পৰিৱেশ-অনুকূল প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ন্যূনতম তিনি তাৰকাযুক্ত গৃহ (GRIHA) ৰেটিঙ-ৰ নিয়ম পালন কৰি ২৫০০ বৰ্গ মিটাৰতকৈ অধিক সকলো ভৱনকে সেউজ ভৱন হিচাপে নিৰ্মাণ কৰা হৈছে। সেউজ ভৱন সমূহৰ উন্নয়নৰ বাবে টেৰী (TERI)ৰ সৈতে এক বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰি থকা হৈছে। কম শক্তি খৰচী প্ৰযুক্তিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। শক্তি সংৰক্ষণৰ বাবে এল.ই.ডি (LED) লাইটিং ব্যৱস্থাসহ ১৪ টা নতুন প্ৰকল্প হাতত লোৱা হৈছে। পৰম্পৰাগত লাইটিং ব্যৱস্থাসহ বৰ্তমানে থকা ৪ টা ভৱন এল.ই.ডি. লাইটিং ব্যৱস্থালৈ ৰূপান্তৰ কৰা হৈছে। বিভিন্ন বিভাগৰ কেতবোৰ প্ৰধান ভৱন নিৰ্মাণ প্ৰকল্প হৈছে - (ক) দিশপুৰত নিৰ্মাণ কৰা নতুন বিধানসভা ভৱন। এই ভৱনৰ ৭৫ % কাম আগবাঢ়িছে। ভৱনটোৱে উচ্চ সদন আৰু নিম্ন সদনক সামৰি ল'ব। (খ) গুৱাহাটীৰ বেতকুছিত সংহত সঞ্চালকালয় চৌহদ। ইয়াৰ প্ৰশাসনিক অনুমোদন প্ৰদান কৰা হৈছে।

অলপতে সম্পূৰ্ণ কৰিবলগীয়া, বৰ্তমানে চলি থকা কেইটামান প্ৰধান প্ৰকল্প হ'ল - ভেলʼৰ, চেন্নাই, কলকতা, বাঙ্গালুৰুত নিৰ্মাণ কৰি থকা অসম হাউছ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাতালৰ আন্তঃগাঁথনি উন্নয়নৰ কাম চলি আছে। গোলাঘাট, ধেমাজি আৰু কৰিমগঞ্জত নিৰ্মাণ কৰি থকা ৩ খন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ কামৰ অগ্ৰগতিৰ হাৰ হ'ল যথাক্ৰমে ৭০%, ৩২% আৰু ৯৯%। প্ৰথম পৰ্য্যায়ত উত্তৰ গুৱাহাটীত নিৰ্মাণ কৰি থকা ৰাষ্ট্ৰীয় আইন মহাবিদ্যালয় আৰু ন্যায়িক একাডেমীৰ কামৰ অগ্ৰগতিৰ হাৰ হৈছে ক্ৰমে ৯৪% (পেকেজ-I) আৰু ৪৫% (পেকেজ-II)। নগাওঁ, উত্তৰ লক্ষীমপুৰ আৰু ধুবুৰীত নিৰ্মাণ কৰিবলৈ লোৱা ৩ খন নতুন চিকিৎসা মহাবিদ্যালয়ৰ বাবে নিবিদা আহ্বানৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

## জনস্বাস্থ্য কাৰিকৰী ঃ

### পানী যোগান খণ্ড

মোৰ চৰকাৰে বিশুদ্ধ খোৱা পানী যোগান, পৰ্য্যাপ্ত অনাময় ব্যৱস্থা আৰু স্বাস্থ্যসন্মত ব্যৱস্থাৰ জৰিয়তে সম আৰু গুণগত মানৰ জীৱন ধাৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। কেইখনমান নতুন আৰু উদ্ভাৱনীমূলক আঁচনি হৈছে - আৰ্ছেনিকৰ দ্বাৰা আক্ৰান্ত ২৮৪ টা বসতিস্থল আৰু ফ্ল'ৰাইড আক্ৰান্ত ১৫৫ টা বসতিস্থলত এই সমস্যা নিৰাময়কৰণ। সাংসদ আদৰ্শ গ্ৰাম্য যোজনাৰ অধীনত ২১ খন গাওঁ পঞ্চায়তক সম্পূৰ্ণৰূপে পাইপেৰে পানী যোগান ধৰা আচনি আৰু গৃহ সংযোগ ব্যৱস্থাৰ দ্বাৰা পানী যোগানৰ বাবে সামৰি লোৱা হৈছে। ১২৬ খন পাইপেৰে পানী যোগান ধৰা আচনি ২০১৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে আৰু ২০১৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত ৰূপায়ণৰ বাবে লক্ষ্য নিৰ্দ্ধাৰিত কেইখনমান পাইপেৰে পানী যোগান ধৰা প্ৰধান আঁচনি হ'ল - বৃহত্তৰ দিল্লীঘাট, মিলনপুৰ, বালিজান, পানীচুকীয়া তথা আৰ্ছেনিক নিৰ্মূলকৰণৰ বাবে গ্ৰহণ কৰা কাকডোঙা আৰু পূব গোলাঘাট খণ্ডৰ অধীনত সংহত পাইপেৰে পানী যোগান ধৰা আচনি।

### নীৰ নিৰ্মল পৰিযোজনা

অসমত বিশ্ব বেংকৰ পুঁজিৰে আঁচনিবোৰ প্ৰধানকৈ গুণগত মান আৰু দীৰ্ঘম্যাদীতাৰ বাবে তথা গ্ৰামীণ খোৱাপানী আৰু অনাময় খণ্ডৰ প্ৰাতিষ্ঠানিক, আন্তঃগাঁথনি আৰু সেৱা প্ৰদান ব্যৱস্থাৰ সমস্যা আৰু প্ৰত্যাহ্বানসমূহ নিৰাময়ৰ বাবে প্ৰস্তুত কৰা হৈছে। এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ত তিনিখন জিলা ক্ৰমে হাইলাকান্দি, যোৰহাট আৰু কামৰূপ (মহানগৰ)ৰ ৬৩ খন গাঁও পঞ্চায়ত হাতত লোৱা হৈছে আৰু প্ৰথম পৰ্যায়ৰ জিলাকেইখনত আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰা হৈছে। প্ৰকল্পটোৰ দ্বিতীয় পৰ্যায়ত তিনিখন জিলা ক্ৰমে শিৱসাগৰ, বঙাইগাঁও আৰু মৰিগাঁৱৰ ৯৮ খন গাঁও পঞ্চায়তক সামৰি লোৱা হৈছে। ভিত্তিৰেখা আৰু ভূ-সংস্থাপন জৰীপৰ কাম এই জিলাকেইখনত আৰম্ভ হৈছে।

**অনাময় খণ্ড**

২০১৭ চনৰ ২ অক্টোবৰৰ ভিতৰত ৰাজ্যখনক মুকলি স্থানত মলত্যাগ মুক্ত ৰাজ্যলৈ ৰূপান্তৰৰ লক্ষ্যৰে মোৰ চৰকাৰে স্বচ্ছ-ভাৰত অভিযান গ্ৰামীণ ৰূপায়ণ কৰি আছে। চলিত বৰ্ষত ৮·৫ লাখ শৌচাগাৰেৰে সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে, যাৰ ভিতৰত এতিয়ালৈকে ৫ লাখ পৰিয়ালক সামৰি লোৱা হৈছে। সজাগতা সৃষ্টি / তথ্য শিক্ষা-যোগাযোগ (IEC) কাৰ্যসূচীসমূহ চলি আছে। বাকী থকা পৰিয়ালসমূহক ২০১৭ চনৰ ২ অক্টোবৰৰ ভিতৰত সামৰি লোৱা হ'ব।

ৰাজ্যৰ ২৫ খন গাঁও পঞ্চায়তৰ অধীনত ৪২৮ খন গাঁৱক মুকলি স্থানত মলত্যাগ মুক্ত গাঁও হিচাবে ঘোষণা কৰা হৈছে। শিৱসাগৰ জিলাৰ লাকুৱা খণ্ডই ৰাজ্যৰ ভিতৰত প্ৰথম মুকলি স্থানত মলত্যাগ মুক্ত খণ্ডৰূপে মৰ্যাদা লাভ কৰে। আনহাতে ডিব্ৰুগড় জিলাৰ শিঙলীজান চাহ বাগিছাখনে অসমৰ ভিতৰত প্ৰথম মুকলি স্থানত মলত্যাগ মুক্ত চাহ বাগিছাৰূপে সন্মান অৰ্জন কৰে।

নেচনেল এক্ৰেডিটেচন বোৰ্ড ফ'ৰ টেষ্টিং এণ্ড কেলিব্ৰেচন লেবৰেটৰি (NABL)ৰ দ্বাৰা ষ্টেট ৰেফাৰেল লেবৰেটৰি (SRL) ক স্বীকৃতি প্ৰদান কৰা হৈছে। তদুপৰি বিভিন্ন জিলা আৰু মহকুমা পৰ্যায়ৰ গৱেষনাগাৰত ১.২ লাখতকৈ অধিক পানীৰ নমুনা পৰীক্ষা কৰা হৈছে।

**জলসিঞ্চন ঃ**

মোৰ চৰকাৰে মাৰ্চ, ২০১৬ লৈকে ৰাজ্যৰ ৭.৮২ লাখ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টি কৰাৰ উপৰিও চলিত বৃহৎ / মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চন আঁচনিসমূহ সম্পূৰ্ণ কৰিছে। ২০ খন বৃহৎ / মজলীয়া জলসিঞ্চন প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে। তাৰে ১৫ খন ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু ৫ খনৰ কাম চলি আছে। ক্ষুদ্ৰ জলসিঞ্চন ক্ষেত্ৰত ১,৩১৬ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ কাম চলি আছে; আৰু ৮৩৫ খন আঁচনি সম্পূৰ্ণ হৈছে। ২০১৬-১৭ বৰ্ষত (ডিচেম্বৰ, ২০১৬)লৈকে ৫১ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সম্পূৰ্ণ কৰাৰ দ্বাৰা ৭,১৬৩ হেক্টৰ ভূমিত জলসিঞ্চন সম্ভাৱনা সৃষ্টি কৰা হৈছে। বাকী থকা ৪৩০ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ কাম চলি আছে। 'কমাণ্ড এৰিয়া ডেভেল'পমেন্ট'

আৰু জল ব্যৱস্থাপনা (CAD & WM) কাৰ্যসূচী ইতিপূৰ্বে সম্পূৰ্ণ হোৱা বৃহৎ আৰু মজলীয়া প্ৰকল্পবোৰত ৰূপায়ণ কৰি থকা হৈছে ; এতিয়ালৈ এই প্ৰকল্পৰ অধীনত ৬৪,০০০ হেক্টৰ 'কমাণ্ড এৰিয়া' সামৰি লোৱা হৈছে।

**জলসম্পদ ঃ**

দ্বাদশ পৰিকল্পনাৰ কালছোৱাত ১৭৮ খন বান আৰু গৰাখহনীয়া ব্যৱস্থাপনা আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত ৬৮ খন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকীবোৰ এচিয়ান ডেভেলপমেণ্ট বেংকৰ উদ্যোগত ডিব্ৰুগড় আৰু পলাশবাৰী-গুমি অঞ্চলত কাম চলি আছে আৰু ডিব্ৰুগড়, পলাশবাৰী-গুমি আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ৩ টা উপ-প্ৰকল্পৰ কাম ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে। ২০১৬-১৭ চনৰ ৰাজ্যিক প্ৰকল্পৰ অধীনত ২৪ খন আঁচনি আৰু RIDF-XXII ৰ অধীনত ৪৮ খন আঁচনিৰ বাবে নতুনকৈ প্ৰতিবেদনত সামৰা হৈছে।

বান সংৰক্ষণৰ বাবে মোৰ চৰকাৰে ব্ৰহ্মপুত্ৰৰ বান্ধ উৰ্দ্ধিত আৰু শক্তিশালীকৰণৰ বাবে এক ব্যাপক আঁচনি প্ৰস্তুত কৰিছে। বিতং প্ৰকল্প প্ৰতিবেদনখন কেন্দ্ৰীয় জল আয়োগৰ বিবেচনাধীন হৈ আছে। বানপানী আৰু গৰাখহনীয়াৰ পৰা মাজুলীক সুৰক্ষা প্ৰদান কৰিবলৈ আৰু পথ যোগাযোগ উন্নীত কৰা তথা মাজুলীৰ বৰ্তমানে থকা মাটি কালিক সুৰক্ষিত কৰাৰ অৰ্থে মোৰ চৰকাৰে ৩৩৭ কোটি টকা এক প্ৰস্তাৱ যুগুত কৰিছে। মাজুলীৰ যাতায়ত ব্যৱস্থাৰ সা-সুবিধাৰ অৰ্থে বৰ্তমানে থকা মথাউৰিক পথ-তথা-মথাউৰিলৈ ৰূপান্তৰ কৰিবৰ বাবে এক প্ৰস্তাৱ সক্ৰিয় বিবেচনাধীন হৈ আছে।

অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠান (AWRMI) ৰ অধীনত প্ৰশিক্ষণ আৰু গৱেষণাৰ সা-সুবিধাৰ শক্তিশালীকৰণ তথা উন্নীতকৰণৰ অৰ্থে চলিত বৰ্ষত ৰূপায়ণ কৰিব পৰাকৈ প্ৰস্তাৱসমূহ যুগুত কৰা হৈছে। তদুপৰি আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে হাইড্ৰোমেটাৰোলোজিকেল তথ্য সংগ্ৰহ ব্যৱস্থাটোক আধুনিকীকৰণ কৰাৰ অৰ্থে মোৰ চৰকাৰে বিশ্ব বেংকৰ সাহায্যত ৰাষ্ট্ৰীয় হাইড্ৰ'লজি প্ৰকল্প আৰু অসম বান গড়াখহনীয়া আৰু নদী ব্যৱস্থাপনা আধুনিকীকৰণ প্ৰকল্পৰ প্ৰস্তাৱ লৈছে।

মোৰ চৰকাৰে “ব্ৰহ্মপুত্ৰ নদীৰ খনন”ৰ বিষয়টো সক্ৰিয়ভাৱে বিবেচনা কৰি আছে। ইতিমধ্যে ভাৰতীয় খনন নিগমে ব্ৰহ্মপুত্ৰ নদীৰ প্ৰাথমিক জৰীপৰ কাম সম্পন্ন কৰিছে।

**পৰিৱেশ আৰু বন ঃ**

ৰাজ্যখনৰ পৰিৱেশ আৰু বনাঞ্চলসমূহৰ ফলপ্ৰসূ ব্যৱস্থাপনাৰ বাবে মোৰ চৰকাৰে সৰ্বতোপ্ৰকাৰৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে। বনাঞ্চল আৰু অসম জৈৱ বিবিধতা সংৰক্ষণ প্ৰকল্প আৰু ক্ষতিপূৰণমূলক বনানিকৰণ পুঁজি ব্যৱস্থাপনা আৰু পৰিকল্পনা প্ৰাধিকৰণ (CAMPA)ৰ লেখীয়া বিভিন্ন আঁচনিৰ অধীনত ১৪,১০০ হেক্টৰ ভূমিত বৃক্ষৰোপন কৰা হৈছে। তদুপৰি, এই বিত্তীয় বৰ্ষৰ বাকী থকা সময়ছোৱাত ৩,৬৩২ হেক্টৰ ভূমিত বনানীকৰণ কৰা হ’ব। গড়, হাতী আৰু বাঘৰ পিয়লৰ তথ্য অনুসৰি এইটো প্ৰতীয়মান হৈছে যে ৰাজ্যখনত বন্যপ্ৰাণী সংৰক্ষণৰ উন্নয়ন সাধন হৈছে। পথ, গৃহ নিৰ্মাণ, হাতী প্ৰতিৰোধী খাৱৈ আৰু বাহন ৰ ক্ষেত্ৰত আন্তঃগাঁথনিৰ উন্নয়নো সাধন হৈছে।

চোৰাং চিকাৰী আৰু চোৰাং ব্যৱসায়ীৰ পৰা অহা ভাবুকি প্ৰতিহত কৰিবলৈ বন কৰ্মীসকলক অধিক অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত কৰি তুলিবলৈ মোৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসাৰে অধিক সংখ্যক এছ এল আৰ, ৯ এম এম কাৰ্বাইন, এ কে-৪৭ আৰু এ কে-৫৬ উভয় চিৰিজৰ ৰাইফল আৰু অন্যান্য স্বয়ংক্ৰিয় অস্ত্ৰ ক্ৰয়ৰ বাবে আমাক অনুমতি প্ৰদান কৰিবলৈ ভাৰত চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণে (NTCA) যোগান ধৰা পুঁজিৰে গঠিত বিশেষ গড় টাস্ক ফ’ৰ্চ গঠন কৰা হ’ব।

যিবোৰ পৰিয়ালৰ সদস্যৰ মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতৰ ফলত মৃত্যু হৈছে সেইবোৰ পৰিয়াললৈ আগবঢ়োৱা এককালীন অনুদানৰ পৰিমাণ ৩ লাখ টকালৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে আৰু ২০১৬-১৭ বৰ্ষৰ বাজেট ২০০ লাখ টকাৰ এক বিশেষ ব্যৱস্থা ৰখা হৈছে। তদুপৰি মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত হ্ৰাস কৰাৰ অৰ্থে বনৰীয়া হাতীৰ চালচলন পৰ্যবেক্ষণ কৰিবলৈ এখন কমিটি গঠন কৰা হৈছে। বিভিন্ন শাখাৰ খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ বাবে ইতিমধ্যে পদক্ষেপ লোৱা হৈছে।

**ভূমি সংৰক্ষণ ঃ**

মোৰ চৰকাৰে শস্য ভূমি, পতিত ভূমি, ক্ষয়প্ৰাপ্ত বনভূমি আৰু নৈ-পৰীয়া ভূমিৰ ওপৰত ভূমি আৰু জল ব্যৱস্থাপনাৰ লগতে ভূমি অবক্ষয়ৰ পৰা সকলোধৰণৰ ভূমিক সুৰক্ষা প্ৰদান কৰিবলৈ মোৰ চৰকাৰে বিভিন্ন কাম-কাজ চলাই আছে। দীৰ্ঘম্যাদী-কৃষিজাত সামগ্ৰী উৎপাদনৰ অৰ্থে পতিত ভূমি আৰু কৃষি ভূমিৰ উন্নয়ন সাধনো এই আঁচনিসমূহৰ আন প্ৰধান উদ্দেশ্য। এই আঁচনিসমূহত অধিক শ্ৰমিকৰ প্ৰয়োজন হয় আৰু ই হ'ল উৎপাদনমুখী আৰু সেয়েহে এই সমূহে ৰাজ্যখনৰ গ্ৰাম্য নিয়োগ সৃষ্টি আৰু গাৱলীয়া লোকসকলৰ আৰ্থ-সামাজিক অৱস্থা উন্নীতকৰণত বৰঙণি যোগায়।

গৰাখহনীয়া ৰোধ কৰিবলৈ মোৰ চৰকাৰে বহুকেইটা প্ৰকল্প হাতত লৈছে। চিচু, থৈৰ, বাঁহ ইত্যাদি বৃক্ষ ৰোপণৰ জৰিয়তে গড়াখহনীয়া ৰোধ কৰিব পৰা হৈছে। সংহত জলচ্ছেদ ব্যৱস্থাপনা কাৰ্য্যসূচী (IWMP) নামৰ কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিখন ৰূপায়ন কৰি থকা হৈছে।

২০১৬-১৭ বিত্তীয় বৰ্ষৰ ৭২ কোটি টকা ব্যয় সাপেক্ষ আঁচনিৰ কাম চলি আছে। RIDF-XIX-ৰ অধীনত ১২ টা প্ৰকল্পৰ ভিতৰত ২০১৬-১৭ বিত্তীয় বৰ্ষত ১০ টা প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিছে। RIDF-XX ৰ অধীনত ৫০০ লাখ টকাৰ প্ৰশাসনিক অনুমোদন প্ৰদান কৰা হৈছে আৰু ই-টেণ্ডাৰিং প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। RIDF-XXI আৰু RIDF-XXII ৰ অধীনত থকা আঁচনিসমূহৰ বাবে প্ৰয়োজনীয় কাৰ্যব্যৱস্থা হাতত লোৱা হৈছে।

**বিদ্যুৎ শক্তি ঃ**

মোৰ চৰকাৰে বিদ্যুৎ খণ্ডটোৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। বঙাইগাঁও তাপ বিদ্যুৎ কেন্দ্ৰ (২৫০ মেগাৱাট শক্তি সম্পন্ন)ৰ দ্বিতীয়টো গোট ২০১৭ চনৰ এপ্ৰিল মাহৰ ভিতৰত কাৰ্য্যক্ষম হৈ উঠাৰ সম্ভাৱনা আছে। নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰত ১০০ মেগাৱাট শক্তি সম্পন্ন গেছভিত্তিক সংযুক্ত cycle power project ৰূপায়ণৰ কাম চলি আছে। ১০.৫ মেগাৱাট শক্তিসম্পন্ন মিন্ট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য ২০১৭ চনৰ মাৰ্চ মাহত কাৰ্যক্ষম

হৈ উঠাৰ সম্ভাৱনা আছে। নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰৰ বৰ্তমানে থকা চৌহদৰ ২ মেগাৱাট শক্তিসম্পন্ন সৌৰ শক্তি প্ৰকল্প আৰু লাকুৱা তাপ বিদ্যুৎ কেন্দ্ৰৰ কাম চলি আছে আৰু কাৰ্যক্ষম হোৱাৰ সম্ভাব্য দিন হ'ল ক্ৰমে ২০১৭ চনৰ ডিচেম্বৰ মাহ আৰু ২০১৮ চনৰ আগষ্ট মাহ।

লাকুৱা তাপবিদ্যুৎ কেন্দ্ৰত ৭০ মেগাৱাট ৰিপ্লেচমেন্ট বিদ্যুৎ প্ৰকল্পৰ সম্পূৰ্ণ হোৱাৰ দিন ২০১৮ চনৰ মাৰ্চ মাহ। উত্তৰ-পূৰ্বাঞ্চল কয়লা ক্ষেত্ৰৰ কয়লা ব্যৱহাৰেৰে চলিব লগা মাৰ্ঘেৰিটাৰ ৬৬০ মেগাৱাট কয়লা-নিৰ্ভৰ বিদ্যুৎ প্ৰকল্পৰ বাবে কয়লা যোগান আৱণ্টনৰ অপেক্ষা কৰা হৈছে । কাছাৰ জিলাৰ ৩০ মেগাৱাট ক্ষমতাসম্পন্ন গেছ-নিৰ্ভৰ প্ৰকল্প বিবেচনা কৰি থকা হৈছে। ১২০ মেগাৱাট শক্তিসম্পন্ন নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পৰ কাম চলি আছে। এ ডি বি য়ে এই প্ৰকল্পৰ বাবে পুঁজি যোগান ধৰাৰ বাবে সন্মতি প্ৰদান কৰিছে। ২২.৫ মেগাৱাট বৰাপানী মজলীয়া পৰ্যায়-I ৰ জলবিদ্যুৎ প্ৰকল্পৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন চূড়ান্ত কৰাৰ কাম চলি আছে। ২৪ মেগাৱাট বৰাপানী মজলীয়া পৰ্যায় -II জলবিদ্যুৎ প্ৰকল্পৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন ইতিমধ্যে অনুমোদন জনোৱা হৈছে। ৬০ মেগাৱাট উজনি বৰাপানী জলবিদ্যুৎ প্ৰকল্পৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতৰ কাম চলি আছে। চন্দ্ৰপুৰ তাপবিদ্যুৎ কেন্দ্ৰৰ বৰ্তমানৰ চৌহদত এটা বৃহৎ সৌৰ শক্তি প্ৰকল্পৰ উন্নীতকৰণৰ বাবে বিবেচনা কৰি থকা হৈছে।

পৰ্যটন আৰু ঐতিহাসিক ঐতিহ্যৰ গুৰুত্বৰ কথা বিবেচনা কৰি নতুন আৰু নবীকৰণ যোগ্য শক্তিখণ্ডৰ অধীনত বিভিন্ন ঠাইত সৌৰশক্তি প্ৰকল্প আৰু ষ্ট্ৰীট লাইটিং প্ৰজেক্ট ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। গোলাঘাট জিলাৰ অসম নাগালেণ্ড সীমান্তত সৌৰ শক্তি চালিত ষ্ট্ৰীট লাইটিং ব্যৱস্থা ৰূপায়ণ কৰা হৈছে। স্মাৰ্ট ষ্ট্ৰীট লাইটিং প্ৰজেক্টৰ অধীনত অসমৰ বিভিন্ন ঠাইত Stand-alone LED ভিত্তিক সৌৰ ষ্ট্ৰীট লাইটিং ব্যৱস্থা হাতত লোৱা হৈছে। ১১১১ খন দূৰবৰ্তী বিদ্যুৎ সংযোগ নথকা গাওঁক সামৰি ৭৩,০০০ টা Stand-alone Solar Photo Voltaic Home Lighting System স্থাপন কৰা হৈছে। গুৱাহাটীৰ হস্তিনাপুৰত এটা off-grid ১০ কিলোৱাট শক্তি সম্পন্ন সৌৰ শক্তি চালিত প্ৰকল্পৰ কাম

আৰম্ভ কৰা হৈছে। অসম গ্ৰীড নেটৱৰ্কৰ শক্তিধাৰক ক্ষমতা বৰ্তমানৰ ১,৬১৭ মেগাৱাটৰ পৰা ১,৯৫০ মেগাৱাটলৈ বৃদ্ধি পাব।

দ্বাদশ পৰিকল্পনা, দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ অধীনত ১০০০ তকৈ অধিক বিদ্যুৎ সংযোগ নথকা গাওঁ আৰু ২৯,০০০ টা বসতিস্থলক বিদ্যুৎ সংযোগৰ দ্বাৰা সামৰি লোৱা হ'ব। প্ৰায় ৫,৪২,০০০ গৰাকী দৰিদ্ৰ সীমাৰেখাৰ তলৰ হিতাধিকাৰীলৈ বিনামূলীয়া বিদ্যুৎ সংযোগ প্ৰদান কৰা হ'ব। ৬৭ খন চহৰক গ'-লাইভ (Go-Live) হিচাপে ঘোষণা কৰা হৈছে, অৰ্থাৎ সেইসমূহ স্থানত বিদ্যুৎ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে সকলোবোৰ ব্যৱস্থা কাৰ্যক্ষম কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে। প্ৰায় ১৫,০০০ উপভোক্তাক সামৰি গুৱাহাটী মহানগৰত এক স্মাৰ্ট গ্ৰীড পাইলট প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে।

ৰাজ্যখনত পুনৰ নৱীকৰণ যোগ্য শক্তি উৎপাদনত বিনিয়োগ কৰাৰ বাবে সা-সুবিধা প্ৰদান কৰিবলৈ আৰু ব্যক্তিগত বিনিয়োগকাৰীক উৎসাহিত কৰাৰ বাবে মোৰ চৰকাৰে এক নীতি প্ৰস্তুত কৰিছে। মোৰ চৰকাৰে দৈনিক চাহিদা আৰু যোগানৰ ব্যৱধান দূৰ কৰাৰ বাবে ৰাজহ সৃষ্টিকাৰী গ্ৰীড ইণ্টাৰেকটিভ সৌৰ শক্তি প্ৰকল্প ৰূপায়ণৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ১৩৯ মেগাৱাট একত্ৰিত সামৰ্থ্য বৃদ্ধি কৰাৰ বাবে ১২ টা সৌৰশক্তি প্ৰকল্প নিৰ্মাতাৰ সৈতে বুজাবুজিৰ চুক্তিত উপনীত হৈছে। ৰাষ্ট্ৰীয় সৌৰ অভিযানৰ অধীনত নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে আৰম্ভ কৰা ৭০ঃ৩০ মূলধনী ৰাজসাহায্য পদ্ধতিৰ অধীনত অনগ্ৰীড ৰুফটপ চ'লাৰ ফটো ভল্টাইক (SPV) ৰ পদ্ধতিৰ বিকাশৰ বাবে মোৰ চৰকাৰে আবাসিক, প্ৰাতিষ্ঠানিক আৰু সামাজিক খণ্ডৰ বিভিন্ন ভৱনত ১০ মেগাৱাট গড় সামৰ্থ্যৰ গ্ৰীড সংযোগী ৰুফ টপ ক্ষুদ্ৰ শক্তি প্ৰকল্প কাৰ্যসূচীৰ সূচনা কৰিছে।

বিদ্যুৎ পৰিদৰ্শনালয়ত পৰ্যবেক্ষকৰ (Supervisor's) প্ৰমাণ পত্ৰ আৰু শ্ৰমিক (Workers) অনুজ্ঞা পত্ৰ অনুমোদনৰ বাবে অসম বৈদ্যুতিক অনুজ্ঞাপত্ৰ প্ৰদান পৰিষদ (এ ই এল বি) (Assam Electrical Licensing Board) ৰ দ্বাৰা অনুষ্ঠিত পৰীক্ষাৰ বাবে আৱেদন কৰাৰ বাবে ই-ফাইলিং/ অনলাইন প্ৰ-পত্ৰ পূৰণৰ ব্যৱস্থা আৰম্ভ কৰা হৈছে। সমগ্ৰ পৰিদৰ্শনালয় আৰু এ ই এল বি কম্পিউটাৰাইজড্ কৰাৰ ব্যৱস্থা কৰা হৈছে।

"অসম ৰাজ্যিক শক্তি সংৰক্ষণ পুঁজি" নামৰ এক পুঁজি সৃষ্টি কৰা হৈছে। শক্তি সংৰক্ষণ কৰাৰ বাবে ৰাজ্যজুৰি এক জৰীপ চলোৱা হৈছে। দুটা চৰকাৰী মালিকনাধীন চাহ উদ্যোগত কম শক্তি খৰছৰ ওপৰত চলোৱা পৰীক্ষামূলক প্ৰকল্পই উৎসাহজনক ফলাফল প্ৰদৰ্শন কৰিছে য'ত গড় হিচাপে ২৩ শতাংশ বৈদ্যুতিক শক্তি আৰু ৪৪ শতাংশ প্ৰাকৃতিক গেছ ৰাহিত উপনীত হ'ব পৰা গৈছে।

জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে মণ্ডপসমূহত অস্থায়ী বিদ্যুত সংযোগ, বিদ্যুতৰ লাইনত কেব্‌ল টিভিৰ তাৰ ওলোমোৱা, ৰাজহুৱা পথৰ লগত ষ্ট্ৰীট লাইট, বৈদ্যুতিকভাৱে চালিত বিল বোৰ্ড, হোৰ্ডিঙ অৰা বিশেষকৈ বাৰিষাৰ সময়ত ইনভাৰ্টাৰকে ধৰি বৈদ্যুতিক সজুলি ব্যৱহাৰৰ ওপৰত নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে।

**উদ্যোগ আৰু বাণিজ্য ঃ**

ভাৰত চৰকাৰৰ এক্ট-ইষ্ট পলিচীৰ কেন্দ্ৰস্থল হিচাপে অসমক গঢ় দিয়াৰ বাবে মোৰ চৰকাৰে কাম কৰি আছে। অসম ৰাজ্যখন বহু দিনৰে পৰা দেশৰ অৱহেলিত অঞ্চল হিচাপে চিহ্নিত হৈ আহিছে। ভৌগলিক অনগ্ৰসৰতাই, ৰাজ্যখনৰ উদ্যোগ আৰু বাণিজ্য খণ্ডত বিপৰীত প্ৰভাৱ পেলাইছে। এই অনগ্ৰসৰতাই অৱস্থানগত সুযোগ আনি দিব পাৰে যদিহে অসমে ভাৰত-এচীয়ান (ASEAN) অংশীদাৰিত্বৰ কেন্দ্ৰ হিচাপে দায়িত্ব পালন কৰিব পাৰে। আমাৰ উদ্দেশ্য হ'ল কেন্দ্ৰৰ পদক্ষেপ এক্ট-ইষ্ট পলিচিৰ কেন্দ্ৰস্থল হিচাপে অসমক গঢ় দিয়া। এই দিশত মোৰ চৰকাৰে গুৱাহাটীত এটা বিশ্বমানৰ বিশ্ব বাণিজ্য কেন্দ্ৰ (World-class Global Business Centre) স্থাপন কৰিবলৈ প্ৰস্তাৱ লৈছে। আমাৰ চুবুৰীয়া দেশ বাংলাদেশ, ভূটান, নেপাল আৰু ম্যানমাৰৰ লগত ব্যৱসায় আৰু বাণিজ্য বৃদ্ধি কৰাৰ উদ্দেশ্যে বাণিজ্য প্ৰতিনিধি দল প্ৰেৰণৰ প্ৰস্তাৱো গ্ৰহণ কৰা হৈছে।

"ইজ অৱ ডুইং বিজনেছ" অৰ্থে মোৰ চৰকাৰে হাতত লোৱা এক বৃহৎ পদক্ষেপ হ'ল "অসম ইজ অৱ ডুইং বিজনেছ আইন, ২০১৬" ৰ ৰূপায়ণ যিখন বিধেয়ক নতুন চৰকাৰ ক্ষমতালৈ অহাৰ পিছত বিধান সভাৰ প্ৰথম অধিৱেশনত

গৃহীত কৰা হৈছে। “ইজ ৰ ডুইং বিজনেছ” ৰ ৱেবচাইট ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু অনলাইন অনুমতি প্ৰদানৰ কাম আৰম্ভ হৈছে। চিংগ’ল উইণ্ডো সংস্থাইও কাম-কাজ আৰম্ভ কৰিছে। অসমক বিনিয়োগৰ বাবে অগ্ৰাধিকাৰপ্ৰাপ্ত স্থান হিচাপে উন্নীত কৰা হ’ব। ৯০% ৰো অধিকভাৱে ইজ অৰ ডুইং বিজনেছ কাৰ্যসূচী সম্পূৰ্ণকৰণ তথা দ্ৰুতভাৱে ইয়াৰ সম্পূৰ্ণ বাস্তৱায়িত দ্বাৰা ইয়াৰ সম্পাদন সুনিশ্চিত কৰাৰ অৰ্থে মোৰ চৰকাৰে ইতিমধ্যে কিছুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে।

বিনিয়োগৰ বিকাশৰ বাবে ৰাজ্যখনত উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত অনুকূল পৰিৱেশ সৃষ্টি কৰাৰ অৰ্থে মোৰ চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ হাতত লৈছে। ২০১৭ চনৰ নৱেম্বৰ মাহত গুৱাহাটীত এখন বাণিজ্য সন্মিলন অনুষ্ঠিত কৰা হ’ব। ৰাজ্যখনত থকা বিনিয়োগৰ সম্ভাৱনীয়তা প্ৰদৰ্শন কৰিবলৈ মোৰ চৰকাৰে ৰোড শ্ব’ আয়োজন কৰাৰ লগতে প্ৰবাসী ভাৰতীয় দিৱস, ভাইব্ৰেন্ট গুজৰাট আদিৰ লেখীয়া গুৰুত্বপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰিছে। মহিলাসকলৰ মাজত উদ্যোগৰ প্ৰসাৰৰ বাবে অতি সোনকালে বিশেষ কৰ্মশালাও অনুষ্ঠিত কৰা হ’ব।

মোৰ চৰকাৰৰ সন্মুখত এক বৃহৎ প্ৰত্যাহ্বান হ’ল নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি কৰা। নিয়োগৰ সা-সুবিধা সৃষ্টিৰ বাবে উদ্যোগ আৰু সেৱা খণ্ডত আমি গুৰুত্ব প্ৰদান কৰিম।

ৰাজ্যখনলৈ বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ বাবে মোৰ চৰকাৰে এটা লেণ্ড বেংক স্থাপন কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। খাদ্য উদ্যান, ঔষধি উদ্যান, বস্ত্ৰ উদ্যান আদিৰ লেখীয়া বিভিন্ন খণ্ডৰ উদ্যানক লেণ্ড বেংকৰ সৈতে সংযুক্ত কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

ৰাজ্যখনৰ কুঁহিয়াৰ খেতিয়কসকলৰ হিত সাধনৰ অৰ্থে এই খেতিয়ক সকলক উৎসাহিত কৰিবলৈ কুঁহিয়াৰ উৎপাদিত অঞ্চলত ব্যক্তিগত খণ্ডত চেনিকল (Sugar Units) স্থাপন কৰিবলৈ মোৰ চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ হাতত লৈছে।

**ৰাজহুৱা প্ৰতিষ্ঠান ঃ**

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ দক্ষ পৰিচালনা আৰু সেৱা প্ৰদানৰ বাবে মোৰ চৰকাৰে বিষয়া-কৰ্মচাৰী আৰু প্ৰতিষ্ঠানসমূহৰ বোৰ্ডৰ সদস্যসকলৰ দক্ষতা বৃদ্ধিৰ ওপৰত গুৰুত্ব দিছে আৰু MIS, ISO প্ৰমাণীকৰণ বৃত্তি আঁসোৱাহ দূৰীকৰণৰ বাবে কৰ্মস্থলীত সুৰক্ষা ব্যৱস্থা সুদৃঢ়কৰণৰ বাবে বহুতো কাৰ্য ব্যৱস্থা লোৱা হৈছে। মহিলা সবলীকৰণৰ উদ্দেশ্যে ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ সঞ্চালক মণ্ডলীত কমেও  এগৰাকী মহিলা সদস্যক অন্তৰ্ভুক্ত কৰিবলৈ নীতি নিৰ্দ্ধাৰণ কৰা হৈছে। ৪০ টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ২৪ টা সঞ্চালক মণ্ডলীত মহিলা সদস্য অন্তৰ্ভুক্ত কৰা হৈছে। সামগ্ৰিক লোকচান নভৰা ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ উৎপাদন ক্ষমতা বৃদ্ধিত উদগণি দিবলৈ মুঠ লাভৰ ৩ শতাংশ হাৰত প্ৰদৰ্শনী ভিত্তিত সহায় আগবঢ়াবলৈ নীতি গ্ৰহণ কৰা হৈছে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বেচৰকাৰী অধ্যক্ষসকলৰ মাহিলি মাননী ১০০০ টকাৰ পৰা ১০,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।

ইয়াৰোপৰি, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কাম-কাজ, দায়িত্ব আৰু পৰ্যবেক্ষণৰ বাবে বুজা-বুজিৰ চুক্তি ৰূপায়িত কৰা হৈছে। ভাল ফল দেখুওৱা প্ৰতিষ্ঠান, পৰিচালন সঞ্চালক আৰু ইয়াৰ কৰ্মচাৰীসকলক পুৰস্কৃত কৰা হৈছে। ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ ফলপ্ৰসূ পৰিচালনা আৰু স্ব-নিৰ্ভৰশীল তথা শ্ৰীবৃদ্ধিৰ বাবে এখন 'ৰাজহুৱা প্ৰতিষ্ঠান নীতি' প্ৰস্তুত কৰাৰ কাম মোৰ চৰকাৰে হাতত লৈছে।

**হস্ততাঁত-বস্ত্ৰশিল্প আৰু ৰেচম ঃ**

**হস্ততাঁত আৰু হস্তশিল্প**

মোৰ চৰকাৰে বহুতো ৰাজ্যিক পৰ্যায়ত আঁচনি আৰু কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাৰে আঁচনি ৰূপায়িত  কৰি আছে আৰু এনে আঁচনিবোৰৰ অধীনত বৃহৎ সংখ্যক শিপিনীক আৰ্থিক আৰু প্ৰযুক্তিগতভাৱে সহায় কৰি থকা হৈছে। মোৰ চৰকাৰে যোৱা বৰ্ষত ১১ টা সূতা বেংক আৰু ২০১৬-১৭ চনৰ সময়ছোৱাত অতিৰিক্ত ৯ টা সূতা বেংক স্থাপন কৰিছে। ৰাজ্যৰ সকলোবোৰ জিলা এই আঁচনিত

অচিৰেই অন্তৰ্ভুক্ত কৰা হ'ব। মোৰ চৰকাৰে উৎকৃষ্ট মানৰ সাজ-পোচাক তৈয়াৰ কৰাৰ উদ্দেশ্যে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত এটা সাজ-পোচাক উৎপাদন কেন্দ্ৰ স্থাপন কৰিছে। এই কেন্দ্ৰত উন্নতমানৰ সাজ-পোচাক তৈয়াৰ কৰা দিশত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে; নিবনুৱা যুৱকসকলক এই দিশত এই কেন্দ্ৰটোৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে।

দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে মোৰ চৰকাৰে ১০২ টা হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ চলাই আছে য'ত প্ৰায় ২,৫০০ লোকক বছৰি প্ৰশিক্ষণ দি থকা হৈছে আৰু প্ৰশিক্ষিত লোকসকলৰ স্ব-নিয়োজনৰ বাবে তাঁতশালৰ লগতে অন্যান্য সঁজুলি আৰু সূতা অনুদান হিচাপে প্ৰদান কৰা হৈছে।

**ৰেচম ঃ**

মোৰ চৰকাৰে ৰেচম খণ্ডক অসংগঠিত ঘৰুৱা ব্যৱস্থাৰ পৰা সংগঠিত বাণিজ্যিকভাৱে অনুকূল উদ্যোগলৈ ৰূপান্তৰিত কৰাৰ পৰিকল্পনা কৰিছে। মুগা কেঁচা পাতৰ উৎপাদন ১০ গুণ বৃদ্ধি, এৰি আৰু নুনি ৫ গুণ বৃদ্ধি আৰু গোটেই বছৰটোতে ২,৮২,০০০ তকৈ অধিক পৰিয়াললৈ নিয়োগৰ সুবিধা সৃষ্টিৰ বাবে অসমত পাট আৰু পাট সূতাৰ উৎপাদন সম্পৰ্কীয় সকলো কাম-কাজক সামৰি 'চেনেহজৰী' নামেৰে 'আচাম চিল্ক আউটৰিচ্ মিচন' আৰম্ভ কৰা হৈছে। মোৰ চৰকাৰে সকলো চৰকাৰী ফাৰ্ম/কেন্দ্ৰসমূহ পুনৰ উজ্জীৱিত কৰি গোটেই বছৰ ধৰি ৰেচম পলুৰ প্ৰতিপালন কৰাৰ আঁচনি লৈছে। ইতিমধ্যে ৪০ খন ফাৰ্ম/কেন্দ্ৰ আৰ আই ডি এফ (RIDF)ৰ অধীনত সামৰি লোৱা হৈছে।

মাননীয় সদস্যসকল, মোৰ চৰকাৰে শুৱালকুছিৰ চৰকাৰী মুগা ভি জি আৰ (VGR)ত বোৱা কটাৰ মেচিন প্ৰতিষ্ঠা কৰাৰ লগতে শুৱালকুছিত ৰেচম শিল্প পুনৰুজ্জীৱিত কৰি নুনি পাট সূতা ৰেহাই হাৰত যোগান ধৰাৰ উপৰি মুগা লেটা ন্যূনতম মূল্যত য়াৰ্ন বেংক কমিটিৰ যোগেদি শুৱালকুছিৰ শিপিনী আৰু চিল্ক ছ'চাইটিক প্ৰদান কৰাৰ বাবে ৫০ লাখ টকা বিশেষভাৱে আছুটীয়াকৈ ৰাখিছে।

ভাৰত চৰকাৰে সামূহিক ৰেচম উন্নয়ন প্ৰকল্পৰ অধীনত দক্ষতা উন্নয়ন প্ৰশিক্ষণৰ বাবে পুঁজিৰ যোগান ধৰিছে। ইয়াৰ জৰিয়তে প্ৰতিটো দলতে ২০

গৰাকী মহিলাসহ ৫০ টা দল গঠনৰে ১০০০ গৰাকী মহিলালৈ সাহায্য আগবঢ়োৱাৰ লগতে গুণগত নুনি পাট উৎপাদনৰ বাবে সকলো দিশতে পাৰদৰ্শী কৰি তোলা হ'ব। এই কাম নৰ্থ-ইষ্ট ৰিজন টেক্সটাইল প্ৰমোচন স্কীম (NER-TPS)ৰ অধীনত কৰা হ'ব। অন্যখন আঁচনি এন ই আৰ টি পি এছ-ৰ অধীনত ২০১৬-১৭ বৰ্ষত ৭ খন জিলাত (৪ খন মুগা আৰু ৩ খন এড়ী) সংহত ৰেচম উন্নয়ন প্ৰকল্প(ISDP)ৰ কামৰ যোগেদি ১,৮০০ জন হিতাধিকাৰীৰ দ্বাৰা গুণগত পাট উৎপাদনৰ কাম হাতত লোৱা হৈছে।

**তথ্য প্ৰযুক্তি ঃ**

ডিজিটেল ইণ্ডিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰি মোৰ চৰকাৰে "ডিজিটেল অসম"ৰ ওপৰত প্ৰাধান্য দিছে। মুকলি প্ৰতিযোগিতাৰ যোগেদি ডিজিটেল অসমৰ ল'গ' বাছনি কৰা হৈছে। ৰাজ্যখনক ডিজিটেলী সাক্ষৰ কৰাৰ বাবে ২০১৬ চনৰ আগষ্টত এখনি অভিলাষী প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। এই প্ৰকল্পৰ দ্বাৰা অহা ৫ বছৰৰ ভিতৰত ৰাজ্যখনৰ ১২৬ টা বিধানসভা সমষ্টিৰ প্ৰতিটো পৰিয়ালৰ কম পক্ষেও এজন ব্যক্তি ডিজিটেলী সাক্ষৰ কৰিবলৈ বিচৰা হৈছে। এতিয়ালৈকে ১,৬৭০ টা প্ৰশিক্ষণ কেন্দ্ৰত ৬৫,০০০ ব্যক্তিক প্ৰশিক্ষিত কৰি এক লাখতকৈও অধিক হিতাধিকাৰীক পঞ্জীয়ন কৰা হৈছে। ২০১৭-১৮ বৰ্ষৰ পৰা অহা ৫ বছৰত ৫ লাখ মানুহক প্ৰশিক্ষণ দিয়াৰ লক্ষ্য লোৱা হৈছে।

গাঁও পঞ্চায়ত আৰু গ্ৰাম্য পৰ্যায়ত ৱাই-ফাই হটস্পট সংযোগ স্থাপনৰ আৰু যোগান ধৰাৰ বাবে ডিজিটেল গ্ৰাম পঞ্চায়ত উদ্যোগ গ্ৰহণ কৰা হৈছে। এখনি পৰীক্ষামূলক প্ৰকল্প কামৰূপ(মেট্ৰ') জিলাৰ অধীনত ক্ষেত্ৰী গাঁও পঞ্চায়তত যোৱা ২০১৬ চনৰ অক্টোবৰ গ্ৰহণ কৰা হৈছে। চলিত বৰ্ষৰ ভিতৰত মাজুলীত ১০০ শতাংশ গাঁও পঞ্চায়তত ৱাই-ফাই হটস্পটেৰে সামৰি লোৱাৰ লগতে কলিয়াবৰৰ এখন গাঁও পঞ্চায়ত ইয়াৰ বাবে লোৱা হৈছে।

ই-ডিষ্ট্ৰীক মিচন ম'ড প্ৰজেক্টৰ অধীনত ৩৩ খন জিলা সামৰি ২১০ টা ৰাজহুৱা সুবিধা প্ৰদান কেন্দ্ৰৰ যোগেদি অন্‌লাইন যোগে ৪৬ টা চৰকাৰী সেৱাৰ যোগান ধৰা হ'ব। এই প্ৰকল্পৰ লক্ষ্য হৈছে জিলা প্ৰশাসন আৰু ইয়াৰ অধীনস্থ কাৰ্যালয়সমূহত এক সংহত মঞ্চ তৈয়াৰ কৰি নাগৰিককেন্দ্ৰিক সেৱা আগবঢ়োৱা।

এতিয়ালৈকে ৪ লাখ ডিজিটেলী স্বাক্ষৰিত প্ৰমাণ পত্ৰ নাগৰিকক প্ৰদান কৰা হৈছে। নতুন জিলাসমূহ মাজুলী, দক্ষিণ শালমাৰা আৰু মানকাছাৰ, বিশ্বনাথ, চৰাইদেউ আৰু হোজাইত অন্‌লাইন যোগে নাগৰিকৰ সেৱা ইতিমধ্যেই আৰম্ভ কৰা হৈছে।

৬টা বিভাগৰ ৱেবছাইট আৰু ইয়াৰ উপ-সংগঠন—বিত্ত, উদ্যোগ আৰু বাণিজ্য, শক্তি, শ্ৰম আৰু কল্যাণ, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন আৰু ৰাজহ বিভাগে এটা নতুন উদ্যোগৰে মানসম্পন্ন ৱেবচাইট ফৰমেট (SWF)ৰ উন্নয়ন সাধন কৰিছে। অন্য বিভাগীয় ৱেবছাইট এছ ডব্লিউ এফ (SWF)ৰ অধীনত সামৰি লৈ মান সম্পন্ন আৰু ব্যৱহাৰ উপযোগী কৰি তোলা হৈছে।

২০১৭ চনত অসমৰ বাবে এক নতুন তথ্য প্ৰযুক্তি নীতি গ্ৰহণ কৰা হ'ব। এই খচৰা নীতিখনৰ ক্ষেত্ৰত শীৰ্ষস্থানীয় শিক্ষাবিদ, উদ্যোগ সংস্থাসমূহ, স্থানীয় উদ্যোগী আৰু চৰকাৰী বিভাগসমূহৰ সৈতে আলোচনা কৰা হৈছে। এই নতুন নীতিয়ে ৰাজ্যখনত আই টি /আই টি ই এছ/বি পিঅ'(IT/ITES/BPO) আৰু বৈদ্যুতীন সঁজুলি উৎপাদনকাৰী উদ্যোগসমূহৰ সংখ্যা বৃদ্ধি কৰিব আৰু বহিঃ বিনিয়োগক আকৰ্ষিত কৰিব, যাৰ দ্বাৰা আমাৰ যুৱক-যুৱতীসকলৰ বাবে নিয়োগ নতুন সা-সুবিধাৰ দুৱাৰ মুকলি হ'ব।

**বিজ্ঞান আৰু প্ৰযুক্তি ঃ**

সৰ্বসাধাৰণৰ মাজত বিজ্ঞানৰ প্ৰসাৰ ঘটোৱাৰ বাবে তথা ৰাজ্যখনত নতুন উৎকৰ্ষতাৰ প্ৰতিষ্ঠান স্থাপনৰ বাবে মোৰ চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তিৰ বহনক্ষম উন্নয়নৰ ওপৰত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে ।

২০১৬ চনৰ নৱেম্বৰ মাহত গুৱাহাটীত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহৰ (২১৯ খন গাঁও পঞ্চায়তত স্থাপিত) ৰাজ্যিক পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হৈ যায়। এই সন্মিলনত বিজ্ঞান আৰু প্ৰযুক্তি ভিত্তিক আৰ্হি প্ৰস্তুতকৰণ, পোষ্টাৰ অংকন, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, ছাত্ৰ-ছাত্ৰীৰ প্ৰতিপালন আৰু গুৰুৰ দায়িত্ব গ্ৰহণ, ৰবট বিজ্ঞান আৰু উদ্ভাৱন, টেলিস্কোপৰ সন্দৰ্ভত উচ্চতৰৰ প্ৰশিক্ষণ, ভ্ৰাম্যমাণ বিজ্ঞান পৰীক্ষাগাৰলৈ প্ৰদৰ্শনমূলক ভ্ৰমণ আৰু 'ছেণ্ড এনিমেশ্যন'ৰ দৰে কাৰ্যসূচী আয়োজন কৰা হয়।

২৫ খন ৰাজ্যৰ বিজ্ঞান আৰু প্ৰযুক্তি পৰিষদৰ অংশ গ্ৰহণেৰে ২০১৬ চনৰ ছেপ্তেম্বৰত গুৱাহাটীত সৰ্বভাৰতীয় ৰাজ্যিক বিজ্ঞান আৰু প্ৰযুক্তি পৰিষদসমূহৰ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত ৰাজ্যৰ উদ্ভাৱকসকলৰ দ্বাৰা 'আইডিয়াজ টু এক্সন ঃ লেট্ আছ গ্ৰ' উইথ ইন'ভেশ্যন' বিষয়ক এক প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়। ২০১৬ চনৰ ডিচেম্বৰত অসম ৰাজ্যিক মহাকাশ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত ৰাজ্য চৰকাৰৰ ২৪ টা প্ৰধান বিভাগৰ সৈতে আলাপ-আলোচনাৰ জৰিয়তে ৫০ টা সম্ভাব্য সেৱা অঞ্চল চিনাক্ত কৰা হৈছে।

ৰাজ্যখনত সাজু হৈ উঠিবলগীয়া উৎকৰ্ষতাৰ প্ৰতিষ্ঠানসমূহৰ ভিতৰত আছে বিজ্ঞান নগৰী আৰু জৈৱ -প্ৰযুক্তি উদ্যান। গুৱাহাটীৰ সমীপৰ টেপেচিয়া গাঁৱত বিজ্ঞান নগৰী নিৰ্মাণৰ কাম আৰম্ভ হৈছে। এই বিজ্ঞান মহানগৰখনে ৰাজ্যখনত বিজ্ঞান আৰু প্ৰযুক্তিৰ এক মানসিকতা সৃষ্টিত অৰিহণা যোগাব। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ই এক বৈজ্ঞানিক তথা পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰৰূপে পৰিগণিত হ'ব। বায়'টেক পাৰ্কৰ বাবে গুৱাহাটীৰ আমিনগাঁৱত ভূমি প্ৰদান কৰা হৈছে। বৰ্তমানে গুৱাহাটী বায়'টেক পাৰ্কৰ লীজত দিয়া পৰীক্ষাগাৰৰ স্থানত গৱেষণা আৰু উন্নয়নমূলক কাম-কাজ অনুষ্ঠিত কৰা হৈছে। ইয়াৰ প্ৰথমখন নিউজলেটাৰ 'নৰ্থ-ইষ্ট বায়'লাইন' ৰ প্ৰকাশ ২০১৬ চনৰ জুলাই মাহত আৰম্ভ হৈছে। উদ্যোগ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ সহযোগিতাৰ সম্ভাৱনীয়তা অন্বেষণৰ বাবে আৰু উত্তৰ-পূব ভাৰতৰ জৈৱ-প্ৰযুক্তি আৰু সংশ্লিষ্ট ক্ষেত্ৰসমূহত ঔদ্যোগিক প্ৰচেষ্টাক উৎসাহিত কৰাৰ বাবে ২০১৭ চনৰ জানুৱাৰীত দ্বিতীয় অসম জৈৱ-প্ৰযুক্তি সন্মিলন অনুষ্ঠিত কৰা হয়।

নলবাৰী, উত্তৰ লখিমপুৰ আৰু কোকৰাঝাৰত নতুন তাৰকাগৃহ সম্বন্ধীয় কাম-কাজসমূহ এই বছৰৰ ভিতৰতে সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ চৌহদত এক 'উদ্ভাৱনীমূলক হাব' স্থাপনৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। মাজুলী, কলিয়াবৰ, আমিনগাঁও, বঙাইগাঁও, ডিফু আৰু শিলচৰত ছয়টা অতিৰিক্ত তাৰকাগৃহ স্থাপনৰ পৰিকল্পনা কৰা হৈছে।

সৌৰ শক্তি চালিত প্লেণ্টৰ স্থাপন আৰু মেৰামতিৰ ওপৰত আই টি আই পাছ কৰা প্ৰাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদানৰ অৰ্থে এ.ই.ডি এ.-য়ে ৰাষ্ট্ৰীয় সৌৰ শক্তি

প্ৰতিষ্ঠানৰ সহযোগত ৩ খন 'সূৰ্য্যামিত্ৰ দক্ষতা বিকাশ আঁচনি'-সম্পূৰ্ণৰূপে ৩ মহীয়া আৱাসিক কাৰ্যসূচী হাতত লোৱা হৈছিল।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ**

আমাৰ সমাজত মানৱ উন্নয়ন সূচকৰ মাপ হিচাপে চৰকাৰৰ স্বাস্থ্য খণ্ডটো হৈছে এটা অতি গুৰুত্বপূৰ্ণ খণ্ড। এতিয়াও আমি পৰ্য্যাপ্ত আন্তঃগাঁথনি আৰু সা-সজুলিৰ অভাৱ, চিকিৎসক আৰু নাৰ্ছৰ নাটনি আদিৰ লেখীয়া বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আছো। শেহতীয়াকৈ, এনেধৰণৰ সমস্যাবোৰ সমাধানৰ জৰিয়তে মোৰ চৰকাৰে স্বাস্থ্য খণ্ডটোৰ উন্নয়ন সাধনৰ বাবে কঠোৰ শ্ৰম কৰি আছে। অৱশ্যে এই কাম আৰম্ভহে হৈছে আৰু ইয়াৰ বাবে যথেষ্ট কৰিব লগীয়া আছে।

আমাৰ অতি প্ৰিয় নেতা তথা ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ নামত মোৰ চৰকাৰে সমগ্ৰ ৰাজ্যজুৰি "অটল অমৃত অভিযান"নামৰ এখন অতি জনপ্ৰিয় স্বাস্থ্য নিশ্চিত আঁচনি ৰূপায়ণ কৰিবলৈ লৈছে। এই নতুন আঁচনিখনৰ মূল উদ্দেশ্য হৈছে— ৬ টা নিৰ্দিষ্ট ৰোগৰ ক্ষেত্ৰত দাৰিদ্ৰ সীমা ৰেখাৰ তলৰ পৰিয়াল আৰু দাৰিদ্ৰ সীমা ৰেখাৰ ওপৰৰ (যিসকলৰ বাৰ্ষিক আয় ৫ লাখ টকা) পৰিয়াললৈ গুণগত তিনিতৰপীয়া চিকিৎসাৰ সুবিধা প্ৰদান। এই ৰোগসমূহ হৈছে (i) হৃদ ৰোগ, (ii) কৰ্কট ৰোগ, (iii) বৃক্কৰ ৰোগ, (iv) নৱ-জাতকৰ ৰোগ, (v) স্নায়ুজনিত  ৰোগ আৰু (vi) জুয়ে পোৱাৰ ক্ষেত্ৰত। শল্য চিকিৎসা আৰু থেৰাপীৰ প্ৰয়োজন হোৱা তথা হাস্পতালত থোৱাৰ প্ৰয়োজনীয়তা থকা ৰোগীসকললৈ এই চিকিৎসা সেৱা আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে ৰাজ্যখনৰ ভিতৰৰ আৰু বাহিৰৰ কেতবোৰ নিৰ্বাচিত হাস্পতালতহে এই চিকিৎসা সেৱা আগবঢ়োৱা হ'ব।

ৰাজ্যখনৰ চাহ বাগিচা এলেকাসমূহত উন্নত স্বাস্থ্য সেৱা আগবঢ়াবলৈ মোৰ চৰকাৰে বিভিন্ন কৌশল হাতত লৈছে। ৰোগ নিৰ্ণয়ৰ সুবিধাৰ সৈতে ব্যাপক প্ৰাথমিক স্বাস্থ্য সেৱাৰ সুবিধা আগবঢ়াবলৈ এই ব্যৱস্থাৰে মোৰ চৰকাৰে ৮০ টা উৎসৰ্গীকৃত মোবাইল ইউনিট নিযুক্তি কৰিছে। ইয়াৰ উপৰিও চাহ বাগিচাৰ লোকসকললৈ উন্নত চিকিৎসা সেৱা আগবঢ়াবলৈ ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ ধৰণৰ অধীনত ১৫০ খন চাহ বাগিচা চিকিৎসালয় হাতত লৈছে।

প্ৰসূতিৰ মৃত্যুৰ হাৰ অধিক হ্ৰাস কৰিবলৈ প্ৰতি মাহৰ ৯ তাৰিখে গৰ্ভৱতী মহিলাসকলক তেওঁলোকৰ গৰ্ভাৱস্থাৰ দ্বিতীয় আৰু তৃতীয় ত্ৰিমাষিক (Trimester) কালছোৱাত এগৰাকী চিকিৎসক অথবা স্ত্ৰীৰোগ বিশেষজ্ঞৰ দ্বাৰা অন্ততঃ এবাৰ প্ৰসৱৰ পূৰ্বৰ স্বাস্থ্য পৰীক্ষা সুনিশ্চিত কৰাৰ বাবে ৰাজ্যখনত প্ৰধান মন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযানো ৰূপায়ণ কৰি থকা হৈছে। ৰাজ্যখনত টীকাকৰণৰ দ্বাৰা অধিকভাৱে সামৰি লোৱাৰ বাবে ২০১৬ চনৰ ২৯ ছেপ্তেম্বৰৰ পৰা বিশেষ টীকাকৰণ অভিযানৰ তিনিটা পৰ্যায় অনুষ্ঠিত কৰা হৈছে। ইয়াৰ উপৰি চিকিৎসাজনিত ব্যয় হ্ৰাস কৰাৰ জৰিয়তে অসমৰ ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰে বিনামূলীয়া ৰোগ নিৰ্ণয় সেৱা (পৰীক্ষাগাৰৰ সা-সুবিধা, এক্সৰে আৰু চিটি স্কেন) আৰম্ভণৰ প্ৰক্ৰিয়া চলাই আছে। তদুপৰি আমাৰ চৰকাৰে অসমৰ ২৭ খন জিলাত ডায়েলাইচিচ কাৰ্যসূচী আৰম্ভ কৰিবলৈ লৈছে।

আমাৰ চৰকাৰে ৰাজ্যখনত অসম আৰোগ্য নিধিও পুনৰুজ্জীৱিত কৰিছে। ২০১৬-১৭ বৰ্ষত (২০১৬ ৰ নৱেম্বৰ পৰ্যন্ত) ২০০০ তকৈ অধিক হিতাধিকাৰীয়ে বিত্তীয় সাহায্য লাভ কৰিছে। ২০১৬ চনৰ ২ অক্টোবৰত ১,৯৭৮ গৰাকী হিতাধিকাৰীৰ মাজত অসম আৰোগ্য নিধিৰ চেক্ বিতৰণ কৰা হৈছিল।

অসমৰ ৪.৮০ লাখ লোক (২০১১ লোক পিয়লৰ তথ্য মতে) কিবা নহয় কিবা এটা অক্ষমতাত ভুগি থকা বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। অসমত সকলো বিশেষভাৱে সক্ষম শিশুক চিকিৎসা/ পুনৰসংস্থাপন দিবলৈ এক ব্যাপক অক্ষমতা ব্যৱস্থাপনা আঁচনি যুগুত কৰি থকা হৈছে। অক্ষম শিশুৰ ব্যাপক ব্যৱস্থাপনা কাৰ্যসূচীৰ অংশ হিচাপে ২০১৬ চনৰ ছেপ্তেম্বৰ মাহৰ পৰা সমগ্ৰ ৰাজ্যখনৰ প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰ আৰু প্ৰত্যেকখন বিদ্যালয়ৰ ০-১৮ বছৰৰ বয়সৰ সকলো ল'ৰা-ছোৱালীৰ বাবে বিশেষ আগতীয়া চিনাক্তকৰণ অভিযান চলোৱা হৈছিল। ৰোগত আক্ৰান্ত (যেনে-শ্ৰৱন শক্তি হ্ৰাস পোৱা, দৃষ্টি শক্তি হ্ৰাস পোৱা ইত্যাদি) ৩.১ লাখতকৈ অধিক শিশুক আৰম্ভণিতে চিনাক্ত কৰা হৈছে। সকলো প্ৰাথমিক স্বাস্থ্য সেৱা কেন্দ্ৰ/সমূহীয়া স্বাস্থ্য কেন্দ্ৰ/জিলা চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিনাক্তকৰণ শিশুসকলৰ ৰোগ নিৰ্ণয়, চিকিৎসা আৰু পুনৰ সংস্থাপন ব্যৱস্থা হাতত লোৱা হৈছে। মোৰ চৰকাৰে সকলো ৰোগ

নিৰ্ণয়কাৰী শিশুক বিনামূলীয়াকৈ সাহায্য, সা-সঁজুলি, চিকিৎসা আৰু পুনৰ সংস্থাপনৰ সুবিধা আগবঢ়াব।

মোৰ চৰকাৰে ২০১৬-১৭ বৰ্ষত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অন্তৰ্গত নতুন জিলা চিকিৎসালয় স্থাপন, মাজুলী, বিশ্বনাথ চাৰিআলি, সোণাৰী, হাটশিঙিমাৰী আৰু হামৰেণৰ ৫ খন মহকুমা অসামৰিক হাস্পতাল জিলা হাস্পতাললৈ উন্নীতকৰণৰ লেখীয়া বিভিন্ন আন্তঃগাঁথনি উন্নয়ন আঁচনিও হাতত লৈছে। তদুপৰি ৭ টা নতুন ব্লাড বেংক গোট আৰু শিলচৰ, ডিফু, কোকৰাঝাৰ, পানেৰী আৰু মাজবাটত ৫ খন নতুন আদৰ্শ চিকিৎসালয় স্থাপনৰ কাম হাতত লোৱা হৈছে।

ছখন চিকিৎসা মহাবিদ্যালয়ৰ উপৰি ভাৰত চৰকাৰে আন ৪ খন চিকিৎসা মহাবিদ্যালয় স্থাপনত অনুমোদন জনাইছে। এইকেইখন ডিফু, ধুবুৰী, নগাঁও আৰু উত্তৰ লখিমপুৰস্থিত ২০০ খন বিচনাযুক্ত জিলা ৰেফাৰেল হাস্পতাল স্থাপন কৰা হ'ব। ইয়াৰ উপৰি মোৰ চৰকাৰে কোকৰাঝাৰত আন এখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ লৈছে। বৰ্তমানলৈ এম বি বি এচৰ আসনৰ সংখ্যা ৩৯১ খনৰ পৰা ৭২৬ খনলৈ আৰু স্নাতকোত্তৰ আসনৰ সংখ্যা ২৪৬ খনৰ পৰা ৩৩৯ খনলৈ বৃদ্ধি পাইছে। অতি বিশেষীকৃত (Superspeciality) বিষয়ৰ ডি এম/এম.চি এইচ (D.M/M.Ch) পাঠ্যক্ৰম গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৯ টা বিষয়ৰ বাবে আৰম্ভ কৰা হৈছে। আঞ্চলিক নাৰ্চিং মহাবিদ্যালয়, গুৱাহাটীত নাৰ্চিঙৰ M.Sc পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে।

জনসাধাৰণলৈ উন্নত স্বাস্থ্যসেৱা প্ৰদানৰ উদ্দেশ্যে সকলোবোৰ চিকিৎসা মহাবিদ্যালয়ত বিভিন্ন অত্যাধুনিক সা-সৰঞ্জাম ক্ৰয় কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২০০ খন বিচনাযুক্ত কৰ্কট চিকিৎসালয়খন শীঘ্ৰে মুকলি কৰা হ'ব আৰু এই ৰোগৰ কাৰ্যকৰী চিকিৎসাৰ বাবে শেহতীয়া অত্যাধুনিক সা-সৰঞ্জাম ক্ৰয় কৰি থকা হৈছে।

শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়, অসম ইতিমধ্যে কাৰ্যক্ষম হৈছে আৰু ৰাজ্যখনৰ সকলোবোৰ চিকিৎসা প্ৰতিষ্ঠান এই বিশ্ববিদ্যালয়খনৰ আওতালৈ অনা হৈছে। বিভিন্ন পাঠ্যক্ৰমৰ প্ৰাৰ্থী বাছনিৰ বাবে অনুষ্ঠিত কৰা প্ৰৱেশ পৰীক্ষা এই বিশ্ববিদ্যালয়খনে পৰিচালনা কৰে।

এল'পেথিক চিকিৎসকৰ অৱসৰ বয়স ৬৫ বছৰলৈ বৃদ্ধি কৰা হৈছে। জি এম চি এইচ-ত অমৃত ফাৰ্মাচী মুকলি কৰা হৈছে আৰু অসমৰ আটাইকেইখন চিকিৎসা মহাবিদ্যালয়তে উৎসৰ্গীকৃত সান্ধ্য বহিঃসেৱা বিভাগ চলি আছে।

অসমে ২০১৫ চনৰ ডিচেম্বৰ মাহত ক্লিনিকেল এষ্টাব্লিচমেন্ট (ৰেজিষ্ট্ৰেচন এণ্ড ৰেগুলেচন) এক্ট, ২০১০ খন গ্ৰহণ কৰিছে আৰু আচাম ক্লিনিকেল এষ্টাব্লিচমেন্ট (ৰেজিষ্ট্ৰেচন এণ্ড ৰেগুলেচন) ৰুল, ২০১৬ খন ২০১৬ চনৰ ১৪ অক্টোবৰত অধিসূচিত কৰা হৈছে আৰু ইয়াক ৰূপায়ণ কৰি থকা হৈছে। এই আইনখনৰ ৰূপায়ণে ৰাজ্যখনত সেৱাসমূহৰ সামগ্ৰিক মান সন্দেহাতীতভাৱে উন্নীত কৰিব আৰু বিশেষকৈ ব্যক্তিগত খণ্ডত স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত স্বচ্ছতা আনিব। এই আইন গ্ৰহণ কৰা দেশৰ ১০ খন ৰাজ্যৰ ভিতৰত অসমো আছে।

ভাৰত চৰকাৰৰ নীতি নিৰ্দেশনা অনুযায়ী ৰাষ্ট্ৰীয় আয়ুস মিছনৰ ৰাজ্যিক আয়ুস সমিতিখন ২০১৫ বৰ্ষত গঠন কৰা হৈছে। বাজেট ঘোষণাৰ অংশ হিচাপে ৰাজ্যখনত এখন সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান (AIIA) স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে।

মাজুলী আৰু দুধনৈত ৫০ খন বিচনাযুক্ত দুখন আয়ুৰ্বেদিক হাস্পতাল নিৰ্মাণৰ যাৱতীয় পদক্ষেপ লোৱা হৈছে আৰু ইয়াৰ কাম শীঘ্ৰে আৰম্ভ হ'ব। ৰাজ্যখনৰ সাধাৰণ জনতালৈ যোগৰ উপকাৰিতা প্ৰসাৰৰ উদ্দেশ্যে ১০০ টা যোগ কেন্দ্ৰ স্থাপনৰ বাবে বিভিন্ন জিলাৰ ১০০ টা খণ্ড বাছনি কৰা হৈছে। চৰকাৰী আয়ুৰ্বেদিক হাস্পতালসমূহৰ বৰ্তমানে থকা আন্তঃগাঁথনি উন্নীতকৰণৰ অৰ্থে পুঁজি আচুতীয়াকৈ ৰখা হৈছে আৰু কাম-কাজ পৰ্যায়ক্ৰমে কৰি থকা হৈছে।

এইড্ছৰ ক্ৰমবৰ্দ্ধমান ভাবুকি প্ৰতিহত কৰাৰ উদ্দেশ্যে সজাগতা সৃষ্টিৰ বাবে ৰাজ্যখনৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত ২৪৬ টা ৰেড ৰিবন ক্লাব (RRC) গঠন কৰা হৈছে আৰু এইচ আই ভি-ৰ পৰামৰ্শৰ বাবে ৩২৯ টা সংহত পৰামৰ্শ প্ৰদান আৰু পৰীক্ষণ কেন্দ্ৰ (ICTCs) স্থাপন কৰা হৈছে আৰু এইবোৰ কাৰ্যক্ষম হৈ আছে। অতি বিপদ প্ৰৱণ গোট তথা বাহিৰৰ পৰা অহা লোকৰ মাজত সাহায্যৰ বাবে অসমত বেচৰকাৰী সংস্থাসমূহে চলোৱা ৫১ টা লক্ষ্য নিৰ্দ্ধাৰিত ইন্টাৰভেঞ্চন প্ৰজেক্ট (Intervention Project) কাৰ্যক্ষম হৈ

আছে। ২১,০০০ তকৈ অধিক অতি বিপদ প্ৰৱণ লোক আৰু ৩৫,০০০ গৰাকী বাহিৰৰ পৰা অহা লোকক সামৰি লোৱা হৈছে।

অসমত ৬৭ টা অনুজ্ঞাপত্ৰ থকা ব্লাড বেংক কাৰ্যক্ষম হৈ আছে, ইয়াৰে ২৬ টা এন এ চি অ' (NACO) ৰ সাহায্যপ্ৰাপ্ত ব্লাড বেংক আৰু ৪১ টা এন এ চি অ'ৰ সাহায্যবিহীন/ ব্যক্তিগত ব্লাড বেংক। ২০১০-১১ বৰ্ষৰ পৰা জি এম চি এইচ ব্লাড বেংকত এখন ৰক্ত পৰিবহণকাৰী বাছ আৰু এন এ চি অ'ৰ সাহায্যপ্ৰাপ্ত ৬ টা চৰকাৰী ব্লাড বেংকত ৬ খন ৰক্ত পৰিবহণকাৰী বাহন কাৰ্যক্ষম হৈ আছে। ব্লাড বেংকিং ব্যৱস্থাটোৰ সম্পূৰ্ণ স্বয়ংক্ৰিয়কৰণৰ বাবে ২০১৬ চনৰ ১ ডিচেম্বৰত বিশ্ব এইড্ছ দিৱসৰ দিনটোত ই-ব্লাড বেংকিং ছিষ্টেম আৰম্ভ কৰা হৈছে।

এইড্ছৰ দ্বাৰা প্ৰভাৱিত/সংক্ৰমিত অনাথৰ বাবে কস্তুৰী সেৱা ভৱন নামৰে এটা বিশেষ সেৱা ভৱন স্থাপন কৰা হৈছে। সম্প্ৰতি তাত ১৬ গৰাকী অনাথ আশ্ৰয় লৈ আছে।

এইড্ছৰ বাবে মৃত্যু হোৱা লোকৰ বিধৱালৈ ১ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য (অনুদান) প্ৰদান কৰা হৈছে। বৰ্তমানলৈ মুঠ ৩৪৪ গৰাকী বিধৱাই এই অনুদান লাভ কৰিছে। ইয়াৰে ৫২ গৰাকীয়ে চলিত বিত্তীয় বৰ্ষত এই অনুদান লাভ কৰিছে।

**শিক্ষা ঃ**

**উচ্চ শিক্ষা**

মোৰ চৰকাৰে ২০১৬-১৭ বিত্তীয় বৰ্ষত মহাবিদ্যালয়সমূহত বিভিন্ন উন্নয়নমূলক কাম-কাজ কৰাৰ বাবে পৰিকল্পনা শিতানত ২৪৫ কোটি টকা ধাৰ্য কৰিছে আৰু বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ ১৫,১৪৫ গৰাকী কৰ্মচাৰীৰ দৰমহা প্ৰদান আৰু পৰিশোধ কৰিবলগীয়া ধনৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত প্ৰায় ১,৬২৬ কোটি টকা ধাৰ্য কৰা হৈছে।

চলিত বিত্তীয় বৰ্ষত, বাৰ্ষিক আয় ১ লাখ টকা বা তাৰ কম হোৱা পৰিয়ালৰ ১,৩৮,০০০তকৈ অধিক ছাত্ৰ-ছাত্ৰীৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বছৰ আৰু স্নাতক

প্ৰথম বাৰ্ষিকৰ ভৰ্ত্তি মাচুল ৰেহাই দিয়াৰ ৩০০ খন ডিগ্ৰী মহাবিদ্যালয়ৰ বাবে প্ৰয়োজন হোৱা প্ৰায় ৪৪ কোটি টকা পৰিশোধ কৰা হৈছে।

মোৰ চৰকাৰে, বৰপেটা, বিহপুৰীয়া আৰু হোজাই মহাবিদ্যালয় কেইখন উন্নীত কৰি তিনিখন নতুন বিশ্ববিদ্যালয় গঠনৰ সিদ্ধান্ত লৈছে। প্ৰস্তাৱিত বিশ্ববিদ্যালয় কেইখন চূড়ান্ত কৰাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়, নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃতি আৰু পৌৰাণিক অধ্যয়ন বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষা বিভাগৰ সঞ্চালকক লৈ এখন সমিতি গঠন কৰি দিয়া হৈছে।

মোৰ চৰকাৰে কটন মহাবিদ্যালয়/ডিফু মহাবিদ্যালয়ৰ লেখীয়াকৈ মাজুলীত এখন চৰকাৰী স্নাতক পৰ্যায়ৰ মহাবিদ্যালয় স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে। প্ৰস্তাৱিত স্নাতক পৰ্যায়ৰ মহাবিদ্যালয়খনৰ বাবে ভূমি আবন্টন দিয়া আৰু নক্সা প্ৰস্তুত কৰাৰ বাবে কাম হাতত লোৱা হৈছে। মোৰ চৰকাৰে মাজুলী মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ বাবে ব্যৱস্থা হাতত লৈছে।

মোৰ চৰকাৰে দেশৰ ৫ খন শীৰ্ষ বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠাৰ বাবে সিদ্ধান্ত লৈছে। এই উদ্দেশ্যে চলিত বাজেটত ৫ কোটি টকা ধাৰ্য কৰা হৈছে। চিনাক্ত কৰি উলিওৱা পাঁচখন বিশ্ববিদ্যালয়ে মোৰ চৰকাৰৰ প্ৰস্তাৱত সন্মতি প্ৰদান কৰিছে।

মোৰ চৰকাৰে পশ্চিম বংগৰ শান্তি নিকেতনৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উন্নয়নৰ বাবে ১০ লাখ টকা অনুমোদন দিছে।

মোৰ চৰকাৰে ইন্দিৰা মামণি ৰয়চম গোস্বামীয়ে শিক্ষকতা কৰা দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাষা বিভাগত তেখেতৰ স্মৃতিত এটি বক্তৃতা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

মোৰ চৰকাৰে স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিয়োগৰ সুবিধা প্ৰদানৰ বাবে স্নাতক পৰ্যায়ৰ মহাবিদ্যালয়সমূহত কাৰিকৰী বিষয় খোলাৰ বাবে সিদ্ধান্ত লৈছে আৰু ইয়াৰ বাবে ২০১৬-১৭ বৰ্যত ১২০ লাখ টকা প্ৰদান কৰা হৈছে।

মোৰ চৰকাৰে উচ্চ শিক্ষাৰ দিশত ছাত্ৰ-ছাত্ৰীসকলক বেংক ঋণ লোৱাৰ ক্ষেত্ৰত শতকৰা ৫০ শতাংশ ৰাজ সাহায্য দিবলৈ সিদ্ধান্ত লৈছে। ২০১৬-১৭ বৰ্ষৰ বাজেটত এই উদ্দেশ্যে ৫০ লাখ টকা ধাৰ্য কৰা হৈছে।

মোৰ চৰকাৰে চলিত বিত্তীয় বৰ্ষত ৩৬ খন স্নাতক মহাবিদ্যালয়লৈ গাইপতি ৫০ লাখ টকাকৈ আন্তঃগাঁথনি অনুদান মোকলাই দিছে।

মোৰ চৰকাৰে ৰাজ্যখনত স্থাপন কৰা ১২ খন আদৰ্শ ডিগ্ৰী মহাবিদ্যালয়ৰ ভিতৰত অহা বৰ্ষত ৫ খন মহাবিদ্যালয়ে শিক্ষা বৰ্ষ আৰম্ভ কৰিবলৈ সিদ্ধান্ত লৈছে।

**কাৰিকৰী শিক্ষা**

ৰাজ্যখনত কাৰিকাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে মোৰ চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। ২০১৬-১৭ বৰ্ষত হাতত লোৱা নিম্নোক্ত পদক্ষেপসমূহে ইয়াৰেই প্ৰমাণ দাঙি ধৰে ঃ

(i) গোৱালপাৰা, বৰপেটা, মঙলদৈ, কৰিমগঞ্জ, হাইলাকান্দি, ৰহা (নগাঁও), নলবাৰী, ঢেকীয়াজুলি, উত্তৰ লখিমপুৰ, তিনিচুকীয়া, ডিমৌ (শিৱসাগৰ), বেলগুৰি পথাৰ (বাক্চা), বাইহাটা চাৰিআলি, ফৰকাটিং (গোলাঘাট), ধুবুৰী, মৰিগাঁও, হাফলং, ধেমাজি, ওডালগুৰি, বিজনী, বৈঠালাংচু (কাৰ্বি আংলং) জিলাক সামৰি অসমৰ সামৰি নোলোৱা আৰু সামৰি লোৱা জিলাসমূহত ২১ খন নতুন পলিটেকনিক নিৰ্মাণৰ কাম চলি আছে।

(ii) গোৱালপাৰা, বৰপেটা, কৰিমগঞ্জ, নলবাৰী, ঢেকীয়াজুলি, উত্তৰ লখিমপুৰ, ডিমৌ (শিৱসাগৰ), বেলগুৰি পথাৰ (বাক্চা), বাইহাটা চালিআলি, ফৰকাটিং (গোলাঘাট) আৰু ধেমাজি এই ১১ খন নতুন পলিটেকনিকৰ শৈক্ষিক বৰ্ষ ২০১৭ চনৰ পৰা আৰম্ভ কৰিবলৈ সকলো ধৰণৰ পদক্ষেপ লোৱা হৈছে। এই ১১ খন নতুন পলিটেকনিকৰ কাম-কাজ এই বছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। এই পলিটেকনিকসমূহৰ শিক্ষক আৰু কৰ্মচাৰীৰ পদসমূহ সৃষ্টি কৰা হৈছে। এই পলিটেকনিক সমূহত বিজ্ঞানাগাৰ, কৰ্মশালা, পুথিভঁৰাল আদি স্থাপন কৰা হ'ব যাতে অতি শীঘ্ৰে শৈক্ষিক বৰ্ষ আৰম্ভ কৰিব পৰা যায়।

(iii) কৰিমগঞ্জত বৰাক ভেলী অভিযান্ত্ৰিক মহাবিদ্যালয় (BVEC), গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়— এই তিনিখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য আগবাঢ়িছে। ২০১৭ চনৰ আগষ্ট মাহৰ পৰা বৰাক ভেলী অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ শৈক্ষিক বৰ্ষ আৰম্ভ কৰাৰ বাবে সকলো ধৰণৰ পদক্ষেপ হাতত লোৱা হৈছে। গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়ক ২০১৮ বৰ্ষত কাৰ্যক্ষম কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

(iv) বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়, কোকৰাঝাৰ আৰু যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানক সম্পূৰ্ণ চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়লৈ ৰূপান্তৰ কৰা হৈছে।

(v) অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ বিশ্ববিদ্যালয় আৰু ৰাজ্য চৰকাৰক প্ৰতিনিধিত্ব কৰা অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ মাজত সহযোগিতামূলক প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। নিৰ্মাণ ব্যৱস্থাপনাৰ সামৰ্থ্য আৰু দক্ষতা বৃদ্ধিৰ মানসেৰে হাতত লোৱা এই প্ৰকল্পটোত থকা উপাদানসমূহ হ'ল ঃ শিক্ষকৰ উন্নয়ন আৰু শিক্ষকৰ বিনিময় ঃ দুমাহৰ বাবে ৮ গৰাকী শিক্ষকৰ মেলবৰ্ণ বিশ্ববিদ্যালয়ৰ ভ্ৰমণসহ বিনিময়। পাঠ্যক্ৰমৰ বিকাশ, শিক্ষা ঃ উন্নত নিৰ্মাণ ব্যৱস্থাপনাৰ ক্ষেত্ৰত দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰৱৰ্তন; নিৰ্মাণ উদ্যোগৰ সৈতে জড়িত কৰ্মৰত কৰ্মচাৰীসকলৰ বাবে প্ৰয়োজন ভিত্তিক চুটি পাঠ্যক্ৰম। গৱেষণা ঃ দুজন গৱেষক ছাত্ৰই স্থানীয় বিষয়সমূহৰ ওপৰত কাম কৰিব ; গৃহ নিৰ্মাণৰ বিষয়সমূহ হৈছে এই প্ৰকল্পৰ মূল লক্ষ্য। বানপ্ৰৱণ অঞ্চলৰ বাবে এটা আদৰ্শ গৃহ নিৰ্মাণ আৰু ইয়াৰ প্ৰদৰ্শন।

(vi) অসম অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় যথাক্ৰমে প্ৰায় ৬০ বছৰ আৰু ৫৫ বছৰৰ আগতে স্থাপন কৰা হৈছিল। ৰাজ্যখনৰ এই দুখন অগ্ৰণী প্ৰতিষ্ঠানৰ সমগ্ৰ কায়িক আৰু শৈক্ষিক আন্তঃগাঁথনিৰ উন্নয়ন আৰু আধুনিকীকৰণৰ প্ৰয়োজনীয়তা মোৰ চৰকাৰে উপলব্ধি কৰিছে। মোৰ চৰকাৰে অসম অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু

যোৰহাট অভিযান্ত্রিক মহাবিদ্যালয়ক উৎকর্ষতাৰ কেন্দ্র হিচাপে উন্নীতকৰণ কৰিবলৈ প্রস্তাৱ কৰিছে আৰু পর্যায়ক্রমে উল্লেখযোগ্য অনুদানৰ আবণ্টন দিয়া হ'ব।

**মাধ্যমিক শিক্ষা**

অসমৰ মাধ্যমিক শিক্ষাৰ গুণগত মানৰ সৰ্বাংগীণ উন্নয়নৰ বাবে ২০১৬-১৭ বৰ্ষৰ বাজেট ঘোষণাত কিছুসংখ্যক নতুন আঁচনি /কাৰ্যসূচী প্ৰৱৰ্তন কৰা হেতুকে ২০১৬-১৭ বৰ্ষটো এটা উল্লেখযোগ্য বছৰ হিচাপে বিবেচিত হৈছে।

প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পথ প্ৰদৰ্শকৰ সহায় আগবঢ়োৱাৰ অৰ্থে মোৰ চৰকাৰে চলিত বৰ্ষত "আৰোহণ" (AAROHAN) নামৰ এখন নতুন আঁচনি প্ৰৱৰ্তন কৰিছে।

অৰ্থনৈতিকভাৱে পিচপৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ আৰু আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰিবলৈ চলিত বৰ্ষত অসমৰ প্ৰাদেশীকৃত/চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা কনিষ্ঠ মহাবিদ্যালয়সমূহত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ পৰা নামভৰ্তি মাচুল, পাঠদান মাচুল আৰু অন্যান্য মাচুলকে ধৰি মাচুল ৰেহাইৰ বাবে মোৰ চৰকাৰে পদক্ষেপ লৈছে। এই আঁচনিয়ে পিতৃ-মাতৃৰ বাৰ্ষিক আয় নিৰ্বিশেষে শাৰীৰিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীসকলকো সামৰি লৈছে। একেদৰে চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষা মাচুল ৰেহাই দিয়া হৈছে।

অহা শৈক্ষিক বৰ্ষৰ পৰা নৱম আৰু দশম শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীকে বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰিবলৈও মোৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই আঁচনিখনে সকলো চৰকাৰী/প্ৰাদেশীকৃত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়, সকলো চাহ বাগিচা/স্থানীয় নিকায়ৰ বিদ্যালয়, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনৰ সকলো আদৰ্শ বিদ্যালয় আৰু কোনো এসময়ত বিত্তীয় উদগণি লাভ কৰা অপ্ৰাদেশীকৃত বিদ্যালয়সমূহক সামৰি ল'ব। এই আঁচনিখন পৰৱৰ্তী বৰ্ষতো অব্যাহত থাকিব আৰু নৱমৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ বিষয়েও বিবেচনা কৰি থকা হৈছে।

বিদ্যালয়সমূহৰ মানসম্পন্ন শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ অনুপাত, কৰ্মচাৰীৰসকলৰ ফলপ্ৰসূ সেৱা, প্ৰশাসনীয় ব্যয় কমোৱা তথা অন্যান্য সৰ্বতোপ্ৰকাৰৰ সা-সুবিধা সুনিশ্চিত কৰাৰ উদ্দেশ্যে একে চৌহদতে থকা বিদ্যালয়সমূহ অথবা ওচৰৰ এলেকাত থকা বিদ্যালয়সমূহ সংযুক্ত /চামিল কৰা হ'ব আৰু বিভিন্ন বিদ্যালয়ৰ সংযুক্তকৰণ তথা চামিলকৰণৰ এক আঁচনি শিক্ষাক্ষেত্ৰৰ অধীনৰ এক একক প্ৰশাসনীয় আৰু শৈক্ষিক গোটৰ অধীনলৈ অনা হ'ব।

পূৰ্বৰ বছৰসমূহৰ দৰে এইবাৰো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতামূলক মানসিকতাৰ বিকাশ ঘটোৱাৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষা/হাইমাদ্ৰাছা পৰীক্ষাত প্ৰথম বিভাগ লাভ কৰা সকলক 'আনন্দৰাম বৰুৱা নগদ ধন তথা লেপটপ বঁটা আঁচনি'ৰ অধীনত বিনামূলীয়া লেপটপ প্ৰদান কৰা হ'ব। চলিত বৰ্ষত ইয়াৰ অধীনত মুঠ ৫৬,৯০০ গৰাকী হিতাধিকাৰীৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

লিংগ সংবেদনশীলতা হ্ৰাস কৰাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষসমূহৰ পৰা কোনো কন্যা বিদ্যালয়ক সহ-শিক্ষাৰ বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ প্ৰস্তাৱ আহিলে মোৰ চৰকাৰে তাত সন্মতি প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত ৬২৫ গৰাকী স্থায়ী অধ্যক্ষ নিযুক্তিৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যখনৰ বিভিন্ন প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিভিন্ন বিষয়ৰ মুঠ ১৪৬ গৰাকী টে'ট উত্তীৰ্ণ স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হৈছে।

**প্ৰাথমিক শিক্ষা**

**২০১৬-১৭ বৰ্ষৰ প্ৰধান সফলতা** ঃ ২০১৬-১৭ বৰ্ষত মোৰ চৰকাৰে ৭২২৬ গৰাকী সহকাৰী শিক্ষকক নিযুক্তি প্ৰদান কৰিছে। জিলা প্ৰাথমিক শিক্ষাৰ অধীনত বাকী ৰোৱা ১০,৩৩৬ টা খালী পদ আৰু সৰ্বশিক্ষা অভিযানৰ অধীনৰ ৩,১৯৪ টা খালী পদ পূৰণৰ বাবে বিজ্ঞাপন দিয়া হৈছে আৰু এই পদসমূহ পূৰণৰ প্ৰক্ৰিয়া চলি আছে।

**বিনামূলীয়া পাঠ্যপুথি ঃ** শিক্ষা বৰ্ষ ২০১৭ ত ৫২ লাখতকৈ অধিক ছাত্ৰ-ছাত্ৰীলৈ অগ্ৰাধিকাৰ ভিত্তিত বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ হৈছে।

**গুণোৎসৱ** (Gunotsav) ঃ ৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজ্যখনৰ প্ৰাথমিক শিক্ষাৰ গুণগত মান উন্নয়নৰ বাবে মোৰ চৰকাৰ গভীৰভাৱে দায়বদ্ধ। এই ক্ষেত্ৰত মোৰ চৰকাৰে ৰাজ্যখনত গুজৰাটত গুণোৎসৱ ৰূপায়ণৰ দৰেই ৰূপায়ণ কৰাৰ সিদ্ধান্ত লৈছে, যিটো দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শ্ৰেষ্ঠ অনুশীলনৰূপে চিহ্নিত হৈছে। প্ৰাৰম্ভিক পৰ্যায়ত ৮ খন জিলাত ২ য় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ গুণোৎসৱৰ দ্বাৰা সামৰি লোৱা হৈছে।

**কম্পিউটাৰৰ সহায়েৰে শিক্ষা** ঃ ২০১৭ চনৰ মাৰ্চৰ ভিতৰত ২৯৭ খন উচ্চ প্ৰাথমিক বিদ্যালয়ত কম্পিউটাৰ এইডেড্ লাৰ্নিং কাৰ্যসূচী ৰূপায়ণ কৰাৰ এক অভিযোজনা (কম্পিউটাৰৰ দ্বাৰা শিক্ষা) লোৱা হৈছে।

**ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযান** ঃ ৰাজ্যখনত বিজ্ঞান আৰু গণিত বিষয় ৬-১৪ বছৰ বয়সৰ গ্ৰুপৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয় কৰি তোলাৰ বাবে ৪০০ খন বিদ্যালয় নিৰ্বাচিত কৰি নিকটৱৰ্তী কাৰিকৰী আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানত দিহা-পৰামৰ্শৰ ব্যৱস্থা কৰা হৈছে।

**যোগ শিবিৰ** ঃ আটাইকেইখন জিলাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক জড়িত কৰি উন্নয়ন খণ্ড / জিলা / ৰাজ্যিক পৰ্যায়ত যোগ শিবিৰ অনুষ্ঠিত কৰাৰ বাবে মোৰ চৰকাৰে ১০০ লাখ টকা মঞ্জুৰ কৰিছে।

**পৰিকল্পনা আৰু উন্নয়ন ঃ**

মোৰ চৰকাৰে বহনক্ষম উন্নয়নৰ লক্ষ্য ৰূপায়ণৰ ওপৰত প্ৰাধান্য দিছে। ২০১৫ চনৰ ২৫ ছেপ্টেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত ১৯৩ খন দেশৰ দ্বাৰা সৰ্বসন্মতভাৱে গৃহীত বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহৰ লগতে সংগতি ৰাখি একোটাকৈ বহনক্ষম উন্নয়ন লক্ষ্য কোষ স্থাপন কৰা হৈছে। এক 'ভিজন আছাম ২০৩০— সকলোৰে বাবে সকলো— সৰ্বাত্মক আৰু বহনক্ষম উন্নয়ন অৰ্জন'

প্ৰকাশ কৰা হৈছে। বহনক্ষম উন্নয়ন লক্ষ্যৰ প্ৰথমখন ভিজন ডকুমেন্ট “অসম ২০৩০, আমাৰ সপোন, আমাৰ প্ৰতিশ্ৰুতি”, ২০১৬ চনৰ ৩ অক্টোবৰ তাৰিখে উন্মোচন কৰা হৈছে। একক সহযোগপূৰ্ণ সৰ্বাত্মক পদক্ষেপ [Single Synergized Holistic Initiative-(SSHI)] হিচাপে বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহৰ ৰূপায়ণ সংযোজিত কৰাৰ বাবে ৭ বছৰীয়া কৌশলগত আঁচনি আৰু ৩ বছৰীয়া কৰ্ম আঁচনি (SPAP) প্ৰস্তুত কৰাৰ কাম চলি আছে।

প্ৰতিবছৰে প্ৰতিটো বিধান সভা সমষ্টিৰ বিপৰীতে বিধায়কৰ এলেকা উন্নয়ন আঁচনিৰ পুঁজি আবণ্টনৰ পৰিমাণ ১ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে ২০১৬-১৭ বিত্তীয় বৰ্ষত ১২৬ কোটি টকা মোকলাই দিয়া হৈছে। ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ‘সুহৃদ’ নামৰ এখন নতুন আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এই আঁচনিৰ দ্বাৰা জটিল ৰোগত আক্ৰান্ত অভাৱগ্ৰস্ত লোকলৈ আৰু উচ্চ শিক্ষাৰ বাবে আগ্ৰহী অৰ্থনৈতিকভাৱে পিচপৰা ছাত্ৰ-ছাত্ৰীসকললৈ বিত্তীয় সাহায্য আগবঢ়োৱা হ’ব। বিধায়কৰ এলেকা উন্নয়ন পুঁজিৰ অধীনত ‘সুহৃদ’ আঁচনিৰ বিপৰীতে ২০১৬-১৭ বিত্তীয় বৰ্ষত ৬৩ কোটি টকা মোকলাই দিয়া হৈছে। ২০১৫-১৬ বিত্তীয় বৰ্ষত ‘জ্ঞানজ্যোতি’ আঁচনিৰ অধীনত যোৰহাট আৰু কামৰূপ (মহানগৰ) জিলাৰ বাবে ৩০০ লাখ টকা মুকলি কৰি দিয়া হৈছে আৰু ২০১৬-১৭ বিত্তীয় বৰ্ষত ৩০০ লাখ টকাৰ আবণ্টন দিয়া হৈছে। ‘ধৰ্মজ্যোতি’ আঁচনিৰ অধীনত ২০১৬-১৭ বিত্তীয় বৰ্ষত ১৫০ লাখ টকা আবণ্টন দিয়া হৈছে।

অপৰিশোধেয় কেন্দ্ৰীয় পুঁজি আঁচনিৰ অধীনত উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ে ৰাজ্যখনৰ বাবে ৪,০১৪.৮৬ কোটি টকাৰ অনুমোদিত ব্যয়ৰে ৬২৬ টা প্ৰকল্পত (বি টি চি পেকেজ, কে এ এ টি চি পেকেজ, ডি এইচ এ টি চি পেকেজকে ধৰি) মঞ্জুৰি দিছে। এই মন্ত্ৰালয়ে ৩০০১.৬০ কোটি টকা (ডিচেম্বৰ, ২০১৬ লৈকে) মোকলাই দিছে। ইয়াৰে ৰাজ্যখনে ব্যৱহাৰ কৰা ধনৰ পৰিমাণ হৈছে ২৪৫১.১৯ কোটি টকা। ৬২৬ প্ৰকল্পৰ ভিতৰত ৪০০ টা প্ৰকল্পৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে আৰু বাকী ২২৬ টা প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে। ২০১৬-১৭ বিত্তীয় বৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ে অপৰিশোধেয় কেন্দ্ৰীয় পুঁজি আঁচনিৰ অধীনত ৬৩.৩১ কোটি টকাৰ অনুমোদিত ব্যয়ত ৬ টা প্ৰকল্প

বাহাল ৰাখিছে। বৰ্তমান ৭১ টা প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে, ইয়াৰ বাবে উত্তৰ-পূব পৰিষদে পুঁজি যোগান ধৰিছে। ২০১৬-১৭ বিত্তীয় বৰ্ষত উত্তৰ-পূব পৰিষদৰ বিবেচনাৰ অৰ্থে ৩১ টা প্ৰকল্প/ আঁচনিৰ এখন অগ্ৰাধিকাৰপ্ৰাপ্ত তালিকা দাখিল কৰা হৈছে। ইয়াৰে, ১২ খন আঁচনি উত্তৰ-পূব পৰিষদে ৬,৬২১.৪৯ লাখ টকা পুঁজিৰ বিপৰীতে বাহাল ৰাখিছে।

মোৰ চৰকাৰে ৰাজ্যিক পৰিকল্পনা বোৰ্ডখনক ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগ (SITA) হিচাপে নতুনকৈ নামাকৰণ কৰিছে। এই আয়োগখনৰ অধ্যক্ষ হৈছে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু উপাধ্যক্ষ হৈছে শ্ৰীদীপক কুমাৰ বৰঠাকুৰ। উপাধ্যক্ষ গৰাকীৰ পদমৰ্যাদা হ'ব কেবিনেট মন্ত্ৰী পৰ্যায়ৰ। ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগলৈ সচিবালয়ৰ সেৱা প্ৰদান কৰাৰ অৰ্থে পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মূল্যাংকন আৰু নিৰীক্ষণ বিভাগক অধিসূচিত কৰা হৈছে। ৰাজ্যখনৰ বাবে ২০১৪ বৰ্ষৰ মানৱ উন্নয়ন প্ৰকল্প প্ৰতিবেদন ২০১৬ বৰ্ষৰ অক্টোবৰৰ মাহত প্ৰকাশ আৰু মুকলি কৰি দিয়া হৈছে।

অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ে ২০১৬-১৭ বৰ্ষৰ সময়চোৱাত তলত উল্লেখ কৰা কিতাপসমূহ প্ৰকাশ কৰি উলিয়ায় ঃ পৰিসাংখ্যিক হাতপুথি, অসম ২০১৫, অৰ্থনৈতিক জৰীপ, অসম ২০১৫-১৬, বাৰ্ষিক প্ৰশাসনিক প্ৰতিবেদন ২০১৫-১৬, ভূমি ব্যৱহাৰিক পৰিসংখ্যা প্ৰতিবেদন, ২০১৩-১৪ আৰু ২০১৪-১৫ বৰ্ষ।

**বিত্ত ঃ**

বিগত কেইটামান বছৰত ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ উৎসাহজনক নাছিল আৰু দেশৰ বিকাশৰ তুলনাত বহু পিচ পৰি গৈছিল। ২০১৪-১৫ বৰ্ষত চলিত মূল্যমানত জনমূৰি আয় ৰাষ্ট্ৰীয় হাৰ ৮৮,৫৩৩ টকাৰ বিপৰীতে অসমৰ ৪৯,৪৮০ টকা আছিল, বৰঞ্চ ২০% তকৈও অধিক পৰিমাণত ৰাজ্যৰ নিজস্ব ৰাজহ বৃদ্ধি হোৱাৰ দৃষ্টান্ত আছে। কিন্তু ২০১২-১৩ বৰ্ষৰ পৰা ৰাজ্যখনৰ ৰাজহৰ বিকাশ তীব্ৰভাৱে নিম্নগামী হৈছে। ২০১২-১৩ বিত্তীয় বৰ্ষত ৰাজহ বৃদ্ধিৰ হাৰ আছিল পূৰ্বৱৰ্ত্তী বৰ্ষতটোতকৈ মাত্ৰ ২.০৮ শতাংশ। ২০১৪-১৫ বিত্তীয় বৰ্ষত ই পুনৰ

১.৩৯ শতাংশলৈ হ্ৰাস পায়। সেয়েহে নিজা সম্পদ বৃদ্ধিৰ বাবে ৰাজ্যখনে সকলো সম্ভাব্য উপায় অৱলম্বন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি মোৰ চৰকাৰে 'ReSTART Assam' (পৰিৱৰ্তিত অসমৰ সম্পদ বৃদ্ধিৰ বাবে পুনৰ গঠন পদ্ধতি আৰু প্ৰযুক্তি) নামৰ এখন আঁচনি আৰম্ভ কৰিছে। ইয়াৰ দ্বাৰা সমন্বিত আৰু সংঘবদ্ধ অভিযান আকাৰে ৰাজ্যখনৰ নিজা সম্পদৰ জৰিয়তে সম্ভাব্য সৰ্বোচ্চ পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিব পৰা যাব। ইয়াৰ জৰিয়তে স্বাধীনতাৰ আগত ভাৰতৰ আটাইতকৈ সমৃদ্ধিশালী ৰাজ্যসমূহৰ ভিতৰত এখন ৰাজ্য হিচাপে থকা আমাৰ ৰাজ্যখনৰ সুনাম পুনৰ ওভতাই অনাটো সম্ভৱ হ'ব।

মোৰ চৰকাৰে ইয়াৰ আগৰ বাজেট ভাষণত 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (CMSGUY)'- নামৰ এক 'মেগা মিছন' আৰম্ভ কৰাৰ প্ৰস্তাৱ লৈছে। ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ৫ বছৰৰ বাবে আৰম্ভ হৈ ২০২১-২২ বিত্তীয় বৰ্ষলৈকে অব্যাহত থাকিব। উল্লেখযোগ্য যে ২০২২ চনত ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হ'ব। এই যোজনাখনৰ মূল উদ্দেশ্য হৈছে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰীৰ সুৰতে সুৰ মিলাই কৃষি উপাৰ্জনৰ পৰিমাণ দুগুণ কৰা। বৰ্তমান বিকাশৰ হাৰত অসমত কৃষিৰ উপাৰ্জনৰ পৰিমাণ দুগুণ কৰিবলৈ প্ৰায় ৮০ বছৰ লাগিব। এই ক্ষেত্ৰত চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰা স্বাভাৱিক পদক্ষেপসমূহ এনে ধৰণৰ সমস্যা সমাধানৰ ক্ষেত্ৰত পৰ্যাপ্ত নহয়। সেয়েহে, কৃষি উপাৰ্জন দুগুণ কৰাৰ অৰ্থে সমন্বিত আৰু সংঘবদ্ধ প্ৰচেষ্টাৰে ৫ বছৰৰ ভিতৰতে সম্পূৰ্ণ গ্ৰাম্য সবলীকৰণ প্ৰাপ্তিৰ বাবে গ্ৰাম্য এলেকাসমূহত ব্যাপক বিনিয়োগৰ প্ৰস্তাৱ কৰা হৈছে। এই উদ্দেশ্যে 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'- নামৰ 'মেগা চ'ছাইটী খনক চ'ছাইটী পঞ্জীয়ন আইন, ১৮৬০ ৰ অধীনত পঞ্জীয়ন কৰা হৈছে। এই মিছনৰ কাম-কাজ আৰম্ভ কৰাৰ বাবে MMS-CMSGUY-লৈ ৫০০ কোটি টকা মঞ্জুৰ কৰা হৈছে।

প্ৰাক্-ৰেহাই হাৰত পাবলগীয়া ৰয়েল্টী প্ৰদানৰ বাবে মোৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সফলতাৰে বিষয়টো দাঙি ধৰিছে আৰু পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ পৰামৰ্শ অনুসৰি তেল আৰু প্ৰাকৃতিক গেছ নিগম আৰু অইল ইণ্ডিয়া লিমিটেডে ১,৪৫০ কোটি টকা মুকলি কৰি দিছে।

বিমুদ্ৰাকৰণৰ পিচত চাহ বাগানৰ শ্ৰমিকসকললৈ তেওঁলোকৰ সাপ্তাহিক/ পযেকীয়া মজুৰি সুচাৰুৰূপে প্ৰদান কৰাৰ অৰ্থে মোৰ চৰকাৰে সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰিছে। মোৰ চৰকাৰে চাহ বাগানৰ শ্ৰমিকসকলৰ বাবে (২১ জানুৱাৰী ২০১৭ লৈকে) বিভিন্ন বেংকৰ সহযোগত ৬.৫ লাখটা বেংক একাউণ্ট মুকলি কৰিছে আৰু বাকী থকা বেংক একাউণ্টসমূহ অচিৰেই মুকলি কৰা হ'ব। চাহ বাগানৰ শ্ৰমিকসকললৈ তেওঁলোকৰ বেংক একাউণ্টৰ জৰিয়তে মজুৰি প্ৰদানৰ কাম ইতিমধ্যে ৰাজ্যখনৰ কেইবাখনো চাহ বাগানত আৰম্ভ কৰা হৈছে আৰু বাকী থকা চাহ বাগানসমূহতো নগদ ধনবিহীন উপায়েৰে মজুৰি প্ৰদানৰ পদক্ষেপ হাতত লোৱা হৈছে।

ডিজিটেল মাধ্যমেৰে ধন প্ৰদান ব্যৱস্থাটোক উদগনি যোগোৱাৰ অৰ্থে মোৰ চৰকাৰে ১৮ টা উদ্‌গনিমূলক পদক্ষেপ ঘোষণা কৰিছে। এই ক্ষেত্ৰত ঘোষণা কৰা পদক্ষেপসমূহৰ ভিতৰত কেইটামান পদক্ষেপ হ'ল ঃ ২০১৭ চনৰ ১ জানুৱাৰীৰ পৰা বৈদ্যুতিন মাধ্যমেৰে ধন পৰিশোধ কৰা গ্ৰাহকসকললৈ ডিজেল আৰু পেট্ৰ'লৰ মূল্যৰ ওপৰত ০.৭৫% ৰেহাই। বৈদ্যুতিন মাধ্যমেৰে ৫০০ টকা আৰু ততোধিক ধন পৰিশোধ কৰা ৰোগীসকললৈ ১০% ৰেহাই প্ৰদান কৰা হ'ব। ২০১৭ চনৰ ১ জানুৱাৰী আৰু ৩১ মাৰ্চৰ ভিতৰত কোনো এটা গ্ৰাম্য বেংক শাখাত ৭৫% তকৈ অধিক একাউণ্ট থকা ব্যক্তিয়ে কমেও দুটা ডিজিটেল লেনদেন সম্পন্ন কৰিলে উক্ত বেংক শাখাটোক ৫০ হাজাৰ টকাৰ নগদ ধন আৰু এখন প্ৰশস্তি পত্ৰৰে সৈতে 'অসম গ্ৰাম্য ডিজিটেল পদক্ষেপ, ২০১৬-১৭- ৰ বাবে মুখ্যমন্ত্ৰীৰ বঁটা' প্ৰদান কৰা হ'ব। ২০১৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত কোনো এক নিৰ্দিষ্ট গাঁও পঞ্চায়তৰ অধীনৰ কোনো এখন গাঁৱৰ সকলো লেনদেন যদি ১০০% ই ইলেক্ট্ৰনিক মাধ্যমেৰে হয়, তেতিয়া ৫,০০,০০০ টকা আৰু এখন প্ৰশস্তি পত্ৰৰে উক্ত গাঁও পঞ্চায়তখনক 'ডিজিটেল লেনদেনৰ বাবে উত্তমপঞ্চায়তলৈ মুখ্যমন্ত্ৰীৰ বঁটা' প্ৰদান কৰা হ'ব। চৰকাৰী/ প্ৰদেশীকৃত মহাবিদ্যালয়সমূহে ২০১৭ চনৰ ১ জানুৱাৰী আৰু ১৫ জুলাইৰ ভিতৰত অবিৰতভাবে ধন প্ৰাপ্তি আৰু পৰিশোধৰ কাম বৈদ্যুতিন মাধ্যমেৰে সম্পন্ন কৰিলে প্ৰথম দহ (১০)খন এনে মহাবিদ্যালয়ৰ প্ৰতিখনলৈকে ৫ লাখ টকাকৈ নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব।

সকলোবোৰ গাঁও পঞ্চায়ত, উন্নয়ন খণ্ড পঞ্চায়ত, জিলা পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি তথা বিষয়াসকলৰ বাবে ডিজিটেল সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছে।

জনসাধাৰণক ডিজিটেল আৰু নগদ ধনৰ লেনদেনৰ প্ৰতি উৎসাহিত কৰাৰ অৰ্থে ৰাজ্যখনৰ আটাইকেইখন জিলাতে নীতি আয়োগে ঘোষণা কৰা অনুসৰি গ্ৰাহকসকলৰ বাবে লাকী গ্ৰাহক যোজনা আৰু ব্যৱসায়ীসকলৰ বাবে ‘ডিজিধন ব্যাপাৰ যোজনা’ ৰূপায়ণ কৰিবলৈ লোৱা হৈছে।

ভাৰত চৰকাৰৰ দূৰ সংযোগ বিভাগ, দূৰ সংযোগ সেৱা প্ৰদানকাৰী আৰু বেংকসমূহৰ লেখীয়া সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আলোচনা কৰি মোৰ চৰকাৰে যোগাযোগ ব্যৱস্থাৰ সমস্যাটো মোকাবিলা কৰি আছে। ৰাজ্যিক পৰ্যায়ৰ বিত্তীয় অন্তৰ্ভুক্তকৰণ সমিতিয়ে নিয়মিতভাৱে নগদ ধন বিহীন ব্যৱস্থালৈ হোৱা পৰিৱৰ্তনটো নিৰীক্ষণ কৰি আছে আৰু এই ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ বাবে এলানি পদক্ষেপ হাতত লোৱা হৈছে, য'ত ফলাফল লাভ কৰা হৈছে আৰু ২০১৬ চনৰ ৩০ চেপ্তেম্বৰ তাৰিখলৈকে অসমৰ ঋণ-জমাৰ অনুপাত ৫১.৬৮% হৈছে।

২০১৬-১৭ চনৰ বাজেটৰ ঘোষণাত উল্লেখ কৰা অনুসৰি চৰকাৰী কৰ্মচাৰীসকলৰ সন্তানক শিক্ষা ঋণ আগবঢ়োৱাৰ বাবে মোৰ চৰকাৰে বেংকৰ সৈতে আলোচনা কৰিছে আৰু “কৰ্মচাৰীৰ বাবে উচ্চ শিক্ষা হিতৈষণা আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ নিয়মীয়া কৰ্মচাৰীসকলৰ সন্তানৰ বাবে উচ্চ শিক্ষাৰ ঋণ” নামেৰে এখন শিক্ষা ঋণ আঁচনি প্ৰস্তুত কৰিছে। মোৰ চৰকাৰে সুতৰ ক্ষেত্ৰত ৰাজসাহায্য দিবলৈ সিদ্ধান্ত লৈছে আৰু যোগ্যতা অৰ্জন কৰা চৰকাৰী কৰ্মচাৰীসকলক শতকৰা ৪ টকা সুতৰ হাৰত ঋণ উপলব্ধ কৰোৱা হ'ব।

**কৰ্মচাৰী ঃ**

বিভাগসমূহৰ প্ৰশাসনিক নিয়ন্ত্ৰণৰ অধীনস্থ সকলো কাৰ্যালয়তে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ নিযুক্তিৰ ক্ষেত্ৰত সাক্ষাৎকাৰ অনুষ্ঠিতকৰণক বন্ধ কৰাৰ বিষয়টো পৰীক্ষা কৰিবলৈ আৰু এই দিশৰ সংশ্লিষ্ট সেৱাবিধি/কাৰ্যবাহী নিৰ্দেশনাৰ

প্ৰয়োজনীয় সংশোধন কৰিবলৈ সকলো প্ৰশাসনিক বিভাগলৈ নিৰ্দেশনা জাৰি কৰা হৈছে।

২০১৬ চনত হাতত লোৱা সংস্কাৰমূলক কাৰ্যসূচীৰ অংশ হিচাপে অসম লোকসেৱা আয়োগে পোন প্ৰথমবাৰৰ বাবে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ মৌখিক সাক্ষাৎকাৰৰ ভিডিঅ'গ্ৰাফী কৰাৰ কাম আৰম্ভ কৰিছে। অসম লোকসেৱা আয়োগৰ সংস্কাৰ সম্পৰ্কীয় তপন লাল বৰুৱা সমিতি আৰু মদন প্ৰসাদ বেজবৰুৱা সমিতিৰ পৰামৰ্শাৱলী ৰূপায়ণ কৰিবলৈ মোৰ চৰকাৰে পদক্ষেপ হাতত লৈছে। লগতে অসম লোকসেৱা আয়োগে ইয়াৰ অধীনত থকা পৰীক্ষাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰিব পৰাকৈ আৰু পৰীক্ষাৰ প্ৰাৰ্থীসকলৰ পৰিকল্পনা তথা প্ৰস্তুতিত সহায়ক হোৱাকৈ আয়োগে ২০১৭ চনত ইয়াৰ পৰীক্ষাসমূহৰ / শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰিবলৈ সক্ৰিয়ভাৱে মনোনিৱেশ কৰিছে।

**সচিবালয় প্ৰশাসন ঃ**

জনসাধাৰণ আৰু কৰ্মচাৰীসকলৰ বাবে দৰ্শনাৰ্থীৰ প্ৰৱেশপত্ৰ, গাড়ীৰ প্ৰৱেশপত্ৰ, অস্থায়ী আৰু বিশেষ প্ৰৱেশপত্ৰৰ ক্ষেত্ৰত অনলাইন আবেদন জমা দিয়াৰ বাবে অসম সচিবালয় ই-পাছ ব্যৱস্থা ২০১৬ চনৰ ১ জুলাইৰ পৰা প্ৰৱৰ্ত্তন কৰা হৈছে। এই সেৱা ৱেবচাইট যোগে উপলব্ধ হৈছে আৰু এতিয়ালৈকে সুকলমে চলি আছে।

কৰ্মচাৰীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে দৰমহাৰ বাজেটৰ ০.৫% অসম সচিবালয়ৰ কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ বাবে আছুতীয়াকৈ ৰখা হৈছে। এই প্ৰশিক্ষণবোৰ সফলতাৰে অনুষ্ঠিত হৈ আছে। অসম সচিবালয়ৰ কৰ্ম বিষয়ক অৰ্হতা বৃদ্ধিৰ বাবে কম্পিউটাৰৰ প্ৰশিক্ষণ আৰু অৰ্হতা বিষয়ক প্ৰশিক্ষণ আয়োজন কৰা হৈছে।

**পেঞ্চন আৰু ৰাজহুৱা অভিযোগ ঃ**

পৰিয়াল পেঞ্চন গ্ৰহণৰ ক্ষেত্ৰত 'পৰিয়াল' সংজ্ঞাৰ অধীনত 'পিতৃ-মাতৃ' শব্দটো অন্তৰ্ভুক্ত কৰি মোৰ চৰকাৰে বিধি সংশোধন কৰিছে। এগৰাকী চৰকাৰী

চাকৰিয়ালৰ বিয়োগত তেওঁৰ পৰিয়ালৰ সদস্যসকলে যাতে দৰমহাৰ সা-সুবিধা লাভ কৰিব পাৰে তাৰ বাবে বিশেষ পৰিয়াল পেঞ্চন সংশোধন কৰা হৈছে। ভাৰত চৰকাৰৰ আৰ্হিত এন পি এছৰ অধীনৰ অক্ষম / বিয়োগ ঘটা চৰকাৰী চাকৰিয়াললৈ অক্ষমতাৰ পেঞ্চন তথা পৰিয়াল পেঞ্চনৰ সা-সুবিধা সাময়িকভাৱে বৃদ্ধি কৰা হৈছে। পেঞ্চনাৰসকলৰ বকেয়া পেঞ্চন প্ৰদান প্ৰক্ৰিয়া উজু কৰিবলৈ বিধি প্ৰৱৰ্তন কৰা হৈছে; পেঞ্চন মঞ্জুৰ কৰা কৰ্তৃপক্ষৰ অনুমোদন অবিহনেই এতিয়া প্ৰশাসনীয় বিভাগসমূহে ১ লাখ টকা পৰ্যন্ত বকেয়া পেঞ্চন মঞ্জুৰ কৰিব পাৰে।

নতুন চৰকাৰে কাৰ্যভাৰ লোৱাৰ পিছত মাহিলী পেঞ্চন গোচৰ নিষ্পত্তিৰ পৰিমাণ পূৰ্বৰ ৫০০-৭০০ টাৰ পৰা ১০০০ টালৈ বৃদ্ধি পাইছে। ২০১৭ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত ১২০০ টাকৈ পেঞ্চন গোচৰ নিষ্পত্তিৰ লক্ষ্য লোৱা হৈছে আৰু ২০১৭ চনৰ মাৰ্চ মাহৰ পৰা ১৫০০ টালৈকে এনে গোচৰ নিষ্পত্তি কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

**প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ঃ**

প্ৰশিক্ষণৰ বাবে পৰ্যাপ্ত আন্তঃগাঁথনিৰে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ক ৰাষ্ট্ৰীয় / আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰি তোলাৰ অৰ্থে এখন আঁচনি হাতত লোৱা হৈছে। মুচৌৰীৰ আই এ এছ একাডেমীৰ আৰ্হিত উমৰাংচুত এখন প্ৰশিক্ষণ একাডেমী স্থাপনৰ বাবে এটা নতুন প্ৰকল্প হাতত লোৱা হৈছে আৰু এই একাডেমী খনৰ বাবে উমৰাংচুৰ ল'বাঙত ১০০০ বিঘা ভূমি চিনাক্ত কৰা হৈছে।

**মুদ্ৰণ আৰু লেখন সামগ্ৰী ঃ**

অসম চৰকাৰী ছপাশালৰ এটা ৱেবচাইট মুকলি কৰা হৈছে। ই-ৰাজপত্ৰ অৰ্থাৎ অসম ৰাজপত্ৰ অনলাইনযোগে প্ৰকাশৰ কাম ২০১৬ চনৰ জুলাই মাহৰ পৰা আৰম্ভ কৰা হৈছে। অসম চৰকাৰী ছপাশালৰ পুনৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। যোৰহাট আৰু লখিমপুৰত দুটা শাখা ছপাশালৰ নিৰ্মাণৰ কাম চলি আছে। উন্নত ব্যৱস্থাপনা তথা আধুনিক ছপা প্ৰযুক্তিৰ সৈতে খাপ খুওৱাৰ উদ্দেশ্যে

সকলো কৰ্মচাৰীকে ৰাজ্যৰ ভিতৰত নতুবা বাহিৰত প্ৰশিক্ষণ প্ৰদানৰ এক কাৰ্যসূচীৰ প্ৰস্তাৱ কৰা হৈছে। বিদ্যুতৰ খৰচ কম কৰাৰ অৰ্থে শক্তি ৰাহিকাৰক মটৰ/ ষ্টাৰ্টাৰৰ ব্যৱহাৰ আৰম্ভ কৰা হ'ব। বহনক্ষম উন্নয়ন লক্ষ্যৰ অধীনত পুনৰ নবীকৰণযোগ্য শক্তিৰ উৎস (সৌৰ শক্তি প্ৰকল্প) স্থাপন কৰা হ'ব।

**পাৰপত্ৰ ঃ**

বিদেশী নাগৰিকৰ সেৱা ব্যৱস্থাটোক সঠিক আৰু উন্নত কৰাৰ বাবে ভিচা প্ৰদান আৰু বিদেশী নাগৰিক পঞ্জীয়ন তথা ট্ৰেকিং ব্যৱস্থাৰ এক অভিলাষী প্ৰকল্প গুৱাহাটীৰ পুলিচ কমিচনাৰৰ কাৰ্যালয়ত সক্ৰিয় কৰি তোলা হৈছে। এই প্ৰকল্পটো তেজপুৰ, যোৰহাট, নগাঁও, ডিব্ৰুগড়, শিৱসাগৰ, শিলচৰ, কৰিমগঞ্জ, ডিফু, গোলাঘাট, দক্ষিণ শালমাৰা, বঙাইগাঁও, কামৰূপ (গ্ৰাম্য), বাক্‌চা, কাহিলীপাৰা আৰু দিছপুৰত সক্ষম কৰি তোলা হৈছে। এবছৰৰ ভিতৰত প্ৰকল্পটোৱে সমগ্ৰ ৰাজ্যখনকে সামৰি ল'ব।

**আইন-শৃংখলা আৰু আৰক্ষী প্ৰশাসন ঃ**

তিনি দশকৰো অধিক কাল অসমে সন্ত্ৰাসবাদৰ সৈতে যুঁজি আছে। ইউনিফাইড কমাণ্ড ষ্ট্ৰাকচাৰৰ অধীনত মোৰ চৰকাৰে বহুতৰপীয়া কৌশল গ্ৰহণ কৰিছে আৰু ই যথেষ্ট সুফল দেখুৱাইছে। এই ক্ষেত্ৰত মোৰ চৰকাৰে হাতত লোৱা প্ৰচেষ্টাসমূহ অব্যাহত থাকিব। বিভিন্ন শ্ৰেণীৰ ৪,৩৯৪ টা পদৰ বিপৰীতে নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। তদুপৰি মুঠ ৫,০১৩ টা পদ অতিৰিক্তভাৱে মকৰল কৰাৰ পদক্ষেপ হাতত লোৱা হৈছে। মোৰ চৰকাৰে পাঁচটা (৫) এ পি (আই আৰ) বেটেলিয়ন গঠন কৰিবলৈ প্ৰস্তাৱ কৰিছে।

সমাজৰ সকলো স্তৰৰ প্ৰতিনিধিক লৈ অসম আৰক্ষীয়ে সকলো আৰক্ষী থানাতে নাগৰিক সমিতি গঠন কৰিছে। অতিৰিক্তভাৱে সকলো জিলা আৰু মহকুমা সদৰত ৬৪ টা মহিলা কোষ গঠন কৰা হৈছে। সকলোবোৰ জিলাত চি আই ডি সংগঠনক জড়িত কৰি ৰাজ্যৰ তিনিশখন আৰক্ষী থানাত তিনিশটা মহিলা কোষ স্থাপনৰ প্ৰস্তাৱ এটা বিবেচনা কৰি থকা হৈছে। সকলো জিলা সদৰত বিশেষ জুভেনাইল পুলিচ ইউনিট গঠন কৰা হৈছে।

নগৰ অঞ্চলত ট্ৰেফিক ব্যৱস্থা উন্নয়ন সাধনৰ অৰ্থে অসমৰ ৯৯ টা নগৰীয়া কেন্দ্ৰত ট্ৰেফিক চিগনেলৰ ব্যৱস্থাৰ এটা প্ৰকল্প ৰূপায়ণৰ পদক্ষেপ লোৱা হৈছে। পৰ্যবেক্ষণ ব্যৱস্থাটোক উন্নত কৰাৰ বাবে গুৱাহাটী চহৰৰ ৯০ টা স্থানত ২৯০ চিচিটিভি কেমেৰা স্থাপনৰ প্ৰক্ৰিয়া চলি আছে। ৬,১০৬ টা অ-পঞ্জীকৃত গাঁওৰক্ষী বাহিনীৰ পঞ্জীয়ণৰ প্ৰস্তাৱ ৰূপায়িত হৈ আছে। আৰক্ষী ব্যৱস্থাটোত স্বচ্ছতা অনাৰ উদ্দেশ্যে অপৰাধ, মহিলা সুৰক্ষা, এজাহাৰ দিয়াৰ ১০০ শতাংশ ডিজিটাইজেচন, নাগৰিকৰ বাবে ৱেব প'ৰ্টেল (CCTNS)ৰ দ্বাৰা অনলাইন সেৱা আদি সমৰ্পিত চফটৱেৰ যুক্ত ম'বাইল সেৱাৰ আৰম্ভণি আদিৰ দ্বাৰা উৎকৃষ্ট আৰু ফলপ্ৰসূ ৰাজহুৱা সেৱা প্ৰদানৰ বাবে নতুন প্ৰযুক্তি বিদ্যা আহৰণ কৰা আৰু বৰ্তমানৰ প্ৰযুক্তিক উন্নত পৰ্যায়লৈ নিয়াৰ ব্যৱস্থা কৰা হ'ব। বৰ্তমানৰ 'ডায়েল ১০০' প্ৰকল্প আৰু এই সম্পৰ্কীয় সুবিধাসমূহ উন্নীতকৰণে গুৱাহাটীক অতিক্ৰম কৰি সম্পূৰ্ণ ৰাজ্যখনলৈকে ইয়াৰ সেৱা সম্প্ৰসাৰণ কৰিব।

১৯৪৯ চনত স্থাপিত আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়, দেৰগাঁওক উন্নীতকৰণ কৰিবলৈ আৰু নতুনকৈ অসম পুলিচ একাডেমী হিচাপে নামকৰণৰ প্ৰস্তাৱ লোৱা হৈছে। ২০১৬ চনত সৰ্বমুঠ ৫,১৫১ গৰাকী মকৰল কৰা কনিষ্ঠবলক তেখেতসকলৰ প্ৰাথমিক প্ৰশিক্ষণ প্ৰদান কৰা হয়। অন্যান্যসকলৰ বাবে ৰাজ্যখনৰ ভিতৰত আৰু বাহিৰত কৰ্মৰত চাকৰিয়ালৰ বাবে পাঠ্যক্ৰম আৰু বিশেষ পাঠ্যক্ৰম প্ৰদান কৰা হয়। অসমৰ ৩ খন বিদ্ৰোহাত্মক কাৰ্যকলাপ আৰু সন্ত্ৰাসবাদ প্ৰতিৰোধী বিদ্যালয়ত ২০১৬ চনত ৬৫২গৰাকী লোকক প্ৰশিক্ষণ প্ৰদান কৰা হয়। আগতীয়া প্ৰশিক্ষণৰ বাবে গুৱাহাটীত অসম আৰক্ষী একাডেমী স্থাপন কৰা হৈছে। ইয়াত বিশেষ পাঠ্যক্ৰম, কৰ্মৰত চাকৰিয়ালৰ বাবে পাঠ্যক্ৰম আৰু প্ৰশিক্ষণৰ গৱেষণামূলক কাম-কাজ চলাই থকা হৈছে। মান্দাকাটাত এখন বিদ্ৰোহাত্মক কাৰ্যকলাপ প্ৰতিৰোধী আৰু জংঘল যুদ্ধ বিদ্যালয় স্থাপন কৰা হৈছে।

তদাৰকী আৰু দুৰ্নীতি-প্ৰতিৰোধী ব্যৱস্থাটোক সক্ৰিয় কৰা হৈছে আৰু আইন অনুসৰি দৃঢ় পদক্ষেপ হাতত লোৱা হৈছে।

অগ্নি নিৰ্বাপক আৰু জৰুৰীকালীন সেৱা সঞ্চালকালয়ৰ দক্ষতা বৃদ্ধিৰ বাবে মোৰ চৰকাৰে জুই নুমোৱা আহিলা- পাতি আৰু আধুনিক গেজেট ক্ৰয় কৰা পদক্ষেপ হাতত লোৱা হৈছে, যাতে জৰুৰীকালীন পৰিস্থিতি সফলতাৰে নিয়ন্ত্ৰণ কৰিব পাৰে আৰু বিপদগ্ৰস্ত লোকসকলক সকাহ দিব পাৰে। এই বিভাগৰ হিচাপ পৰীক্ষণৰ কাম হাতত লোৱা হৈছে।

মোৰ চৰকাৰে অসমৰ ৬ খন কেন্দ্ৰীয় কাৰাগাৰ, ২২ খন জিলা কাৰাগাৰ, এখন বিশেষ কাৰাগাৰ, এখন মুকলি কাৰাগাৰ আৰু এখন উপ-কাৰাগাৰৰ ফলপ্ৰসূ কাম-কাজৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ সা-সুবিধা বৃদ্ধিৰ অৰ্থে পদক্ষেপ হাতত লৈছে। তদুপৰি মানৱীয় প্ৰমূল্যবোধ বৰ্তাই ৰখাৰ লক্ষ্যৰে জিলা আইনী সেৱা প্ৰাধিকৰণৰ জৰিয়তে আইনী সাহায্য লাভ কৰাৰ বাবে অভাৱগ্ৰস্ত কয়দীসকললৈ সা-সুবিধা আগবঢ়োৱা হৈছে।

**ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী ঃ**

২৭ ফেব্ৰুৱাৰী, ২০১৫ তাৰিখে লিগেছি ডাটা (ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন ১৯৫১ আৰু ভোটাৰ তালিকা ২৪ মাৰ্চ, ১৯৭১ তাৰিখৰ মাজনিশা পৰ্যন্ত) প্ৰকাশৰ জৰিয়তে ৰাজ্যখনত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন (NRC) উন্নীতকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। ৰাজ্যখনৰ ২৭ খন জিলাত ১৫৭ টা ৰাজহ চক্ৰৰ অন্তৰ্গত ২,৪৯৬ টা সেৱা প্ৰদান কেন্দ্ৰ স্থাপন কৰা হৈছিল। প্ৰতিটো কেন্দ্ৰত প্ৰায় ২৫০০ টাকৈ পৰিয়াল সামৰি লোৱা হৈছিল। ৬৮.২১ লাখ আবেদন প্ৰ-পত্ৰৰ ক্ষেত্ৰ পৰীক্ষণ কাৰ্য প্ৰায় সম্পূৰ্ণ কৰা হৈছে।

কাৰ্যালয় নিৰীক্ষণৰ বাবে হাতত লোৱা ৫.৯৪ কোটি নথি-পত্ৰৰ ভিতৰত ৫.৪৬ কোটি নথি-পত্ৰ (৯১.৮৯%) প্ৰদানকাৰী কৰ্তৃপক্ষৰ লগত থকা প্ৰকৃত নথি-পত্ৰৰ সৈতে ৰিজনি কৰি ইতিমধ্যে নিৰীক্ষণ কৰা হৈছে। ৩.৫৫ লাখ নথি-পত্ৰ আন্তঃৰাজ্যিক নিৰীক্ষণৰ বাবে বিভিন্ন ৰাজ্যলৈ প্ৰেৰণ কৰা হৈছে যদিও এতিয়ালৈ ইয়াৰে মাত্ৰ ৬৪,৪৫২ নথি-পত্ৰৰ উত্তৰহে পোৱা গৈছে। আন্তঃৰাষ্ট্ৰীয় পৰীক্ষণৰ প্ৰয়োজন হোৱা ৪০২ সংখ্যক নথি-পত্ৰ ভাৰতীয় ৰাষ্ট্ৰদূত / উচ্চায়ুক্তৰ

জৰিয়তে পৰীক্ষণৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা হৈছে আৰু ইয়াৰে ৪৪ সংখ্যক নথিৰ উত্তৰ লাভ কৰা হৈছে। পৰীক্ষণৰ সময়ছোৱাত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কেতবোৰ আবেদনকাৰীয়ে কেতবোৰ ভুৱা নথি-পত্ৰ দাখিল কৰাটো ধৰা পৰিছে আৰু এতিয়ালৈকে এনেধৰণৰ জালিয়াতিৰ বাবে সমগ্ৰ ৰাজ্যখনতে মুঠ ১৬৬ খন এজাহাৰ দাখিল কৰা হৈছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নামভৰ্তিৰ বাবে দাখিল কৰা ভুৱা নথি-পত্ৰ ভালদৰে অনুসন্ধান কৰাৰ বাবে আমাৰ চৰকাৰে অতিৰিক্ত সঞ্চালক প্ৰধান (CID) ৰ নেতৃত্বত এটা তদন্তকাৰী দল গঠন কৰি দিছে।

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত ভুৱাকৈ নামভৰ্তিৰ বাবে আন ব্যক্তিৰ ভেশ ধৰি লিগেচি ডাটাৰ অপব্যৱহাৰক প্ৰতিৰোধ কৰাৰ বাবে বংশ বৃক্ষ পৰীক্ষণৰ ধাৰণা প্ৰৱৰ্ত্তন কৰা হৈছে য'ত আবেদনকাৰীয়ে জমা দিয়া বংশ বৃক্ষসমূহৰ কম্পিউটাৰত সৃষ্ট বংশবৃক্ষৰ সৈতে মিলাই চোৱা হ'ব। ২০১৬ চনৰ আগষ্ট মাহৰ পৰা ৰাজ্যজুৰি বংশ বৃক্ষৰ পৰীক্ষণ কাৰ্য হাতত লোৱা হৈছে।

**বিদেশী চিনাক্তকৰণ ন্যায়াধীকৰণ ঃ**

বিদেশী আইন, সন্দেহজনক (ডি) ভোটাৰ আৰু স্থানান্তৰ আই এম (ডি) টি-ৰ অধীনত থকা গোচৰসমূহৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ মোৰ চৰকাৰে ১০০ খন বিদেশী চিনাক্তকৰণ ন্যায়াধিকৰণ গঠন কৰিছে। ৩০-০৯-২০১৬ তাৰিখলৈকে মুঠ ২,০৩,৪০৮ টা বিদেশী আইনৰ গোচৰ আৰু ১,১৫,১৫৮ টা 'ডি' ভোটাৰ সম্পৰ্কীয় গোচৰ বিভিন্ন বিদেশী চিনাক্তকৰণ ন্যায়াধিকৰণত পৰি আছে।

**সীমান্ত অঞ্চল ঃ**

২০১৬ চনৰ ১৭ অক্টোবৰত কাজিৰঙাত মোৰ চৰকাৰে নাগালেণ্ডৰ সৈতে এক সীমান্ত সৌহাদ্যপূৰ্ণ কাৰ্য্যসূচীৰ (Border Outreach Programme) আয়োজন কৰিছিল। এই কাৰ্য্যসূচীত পশ্চিম কাৰ্বি আংলং, লখিমপুৰ আৰু শিৱসাগৰ জিলাৰ উপায়ুক্তসকলৰ সৈতে দুয়োখন ৰাজ্যৰ মুখ্য মন্ত্ৰী দুগৰাকীয়ে অংশ গ্ৰহণ কৰে।

‘দক্ষতা বিকাশ আৰু সামৰ্থ বৃদ্ধি কাৰ্য্যসূচী’ৰ অধীনত লক্ষ্য নিৰ্দ্ধাৰিত মুঠ ১,৭৪০ গৰাকী যুৱক-যুৱতীৰ ভিতৰত ৪৮৪ গৰাকী যুৱক-যুৱতীয়ে প্ৰশিক্ষণ গ্ৰহণ সম্পূৰ্ণ কৰিছে আৰু বাকী থকা যুৱক-যুৱতীসকলক অতিশীঘ্ৰে প্ৰশিক্ষণ প্ৰদান কৰা হ’ব। উকিয়াম (কামৰূপ), গোলাচেৰা (হাইলাকান্দি), কানুবাৰি (শিৱসাগৰ), হোলোংগুৰি (যোৰহাট), লাইচং (ডিমা হাছাও), তৰাইবাৰি (কাৰ্বি আংলং) আৰু দুৰ্গাপুৰ (গোলাঘাট)ত নতুন সীমান্ত আৰক্ষী চকী নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। আন্তঃৰাজ্যিক সীমান্তৱৰ্তী ২৪ খন জিলাৰ আন্তঃৰাজ্যিক সীমান্ত এলেকাত সীমাৰেখাৰ জৰীপৰ কাম অহা বিত্তীয় বৰ্ষত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

**তথ্য আৰু জনসংযোগ ঃ**

মোৰ চৰকাৰে জনসাধাৰণ আৰু বিশেষকৈ সাংবাদিকসকলৰ কল্যাণৰ বাবে কেইবাখনো আঁচনি কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিছে। কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা সাংবাদিকসকলৰ শোকসন্তপ্ত পৰিয়ালসমূহলৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ বাবে চৰকাৰে “সাংবাদিক পৰিয়াল কল্যাণ পুঁজি” নামেৰে এক অভিলাষী আঁচনি ৰূপায়ণ কৰিবলৈ লৈছে। এই সন্দৰ্ভত নিয়মাৱলী প্ৰস্তুত কৰা হৈছে আৰু আঁচনিখন ৰূপায়ণৰ বাবে কৰ্পাচ পুঁজি গঠন কৰা হৈছে। “সাংবাদিকৰ বাবে পেঞ্চন আঁচনি”ৰ অধীনত সাংবাদিকসকলক অৱসৰকালীন সা-সুবিধা আগবঢ়োৱাৰ বাবে প্ৰক্ৰিয়া চলি আছে।

বিভিন্ন হিংসাত্মক ঘটনাত মৃত্যু হোৱা ৰাজ্যখনৰ ৪৫ গৰাকী সাংবাদিকৰ প্ৰতিগৰাকীৰ নিকট আত্মীয়লৈ ৩ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱা হ’ব। এইক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ ইতিমধ্যেই হাতত লোৱা হৈছে।

বৰ্ত্তমানৰ পৰিস্থিতি বিবেচনা কৰি প্ৰেছ এক্ৰিডিটেচন বিধি, ১৯৮৯ নিৰ্দ্দিষ্ট ব্যৱস্থাৱলীৰ সংশোধনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ উপৰিও, মোৰ চৰকাৰে ২০০৮ ৰ বিজ্ঞাপন নীতিৰ প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াৰ পৰামৰ্শ অনুযায়ী সংশোধনৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছে।

**ন্যায়িক ঃ**

ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমী গৃহৰ নিৰ্মাণকাৰ্য্য (প্ৰথম পৰ্য্যায়) ২০১৭ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। উচ্চ ন্যায়ালয়, জিলা আদালত, ন্যায়িক আদালত (নতুনকৈ স্থাপন কৰা চিৰাং, কাৰ্বিআংলং আৰু ডিমা হাছাও ন্যায়িক জিলাতো), ফাষ্ট ট্ৰেক আদালত ইত্যাদিকে ধৰি ন্যায়পালিকাৰ বাবে কেইবাটাও প্ৰকল্প হাতত লোৱাৰ প্ৰস্তাৱ কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে ইয়াৰ অধীনৰ আদালতসমূহৰ বাবে ৩০০০ তকৈ অধিক পদ সৃষ্টি কৰাৰ প্ৰস্তাৱ লৈছে।

**বিধায়িনী ঃ**

লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰীসকলক সহায় কৰাৰ অৰ্থে অসম ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণে আইনী সেৱা প্ৰদান আৰু লোক আদালত অনুষ্ঠিতকৰণ, আইনী সজাগতা শিবিৰ অনুষ্ঠিতকৰণ ইত্যাদিৰ লেখীয়া বিভিন্ন কাৰ্যসূচী হাতত লৈছে। এই প্ৰাধিকৰণে লগতে ৰাজ্যখনত ধ্যান কেন্দ্ৰ স্থাপন কৰিছে আৰু অৰ্দ্ধ আইনী স্বেচ্ছাসেৱী আৰু আইনী সাহায্য পৰামৰ্শদাতাৰ প্ৰশিক্ষণ অনুষ্ঠিত কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ধ্যানকেন্দ্ৰ (Principal Seat) আৰু অসমৰ ধ্যানকেন্দ্ৰকে ধৰি ১০ খন ন্যায়িক জিলাত ১২ টা ধ্যান কেন্দ্ৰ স্থাপন কৰা হৈছে। ৰাজ্যখনত ধ্যানকেন্দ্ৰৰ বিকল্প বিবাদ নিষ্পত্তিকৰণ ব্যৱস্থা আৰু বিকল্প বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰ নিৰ্মাণৰ নতুন ধাৰণাৰ ওপৰত এই প্ৰাধিকৰণে সজাগতা সৃষ্টিৰ প্ৰচেষ্টা হাতত লৈছে।

সন্মানীয় সদস্যসকল, মই আপোনালোকৰ আগত মোৰ চৰকাৰৰ নীতি আৰু আঁচনিসমূহ উপস্থাপন কৰিলো। ইতিমধ্যে উল্লেখিত এই নীতি আৰু আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ মোৰ চৰকাৰ অঙ্গীকাৰবদ্ধ। এই আঁচনিসমূহৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ মই মাননীয় সদনৰ প্ৰতি আহ্বান জনালো, যাতে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সৰ্বাঙ্গীণ আৰু সমবিকাশ সাধিত হয়।

**জয় আই অসম**

**ভাৰত মাতা কি জয়**